● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

এইখন পৃথিৱীত মই ভেৰাৰ দৰে দুশ বছৰ জীয়াই থকাতকৈ বাঘৰ দৰে দুদিন জীয়াই থাকিব বিচাৰো।

টিপু চুলতান
*মহীশূৰৰ নবাব*



৭ সাত শতাংশ হ্ৰাস দেশৰ দৈনিক সংক্ৰমণ
১৫ আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম এদিনীয়া
৪ নিজ ৰূপত আপোনভোলা ৰাজনীতিক আৰু একনায়কত্ববাদ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১০২তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৫ মাঘ ১৪২৮ ভাস্কৰাব্দ ১৯ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 19 January 2022 মূল্য ঃ ৯.০০ টকা

■ জনতা ভৱনৰ নাতিদূৰৈৰ পিলিংকাটাৰ ভূমি হস্তান্তৰ হ'ব মেঘালয়লৈ ■ চুবুৰীয়া ৰাজ্যখনে আন্তঃগাঁথনি গঢ়ি তোলাত সীমান্তৱৰ্তী বহু লোক তাত বসবাস কৰাত আগ্ৰহী ঃ বিধায়ক কলিতা

# বিবদমান ভূমি ভগাব অসম-মেঘালয়ে




**ৰাজনৈতিক দল-ছাত্ৰ সংগঠনৰে মুখ্যমন্ত্ৰীৰ বৈঠক ■ এৰা-ধৰাৰ প্ৰস্তাৱৰ বিৰোধিতা কংগ্ৰেছৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** মেঘালয়ক ভূমি এৰি দি চুবুৰীয়া ৰাজ্যখনৰ লগত বিগত অৰ্ধশতিকাজুৰি চলি অহা সীমা বিবাদ মীমাংসাৰ দিশে আগবাঢ়িছে অসম। তাৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত অসম বিধানসভাৰ সদস্য দলকেইটাৰ প্ৰতিনিধিৰ লগতে আৰু কে'বাটাও ছাত্ৰ সংগঠনৰ স'তে পৃথক বৈঠকত মিলিত হয়। উক্ত বৈঠকত প্ৰধান বিৰোধী দল কংগ্ৰেছে চৰকাৰে যি পদ্ধতিৰে সমস্যাবোৰ সমাধান কৰিব বিচাৰিছে তাৰ বিৰোধিতা কৰাৰ বিপৰীতে আন দলকেইটাই সহযোগিতাৰ আশ্বাস দিয়ে। এআইইউডিএফ আৰু বিপিএফৰ প্ৰতিনিধিয়ে চৰকাৰৰ স্থিতিক আদৰণি জনাই কয় যে এৰা-ধৰাৰ মাজেৰে দীৰ্ঘদিনীয়া সমস্যাটোৰ সমাধানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক লৈ তেওঁলোকে যথেষ্ট আশাবাদী। আনহাতে, ৰাইজৰ দলৰ প্ৰতিনিধি বৈঠকত উপস্থিত নাথাকিল যদিও দলৰ বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা এক পত্ৰত অসমৰ সাংবিধানিক সীমাত আপোচ কৰি আন ৰাজ্যক ভূমি এৰি দিব খুজিলে সেয়া কেতিয়াও মানি ল'বলগীয়া বিষয় হ'ব নোৱাৰে বুলি কয়। অসমৰ সাংবিধানিক সীমাৰ ভিতৰত থকা বহিঃৰাজ্যৰ বেদখল আঁতৰাবলৈকে পত্ৰখনত দাবী কৰা *১০ পৃষ্ঠাত চাওক*

**শতাধিক অৱতীৰ্ণৰ প্ৰতিবাদত উত্তাল**

## টে'ট পৰীক্ষাৰ বিসংগতিৰ কথা স্বীকাৰ ছেবা কৰ্তৃপক্ষৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** শিক্ষামন্ত্ৰীয়ে নকৰিলেও টে'ট পৰীক্ষাৰ বিসংগতিৰ কথা স্বীকাৰ কৰিছে ছেবা কৰ্তৃপক্ষই। এই ভাষ্য টে'ট *১০ পৃষ্ঠাত চাওক*

**■ ডেল্টা-অ'মিক্ৰনৰ সমান্তৰাল সংক্ৰমণৰ তাণ্ডৱ ৰাজ্যত ■ এদিনত আক্ৰান্তৰ সংখ্যা ১৫ হেজাৰলৈ বৃদ্ধিৰ আশংকা প্ৰকাশ স্বাস্থ্য বিভাগৰ**

## তিনিওটা ঢৌৰ অভিলেখ ভংগ কৰি এদিনতে আঠ হেজাৰ ক'ভিড আক্ৰান্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** অসমত ক'ভিডৰ তৃতীয় ঢৌত ভংগ কৰিলে দৈনিক আক্ৰান্তৰ অভিলেখ। প্ৰতিদিনেই সংক্ৰমিত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। যাৰ ফলত দৈনিক আক্ৰান্তৰ সংখ্যাই প্ৰথম আৰু দ্বিতীয় ঢৌৰ পৰিসংখ্যাকো চেৰ পেলাবলৈ সক্ষম হৈছে। প্ৰথম আৰু দ্বিতীয় ঢৌত এদিনত আক্ৰান্তৰ সংখ্যা আছিল সৰ্বাধিক ছহেজাৰ পাঁচশজন। ইয়াৰ বিপৰীতে ইতিমধ্যেই ৰাজ্যক স্পৰ্শ কৰা তৃতীয় ঢৌৰ কবলত পৰি বিগত ২৪ ঘণ্টাত আক্ৰান্ত হ'ল আঠ হেজাৰ ৭২জন লোক। স্বাভাৱিকতে এই পৰিসংখ্যাই সকলোকে শংকিত কৰি তুলিছে। উল্লেখ্য যে কালিৰ দিনটোত ৰাজ্যত মুঠ ছহেজাৰ ৯৮২জন লোক আক্ৰান্ত হৈছিল। *১০ পৃষ্ঠাত চাওক*

## জনতা ভৱনত কৰ্মচাৰীৰ ব্যাপক সাল-সলনি

বদলি নহ'ল ১০ বছৰ একেটা বিভাগতে বহি থকা একাংশৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** অসম চৰকাৰে অহা ১০ মে'ৰ পূৰ্বে জনতা ভৱনৰ সকলো পুৰণা ফাইলৰ কাম সম্পূৰ্ণ কৰিবলৈ গ্ৰহণ কৰা সদভাৱনা অভিযান ৰূপায়ণৰ অংশ হিচাপে বৃহৎ ৰদ-বদল সম্পন্ন কৰিছে। জনতা ভৱনত কৰ্মৰত ৭০ জনতকৈ অধিক জ্যেষ্ঠ প্ৰশাসনিক সহায়কক এই ৰদ-বদলৰ জৰিয়তে পূৰ্বৰ বিভাগৰ *ছয় পৃষ্ঠাত চাওক*

■ পাংগঙৰ ওপৰত ৰঙা চীনে মজুত কৰিছে ক্ৰেনসহ যন্ত্ৰপাতি ■ উপগ্ৰহৰ দ্বাৰা সংগৃহীত চিত্ৰই প্ৰমাণ কৰিলে পিএলএৰ তৎপৰতা ■ শীতকালৰ ভিতৰতে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ প্ৰস্তুতি

## লাডাখত চীনৰ সেতু নিৰ্মাণত শংকাৰ সৃষ্টি

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** লাডাখৰ দুৰ্গম অঞ্চলত সেতু নিৰ্মাণৰ বাবে চুবুৰীয়া চীনে ক্ৰেণসহ নানা যন্ত্ৰপাতি মজুত কৰিছে। অৱশ্যে এই অভিযোগ বহু পূৰ্বে উত্থাপিত হৈছিল। অতি শেহতীয়াভাৱে উপগ্ৰহৰ দ্বাৰা সংগৃহীত চিত্ৰৰ জৰিয়তে ইয়াৰ প্ৰমাণ লাভ কৰিলে ভাৰত চৰকাৰে। ১৬ জানুৱাৰীত সংগৃহীত এই উপগ্ৰহ চিত্ৰত দেখা গৈছে যে চীনৰ পিপ'লছ লিবাৰেছন আৰ্মী (পিএলএ)-এ পাংগং হ্ৰদৰ উত্তৰ আৰু দক্ষিণপাৰৰ এটা অঞ্চলজুৰি সেতু নিৰ্মাণ কৰি আছে। চীনা সেনাৰ এই নিৰ্মীয়মান সেতুৰ ছবি উন্মোচিত হোৱাত নতুনকৈ আশংকাৰ সৃষ্টি হৈছে। সামৰিক বিশেষজ্ঞসকলৰ একাংশই কয় যে লাডাখত চীনে বেদখল কৰা ভূমিত সেতু নিৰ্মাণ সম্পূৰ্ণ কৰিব পাৰিলে হ্ৰদৰ উত্তৰ আৰু *১০ পৃষ্ঠাত চাওক*



## শোণিতপুৰত তিনিদিনত পাঁচ কৰ'না আক্ৰান্তৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৮ জানুৱাৰী ঃ** বিগত তিনিদিনত শোণিতপুৰত কৰ'নাত আক্ৰান্ত হৈ পাঁচজনৰ মৃত্যু ঘটিছে। আনহাতে, এই তিনিদিনত জিলাখনত ৬০৫জনৰ দেহত কৰ'নাৰ অৱস্থিতি ধৰা পৰিছে। এই তিনিদিনত জিলাখনত চাৰি হেজাৰ ২৬০জন লোকক ক'ভিডৰ পৰীক্ষা কৰা হৈছে। *১০ পৃষ্ঠাত চাওক*

**কাইলৈ ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক লৈ উৎকণ্ঠা**

■ ৰণক্ষেত্ৰৰ পৰা কংগ্ৰেছে পলাই পত্ৰং দিলে ঃ মন্ত্ৰী পীযুষ হাজৰিকা

## ক'ভিড বিধি উলংঘা কৰি শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰিল

**অগ্ৰদূত বাৰ্তা**
**তিতাবৰ/বিহপুৰীয়া/বান্দৰদেৱা, ১৮ জানুৱাৰী ঃ** 'ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী ৰণক্ষেত্ৰৰ পৰা কংগ্ৰেছে পলাই পত্ৰং দিলে। তিতাবৰত ভোটাৰৰ মাজত কংগ্ৰেছৰ অৱস্থিতি শূন্য প্ৰায়। কংগ্ৰেছৰ শীৰ্ষ নেতা, বিধায়কে তিতাবৰ সমষ্টিত প্ৰচাৰ চলাবলৈ প্ৰায় নাহিলেই। নামমাত্ৰ মানুহৰ সমাৱেশেৰে কংগ্ৰেছে নিৰ্বাচনী সভা পাতিছে। বিজেপি-অগপ মিত্ৰজোঁটৰ সভাত যথেষ্টসংখ্যক লোক তথা সমৰ্থকৰ সমাগম ঘটিছে। গতিকে কংগ্ৰেছৰ অৱস্থা বেয়া।' এই মন্তব্য জলসম্পদ আৰু তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকাৰ। ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ পৰিষদীয় নিৰ্বাচনৰ আজি প্ৰচাৰৰ অন্তিম দিনটোত মন্ত্ৰী হাজৰিকাই তিতাবৰৰ বহুকেইখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। প্ৰতিখন সভাতে কংগ্ৰেছক চোকা ভাষাৰে আক্ৰমণ কৰি মন্ত্ৰী হাজৰিকাই লগতে কয়, 'তিতাবৰত কংগ্ৰেছৰ বিধায়ক থকাৰ বাবে সমষ্টিটোৰ উন্নয়ন স্থবিৰ হৈ পৰিছে। *১০ পৃষ্ঠাত চাওক*


## কাজিৰঙা ষষ্ঠ সংযোজনৰ পৰা গৰু-ম'হৰ খুঁটি স্থানান্তৰৰ নিৰ্দেশ

সাতদিনৰ সময়সীমা

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৮ জানুৱাৰী ঃ** বিশ্বনাথৰ গমিৰিকে ধৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অন্তৰ্গত অঞ্চলত থকা গৰু-ম'হৰ খুঁটিসমূহ অহা ২১ জানুৱাৰীৰ ভিতৰত উঠাই নিয়াৰ নিৰ্দেশ জাৰি কৰিছে বন বিভাগে। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ গমিৰিস্থিত পূব বনাঞ্চল কাৰ্যালয়ৰ অধীনস্থ গাইটাপু বন শিবিৰৰ পৰিচালকে ১৫ জানুৱাৰীত জাৰি কৰা নিৰ্দেশ অনুসৰি ইয়াৰ অন্যথা বন বিভাগে এনে অঞ্চলত চলাব উচ্ছেদ অভিযান। *১০ পৃষ্ঠাত চাওক*

■ ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া (কেডাৰ) আইন সংশোধনৰ পদক্ষেপত প্ৰতিক্ৰিয়া ■ একাংশ ৰাজ্য চৰকাৰৰ তীব্ৰ বিৰোধিতা

## আমোলা-বিষয়াৰ নিয়ন্ত্ৰণ হস্তগত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ যোজা



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া (আইএএছ কেডাৰ) আইনৰ সংশোধনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে বিষয়াসকলক নিজৰ নিয়ন্ত্ৰণাধীন কৰিব বিচৰা বুলি শংকাৰ সৃষ্টি হৈছে। এই আইনৰ সংশোধনৰ গইনা লৈ কেন্দ্ৰই যুক্তৰাষ্ট্ৰীয় গাঁথনিত আঘাত হানিব বিচৰা বুলিও একাংশই উদ্বেগ ব্যক্ত কৰিছে। বিশেষকৈ অবিজেপি শাসিত ৰাজ্যসমূহৰ তৰফৰ পৰা আপত্তি দৰ্শোৱা হৈছে কেন্দ্ৰক। যুক্তৰাষ্ট্ৰীয় গাঁথনি অনুসৰি আইএএছ বিষয়া যি ৰাজ্যত নিযুক্ত হৈ থাকে সেই ৰাজ্যৰ অধীনত তেওঁ কাৰ্যনিৰ্বাহ কৰিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰৰ স'তে যুক্ত হ'লে কেন্দ্ৰৰ *১০ পৃষ্ঠাত চাওক*

**উচ্চতম ন্যায়ালয়ক জনালে শিশু আয়োগে**

## অতিমাৰীত অনাথ হ'ল ১০ হেজাৰ কণমানি, গৃহহীন হ'ল পাঁচশ শিশু



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** অতিমাৰীৰ সময়ত পিতৃ-মাতৃ উভয়কে হেৰুৱাই অনাথ হ'ল দেশৰ ১০ হেজাৰ শিশু। উচ্চতম ন্যায়ালয়ক এই তথ্য জনালে ৰাষ্ট্ৰীয় শিশু অধিকাৰ ৰক্ষা আয়োগ (এনচিপিচিআৰ)-এ। ইয়াৰ উপৰি পিতৃ-মাতৃৰ কোনো এজনক হেৰুৱালে দেশৰ প্ৰায় ডেৰ লাখ শিশুৱে। এনচিপিচিআৰৰ তৰফৰ পৰা বিগত কিছু মাহ ধৰি ৰাজ্যিক ভিত্তিত তথ্য *১০ পৃষ্ঠাত চাওক*

## মাঘ বিহুৰ ছুটী বিচৰাত কৰ্মচাৰীক অব্যাহতি

নগাঁৱৰ চিত্ৰগৃহৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ


**বিশেষ সংবাদদাতা**
**নগাঁও, ১৮ জানুৱাৰী ঃ** বাপতি সাহোন মাঘৰ বিহু উদ্‌যাপনৰ বাবে ছুটী লৈ কৰ্মসংস্থান হেৰুৱালে কৰ্মচাৰীয়ে। এই অভিযোগ উত্থাপিত হৈছে নগাঁও জিলাত একমাত্ৰ সক্ৰিয় হৈ থকা চিত্ৰগৃহ কৃষ্ণা হলৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে। উৰুকাৰ নিশা ছুটী লোৱাৰ বাবেই চিত্ৰগৃহটোৰ ছয় কৰ্মচাৰীক কৰ্তৃপক্ষই কামৰ *১০ পৃষ্ঠাত চাওক*

**■ দুলীয়াজানত আজি আছুৰ ৪২ সংখ্যক ছহিদ দিৱস উদ্‌যাপন**

## যিদিনা বিদেশীৰ আগ্ৰাসন নাথাকিব সিদিনাই আমি বিচৰা অসম পাম



**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১৮ জানুৱাৰী ঃ** চাৰি ছহিদৰ স্মৃতিত দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাই আজি তৈলনগৰী দুলীয়াজানৰ অইল ঔদ্যোগিক মুখ্য প্ৰৱেশদ্বাৰৰ সমীপৰ কেন্দ্ৰীয় ছহিদ বেদী প্ৰাংগণত দিনজোৱা কাৰ্যসূচীৰে ৪২সংখ্যক ছহিদ দিৱস উদ্‌যাপন কৰে। ১৯৮০ৰ আজিৰ এই দিনটোতে অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ অংশবিশেষ তেল অৱৰোধ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ গৈ চাৰিজনকৈ যুৱক ক্ৰমে নগেন ডেকা, অজিত নেওগ, কুমুদ গগৈ আৰু নৃপেন বৰাই অইল ঔদ্যোগিক মুখ্য প্ৰৱেশদ্বাৰৰ সন্মুখত প্ৰাণ আহুতি দিছিল। দুলীয়াজান আছুৱে এই চাৰি ছহিদৰ স্মৃতিত ১৯৮১ৰ পৰা ছহিদ দিৱস উদ্‌যাপন কৰি আহিছে। আজিৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বুবুল *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৪° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১১° |
| দিল্লী | ১৬° | ০৮° |
| কলকাতা | ২৩° | ১৩° |
| মুম্বাই | ২৯° | ২১° |
| চেন্নাই | ২৯° | ২৩° |
| বাংগালুৰু | ২৬° | ১৬° |
| শ্বিলং | ১৮° | ০৭° |

*১৮ জানুৱাৰী, ২০২২*

## আৰক্ষী-অৰ্ধসামৰিক বাহিনী প্ৰয়োগ কৰি বন্ধ কৰিলে ম'হ-কুকুৰা যুঁজ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৮ জানুৱাৰী ঃ** ন্যায়ালয়ৰ নিষেধাজ্ঞা পালন কৰি আজি স্থানীয় প্ৰশাসনে লাহৰীঘাটৰ বৰিবন্ধাত বন্ধ কৰিলে ঐতিহাসিক ম'হৰ যুঁজ আৰু কুকুৰাৰ যুঁজ। উল্লেখ্য যে পৰম্পৰাগতভাৱে বছৰ বছৰ ধৰি অনুষ্ঠিত হৈ অহা বৰিবন্ধাত ঐতিহাসিক ম'হৰ যুঁজ প্ৰশাসনে বন্ধ *১০ পৃষ্ঠাত চাওক*




■ উন্মোচিত হোৱা নাই মৃত্যুৰ প্ৰকৃত কাৰণ

## দুৰ্গন্ধৰ উৎস বিচাৰি যোৱাত জাগীৰোডৰ পাহাৰত উদ্ধাৰ দুটা হাতীৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ১৮ জানুৱাৰী ঃ** জাগীৰোডৰ সোণাইকুছি পাহাৰৰ ওপৰত আজি দুটা বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াৰে এটা হাতীৰ বয়স সাতৰ পৰা আঠ বছৰ। আনটোৰ বয়স তিনিৰ পৰা চাৰি বছৰ। কম বয়সীয়া হাতী দুটাৰ মৃত্যুৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই।

উল্লেখ্য যে সোণাইকুছি পাহাৰৰ নামনিত বাস কৰা একাংশ স্থানীয় লোকে তিনি দিনৰ পূৰ্বে হাতী দুটা প্ৰত্যক্ষ কৰিছিল। অৱশ্যে তেতিয়া তেওঁলোকে হাতী দুটা গছৰ তলত শুই থকা বুলি ভাবিছিল। ইপিনে, আজি একাংশ স্থানীয় লোকে খৰি লুৰিবলৈ পাহাৰলৈ যোৱা *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*দেখিলে! ক'ভিড বিধি উলংঘা কৰি কিদৰে নিৰ্বাচনী প্ৰচাৰ চলাইছে জনপ্ৰতিনিধিয়ে!*

সাম্প্ৰতিক গৱেষণাত প্ৰকাশ পাইছে উদ্বেগজনক তথ্য ■ দ্ৰুতগতিৰে কাষ চাপি আহিছে সভ্যতাৰ বিনাশৰ দিন

## মঙলৰ দৰে নিষ্প্ৰাণ হ'ব পৃথিৱী, কমিছে হৃদস্পন্দন



**■ আমাৰ এই সেউজী ধৰা বেছিদিনলৈ বাসোপযোগী হৈ থকাটো সম্ভৱ নহ'ব**

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** দ্ৰুতগতিৰে কাষ চাপি আহিছে সৰ্বনাশৰ দিন। কিয়নো ক্ৰমাৎ হৃদযন্ত্ৰৰ উষ্ণতা হেৰুৱাইছে পৃথিৱীয়ে। ক্ৰমাৎ দ্ৰুতগতিৰে কমি আহিছে আমাৰ এই নীলাভ গ্ৰহৰ হৃৎস্পন্দন। ফলত পৃথিৱীৰ পক্ষে আৰু বেছি দিনলৈ বাসোপযোগী হৈ থকাটো সম্ভৱ নহ'ব। চৌম্বক ক্ষেত্ৰ আৰু বায়ুমণ্ডল হেৰুৱাই আমাৰ সেউজী ধৰাও হৈ পৰিব 'ৰঙা গ্ৰহ' মঙল আৰু সূৰ্যৰ একেবাৰে কাষৰ গ্ৰহ বুধৰ দৰেই নিষ্প্ৰাণ। হৈ পৰিব কোনো ধৰণৰ প্ৰাণ তিষ্ঠি থকাৰ বাবে অযোগ্য। সাম্প্ৰতিক এক গৱেষণাই এই উদ্বেগজনক তথ্য প্ৰকাশ কৰিছে। গৱেষণা পত্ৰখন কালি প্ৰকাশ পায় আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'আৰ্থ এণ্ড প্লেনেটৰী ছায়েন্স লেটাৰ্ছ'ত।

ভূ-পৃষ্ঠৰ তলত পৃথিৱীৰ ভিতৰত প্ৰধানকৈ দুটা স্তৰ আছে। এটাৰ নাম 'মেণ্টল' আৰু আনটোৰ নাম 'কোৰ'। এই দুয়োটা স্তৰৰে বাহিৰ আৰু ভিতৰত দুটা উপস্তৰ আছে। পৃথিৱীৰ একেবাৰে ভিতৰ (যাক পৃথিৱীৰ হৃদয় বুলিও কোৱা হয়)ৰ 'কোৰ'ত আছে অসম্ভৱ উষ্ণ গলিত ধাতুৰ সোঁত। সেই সোঁতৰ প্ৰৱাহেই হৈছে পৃথিৱীৰ হৃৎস্পন্দন। অথচ গৱেষকসকলে দেখিছে যে সেই *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ জানুৱাৰী, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## বোকাজান বিলাতী মাটি কাৰখানাৰ সম্প্ৰসাৰণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ কৰাৰ দাবী



**কাৰখানাটো ১২০০ মেট্ৰিকটন উৎপাদনক্ষম কৰাৰ দাবী আছুৰ**

অগ্ৰদূত বাৰ্তা
**বকলীয়াঘাট, ১৮ জানুৱাৰী ঃ** বোকাজান বিলাতী মাটি কাৰখানা নামেই যাৰ পৰিচয়। কাৰখানাটো পাৰ্বত্য জিলা কাৰ্বি আংলঙৰ সম্পদ আৰু গৌৰৱ। থলুৱা আৰু স্থানীয় শ্ৰমিকৰ শ্ৰমদানেৰে উৎপাদন কাৰ্য চলাই অহা কাৰখানাটোৱে ভাৰতীয় ছয় পৃষ্ঠাত চাওক

## তিতাবৰত শতায়ু গৰকা মহিলা সৰু বাঘ বৰাৰ জন্মদিনৰ ওলগ

**বাৰীৰ শাক-পাচলি, বন শাক তথা থলুৱা খাদ্য দীৰ্ঘ নিৰোগী জীৱনৰ ৰহস্য**



অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১৮ জানুৱাৰী ঃ** ১০৪ বছৰ বয়সতো কোনো ৰোগৰ মুখামুখি নোহোৱাকৈ নিত্য নৈমিত্তিক কৰ্মৰে পৰিয়ালৰ গুৰি ধৰি থকা তিতাবৰ সমষ্টিৰ অন্তৰ্গত বাঘৰ চুকৰ নিবাসী সৰু বাঘ বৰাৰ ওপজা দিন পৰিয়ালৰ লগতে ৰাইজৰ সহযোগত ধুমধামেৰে উদ্‌যাপন কৰা হয়। যোৱা ১৬ জানুৱাৰীত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বাঘৰ চুকৰ ছয় পৃষ্ঠাত চাওক

**■ এক নম্বৰ বাঘমাৰাচৰ-নায়েৰচৰ পকী পথ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ ঃ ৰাইজৰ প্ৰতিবাদ**

# নিৰ্মাণৰ পাছতেই ভাঙি পৰিল কালভাৰ্ট



**আলোপতি, ১৮ জানুৱাৰী ঃ** দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ হোৱাৰ সময়তে স্বয়ং মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত থকা বিভাগতেই দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। লোক নিৰ্মাণ বিভাগৰ বৰপেটা পথ সংমণ্ডলৰ একাংশ অভিযন্তা, কনিষ্ঠ অভিযন্তাৰ অহেতুক দৰদৰ বাবেই একাংশ ঠিকাদাৰে মুখ্যমন্ত্ৰীৰ সকীয়নিকো কেৰেপ নকৰা পৰিলক্ষিত হৈছে। বিশেষকৈ বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ বিভিন্ন প্ৰান্তত লোক নিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণ কৰা আৰু নিৰ্মাণকাৰ্য চলি থকা অধিকাংশ কামতেই ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ পাছতো ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা নাই বিভাগটোৰ কাৰ্যবাহী অভিযন্তাই। সমষ্টিটোৰ এক নম্বৰ বাঘমাৰাচৰৰ পৰা ধাৰাবাশ্যা হৈ নায়েৰচৰলৈ যোৱা প্ৰায় ৩.৯ কিলোমিটাৰ পথ পকীকৰণৰ নামত সংশ্লিষ্ট ঠিকাদাৰজনে আৰম্ভণিৰ পৰাই ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ উপৰি অতি নিম্নমানৰ কাম কৰাৰ একাধিক অভিযোগ উত্থাপিত হোৱাৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ ফল ভোগ কৰিবলগীয়া হৈছে স্থানীয় লোকসকলে। এ এছ-০১-৩৫৭ নম্বৰৰ পেকেজত প্ৰায় তিনি কোটি ২২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা পকী পথটো নিৰ্মাণৰ মাত্ৰ এমাহৰ পাছতেই বিধ্বস্ত হৈ পৰাৰ লগতে পকী কালভাৰ্টটো খহি পৰে। নিৰ্মাণৰ এমাহ পাছতেই পকী পথটোৰ এনে অৱস্থা হোৱাৰ পাছতো ঠিকাদাৰ ৰফিজুল হকে পকী পথটো মেৰামতি নকৰি ভাঙি যোৱা পথত মাটি পেলাই দায়িত্ব সামৰে। ইপিনে, কালাইৰদিয়াৰ পৰা বাঘমাৰালৈ যোৱা পথটোক সংযোগ কৰি পথটোৰ উত্তৰ দিশত নিৰ্মাণ কৰা পকী কালভাৰ্টটো বানপানীয়ে ভাঙি পেলোৱাৰ এবছৰ পাছতো মেৰামতি নকৰাত বিভিন্ন সময়ত উক্ত স্থানত সংঘটিত হৈ আহিছে দুৰ্ঘটনা। আজি পুৰাও ভঙা কালভাৰ্ট পাৰ হওতে মটৰ চাইকেলসহ প্ৰায় ১৫ ফুট তললৈ পৰি যায় চালক। স্থানীয় লোকে ততাতৈয়াকৈ আহত চালকজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ছয় পৃষ্ঠাত চাওক

## দৈয়াঙৰ তিনি সমষ্টি উদ্ধাৰৰ বাবে উঠিপৰি নামিছে শাসক বিজেপি-অগপ

**আকৰ্ষণীয় হৈছে ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনী যুঁজ**

অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ১৮ জানুৱাৰী ঃ** আকৰ্ষণীয় হৈ উঠিছে ঠেঙাল কছাৰী স্বায়ত্তশাসিত নিৰ্বাচনী যুঁজ। অহা ২০ জানুৱাৰীত হ'ব লগা ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনত দৈয়াঙৰ তিনি সমষ্টি উদ্ধাৰৰ বাবে শাসক মিত্ৰজোঁট বিজেপি-অগপ উঠিপৰি নামিছে নিৰ্বাচনী প্ৰচাৰত। ১৪ নম্বৰ চাউদাং পথাৰ পৰিষদীয় সমষ্টিটোত শাসক বিজেপিৰ প্ৰাৰ্থী স্মৃতিৰেখা ঠেঙালৰ লগতে ১৩ নম্বৰ কাছমাৰী অগপ প্ৰাৰ্থী শিখামণি ঠেঙাল বৰুৱা আৰু ১৫ নম্বৰ চাউদাং দৈয়াং সমষ্টিৰ বিজেপি প্ৰাৰ্থী পদ্মেশ্বৰ শইকীয়াক নিৰ্বাচনত জয়ী কৰাই আনিবৰ বাবে আজি অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বিত্তমন্ত্ৰী অজন্তা নেওগ, নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ লগতে বহুকেইজন ৰাজ্যিক পৰ্যায়ৰ নেতাই চাউদাং পথাৰ পৰিষদীয় সমষ্টিটোৰ চাউদাংপথাৰ ভেটেনাৰীৰ সমীপৰ ৰংগমঞ্চত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাত বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাই বিজেপিৰ গুণ-গৰিমা দাঙি ধৰি দেশৰ প্ৰগতি, উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ কথা কোৱাৰ লগতে জনসাধাৰণ এতিয়া কংগ্ৰেছৰ লগত নাই, কংগ্ৰেছৰ অপশাসন, ভ্ৰষ্টাচাৰ, দুৰ্নীতিৰে শাসন চলাই ৰাইজক আভুৱা ভাঁৰি আহিছিল বুলি অভিযোগ কৰে। তেওঁ কয় যে বৰ্তমান বিজেপি চৰকাৰে জনসাধাৰণৰ মংগলৰ বাবে কাম কৰি আহিছে। সেয়ে অহা ২০ জানুৱাৰীত ছয় পৃষ্ঠাত চাওক

## ব্ৰহ্মপুত্ৰ সুৰক্ষা বান্ধলৈ দিবাং নৈৰ ভয়াবহ খহনীয়াৰ ৰূপ

**■ বাৰিষাৰ পূৰ্বে দিবাঙৰ সুঁতি সলনিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ পত্ৰ বান-খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ**



অগ্ৰদূত বাৰ্তা
**তালাপ, ১৮ জানুৱাৰী ঃ** ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান-খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সভাপতিৰ নেতৃত্বত এটা দলে কালি বিয়লি দিবাং নৈৰ তীব্ৰ সোঁতে তিনিচুকীয়া জিলাৰ ছৈখোৱা অঞ্চলৰ হাতীঘুলিত সৃষ্টি কৰা খহনীয়া অঞ্চল পৰিভ্ৰমণ কৰে। কালিৰ দিনটোতো অঞ্চলটোত নৈৰ সোঁতে মাটি খান্দি থকাৰ লগতে গৰা খহি থকা প্ৰত্যক্ষ কৰি বাৰিষা হ'ব পৰা অৱস্থাৰ বিষয়ে চিন্তা কৰি দলটোৱে উদ্বিগ্ন হৈ পৰে । উক্ত স্থানত মাত্ৰ ৪০/৫০ মিটাৰ মান খহনীয়াৰ সৃষ্টি হ'লেই ব্ৰহ্মপুত্ৰৰ সুৰক্ষা বান্ধটো ছিগি যাব আৰু বাৰিষাৰ প্ৰথমটো বানতেই খৰস্ৰোতা দিবাঙৰ সোঁতে বান্ধটো খহাবলৈ বেছি পৰ নালাগিব বুলি মঞ্চৰ সভাপতি বিনোদ কেডিয়াই মন্তব্য কৰিছে। ভ্ৰমণ কালত দলটোৰ মাজত হোৱা আলোচনা মৰ্মে ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান-খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ছয় পৃষ্ঠাত চাওক

## ডিমৰীয়াত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে কৰ'না আক্ৰান্তৰ সংখ্যা

**ক্ষেত্ৰীৰ ৩০ বিছনাযুক্ত চিকিৎসালয়ক কণ্টেইনমেণ্ট জ'ন ঘোষণা**



অগ্ৰদূত বাৰ্তা
**সোণাপুৰ, ১৮ জানুৱাৰী ঃ** মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰ তথা বৃহত্তৰ ডিমৰীয়াত শেহতীয়াকৈ ক'ভিড-১৯ আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। সোণাপুৰ মহকুমা স্বাস্থ্য কেন্দ্ৰৰ এক সূত্ৰ অনুসৰি চলিত মাহটোৰ বিগত এপষেকত ১২৩ গৰাকী লোক অতিমাৰী কৰ'নাত আক্ৰান্ত হৈছে। অৰ্থাৎ ডিমৰীয়াত দৈনিক গড়ে ১০-১২ জনকৈ লোক ক'ভিডত আক্ৰান্ত হৈছে। আক্ৰান্তসকলৰ ভিতৰত স্বাস্থ্য কৰ্মী, চিকিৎসককে কৰি শিশু, কিশোৰ, বৃদ্ধও আছে। এনে পৰিস্থিতিত স্বাস্থ্য বিভাগে অঞ্চলটোত ক'ভিড-১৯ৰ পৰীক্ষণ আৰু টিকাকৰণ দ্ৰুতগতিত সম্পন্ন কৰাত ছয় পৃষ্ঠাত চাওক

## বৰহোলাৰ বচা গাঁৱত বিজেপি-কংগ্ৰেছ কৰ্মীৰ বাক্-বিতণ্ডা

**নিৰ্বাচনী প্ৰচাৰৰ চৰকাৰী নিয়ম উলংঘা**

বিশেষ সংবাদদাতা
**নগাবাট, ১৮ জানুৱাৰী ঃ** আজি আবেলি চাৰি বজাৰ লগে লগে অন্ত পৰে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ। প্ৰাৰ্থীয়ে প্ৰচাৰ কাৰ্য সামৰাৰ সময়তে পৰিষদৰ তিনি নম্বৰ মাধপুৰ সমষ্টিৰ অন্তৰ্গত বৰহোলা বচাগাঁৱত সৃষ্টি ছয় পৃষ্ঠাত চাওক



## ক'ভিড নিয়ম-নীতি উলংঘা ঃ বগুৱান মেলাৰ অনুমতি বাতিল প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৮ জানুৱাৰী ঃ** ক'ভিড নিয়ম-নীতি উলংঘা কৰি ব্যাপক জনসমাগম হোৱা বাবেই গোৱালপাৰা জিলাৰ বগুৱানৰ শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ মন্দিৰত চলি থকা মেলাৰ অনুমতি বাতিল কৰিছে গোৱালপাৰা জিলা প্ৰশাসনে। উল্লেখ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে যোৱা ১৬ জানুৱাৰীৰ পৰা বগুৱানৰ শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ মন্দিৰত পূজা অৰ্চনাৰ লগতে মহামেলা অনুষ্ঠিত হৈছে। কিন্তু আজি গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্তই জিএজি-২২/২০২১/১৩১-(এ) নম্বৰযোগে ক'ভিড নিয়ম-নীতি উলংঘন কৰা বাবেই মেলা বন্ধ কৰি দিয়ে। অৱশ্যে ক'ভিডৰ নিয়ম-নীতি মানি শ্ৰীশ্ৰীজগন্নাথ পূজাৰ ধৰ্মীয় কাৰ্যসূচী চলি থাকিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। ইপিনে, মেলাত অনুষ্ঠিত কৰা জুৱা খেল তাৎক্ষণিকভাৱে বন্ধ কৰি দিয়ে আৰক্ষী প্ৰশাসনে।

## বিশ্বনাথৰ অসামৰিক চিকিৎসালয়ত ক'ভিড আতংক

**চাৰিজনকৈ চিকিৎসক, তিনিজনকৈ চিকিৎসা কৰ্মী ক'ভিডত আক্ৰান্ত**


অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৮ জানুৱাৰী ঃ** ৰাজ্যত ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা। সমান্তৰালকৈ দেখিবলৈ পোৱা গৈছে দেশৰ সৰ্বসাধাৰণ ৰাইজৰ লগতে চিকিৎসা কৰ্মৰ লগত জড়িত চিকিৎসকসকলৰ দেহতো ধৰা পৰিছে ক'ভিড ভাইৰাছৰ উপস্থিতি। ইতিমধ্যে বিশ্বনাথ চাৰিআলি মহকুমা অসামৰিক চিকিৎসালয়ৰ চাৰিজনকৈ চিকিৎসক আৰু তিনিজনকৈ চিকিৎসা কৰ্মীৰ দেহত ক'ভিড ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। ক'ভিডত আক্ৰান্ত হোৱা চিকিৎসকসকল ক্ৰমে লাচিত টেৰণ, মিতালী বৰবৰা, ফিৰদুজ আহমেদ, নৰেন কুটুমসহ আন তিনিজন চিকিৎসা কৰ্মী।

## নগাঁৱৰ মৰিকলঙত পুখুৰীত পৰি কিশোৰীৰ মৃত্যু

বিশেষ সংবাদদাতা
**নগাঁও, ১৮ জানুৱাৰী ঃ** নগাঁও চহৰৰ সমীপৰ মৰিকলঙত (বৰঘাট) এগৰাকী কিশোৰীৰ পুখুৰীত পৰি মৃত্যু হয়। পিতৃ-মাতৃ ঘৰত নথকাত কালি বিয়লি পাঁচ বজাত দীপা কলিতা (১২) নামৰ কিশোৰীগৰাকীয়ে নিজ গৃহৰ পাছফালে থকা পথাৰৰ পৰা গৰু আনিবলৈ গৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ পথাৰত থকা এটা পুখুৰীত পৰি কিশোৰীগৰাকীয়ে মৃত্যুক সাৱটি ল'ব লগা হয়। পিতৃ-মাতৃ ঘৰলৈ আহি কিশোৰীগৰাকীক ঘৰত নাপাই বিচাৰ-খোচাৰ কৰাত পুখুৰীটোত পৰি থকা প্ৰত্যক্ষ কৰি উদ্ধাৰ কৰে। লগে লগে পৰিয়ালৰ লোকে ১০৮ এম্বুলেন্সক খবৰ দিয়ে যদিও এম্বুলেন্স আহি পোৱাৰ আগতেই কিশোৰীগৰাকীৰ মৃত্যু হয়। পাছত ঘটনাস্থলীত মৰিকলং আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ কিশোৰীগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত কিশোৰীগৰাকীৰ মৃতদেহ পৰিয়ালৰ লোকক চমজাই দিয়া হয়। কিশোৰীগৰাকীৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## গোৱালপাৰাৰ ইটাভাটাত শিশু শ্ৰমিক নিয়োগ

**অনুমতি অবিহনেই জনবসতিপূৰ্ণ অঞ্চল কৃষিভূমিত অবৈধভাৱে চিমনি ইটাভাটা স্থাপন**



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৮ জানুৱাৰী ঃ** যি সময়ত চৰকাৰে বিভিন্ন বিভাগৰ দুৰ্নীতি আৰু দালালৰাজৰ বিৰুদ্ধে কঠোৰতম স্থিতি গ্ৰহণ কৰিছে ঠিক সেই সময়তে গোৱালপাৰা জিলাৰ জনবসতিপূৰ্ণ অঞ্চলৰ কৃষিভূমিত অবৈধভাৱে স্থাপন কৰা একাংশ চিমনি ইটাভাটাত শিশু শ্ৰমিক নিয়োগ কৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলাখনৰ বালিজান, লক্ষীপুৰ আৰু মাটিয়া ৰাজহ চক্ৰত মুঠ ২০ টাকৈ চিমনি ইটাভাটা স্থাপন কৰা হৈছে। ইয়াৰে কেৱল আঠটা চিমনি ইটাভাটাৰহে বিভাগীয় অনুজ্ঞাপত্ৰ আছে যদিও অধিকাংশৰে নবীকৰণ নাই বুলি স্বয়ং গোৱালপাৰা জিলা চিমনি ইটাভাটা মালিক কল্যাণ সন্থাই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ইপিনে, বাকী ১২ টাকৈ চিমনি ইটাভাটাৰ বিভাগীয় অনুজ্ঞাপত্ৰ নথকাকৈয়ে ৰমৰমীয়া ব্যৱসায় চলাই আছে। বিশেষকৈ বিভাগীয় নিয়ম উলংঘা কৰি জনবসতিপূৰ্ণ অঞ্চলৰ কৃষিভূমিত স্থাপন কৰা ইটাভাটাৰ ধোঁৱাই পৰিৱেশ বিনষ্ট কৰাৰ লগতে জনজীৱন স্তব্ধ কৰি তুলিছে। ইয়াৰ উপৰি প্ৰায় তিনি কোটি টকাৰ ৰাজহ ফাকি দি ৰমৰমীয়া ব্যৱসায় চলাই থকা একাংশ ইটাভাটাৰ স্বত্বাধিকাৰীয়ে শিশু শ্ৰমিক নিয়োগ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে নাম প্ৰকাশত অনিচ্ছুক একাংশ চিমনি ইটাভাটাৰ স্বত্বাধিকাৰীয়ে সদৰী কৰা মতে, জিলা প্ৰশাসনৰ ৰাজহ বিভাগ আৰু বন বিভাগৰ শীৰ্ষ বিষয়াক সন্তুষ্টি কৰি ৰখা বাবেই তেওঁলোকে ব্যৱসায় চলাই থাকিবলৈ সক্ষম হৈছে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰে এই অবৈধ ইটাভাটাসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## অহা বছৰৰ পৰা ৰবি শস্যও ক্ৰয় কৰিব চৰকাৰে ঃ যোগান মন্ত্ৰী দাস

**■ ধান ক্ৰয় সন্দৰ্ভত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গাঁওসভা**




**পাটাছাৰকুছি, ১৮ জানুৱাৰী ঃ** মধ্যভোগী নোহোৱাকৈ ৰাজ্যৰ চহা কৃষকসকলক সহায় কৰাৰ উদ্দেশ্যে আজি ৰাজ্যৰ ২২ হেজাৰ গাঁও পঞ্চায়ত আৰু ভিচিডিচিসমূহত বিশেষ গাঁওসভা অনুষ্ঠিত কৰা হয়। কৃষকৰ উৎপাদিত ধান উচিত মূল্য দি যাতে পোনে পোনে চৰকাৰে ক্ৰয় কৰিব পাৰে তাৰ বাবে এই বিশেষ গাঁওসভা মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৰাজ্যৰ সকলো পঞ্চায়তত আজি অনুষ্ঠিত কৰা হয়। ৰাজ্যৰ পঞ্চায়ত, গ্ৰামোন্নয়ন, যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ ছয় পৃষ্ঠাত চাওক

## ক'ভিডৰ বাবে ম্লান ভোগেশ্বৰী মন্দিৰৰ পৰিৱেশ ঃ সীমিত দৰ্শনাৰ্থীৰ সংখ্যা

**পাটাছাৰকুছি, ১৮ জানুৱাৰী ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও পহিলা মাঘৰ দিনা লোকাৰণ্য হৈ পৰা বজালীৰ উলুৰাৰ ঐতিহ্যমণ্ডিত মহাপ্ৰভু ভোগেশ্বৰী মন্দিৰৰ পৰিৱেশ ম্লান হৈ পৰে সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ বাবে। অইন বছৰৰ দৰে এইবাৰো মন্দিৰ পৰিচালনা সমিতিয়ে বহুদিন আগৰে পৰাই বিভিন্ন কাৰ্যসূচীৰে এই মাঘী উৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলাইছিল যদিও চৰকাৰে জাৰি কৰা ক'ভিড নিয়ম-নীতি মানি মন্দিৰৰ পূজা- অৰ্চনাহে কৰে। চৌহদত স্থাপন কৰা অস্থায়ী দোকান-পোহাৰসমূহো উঠাই দিয়া হয়। তথাপি দূৰ-দূৰণিৰ পৰা দৰ্শনাৰ্থী আহে যদিও তেওঁলোকক তাত বৈ থাকিবলৈ নিদি পূজা- অৰ্চনা তথা নৈবেদ্য আৰু ৰুমাল, গামোচা আদি আগবঢ়াই যাবলৈ দিয়ে পৰিচালনা সমিতিয়ে। প্ৰবাদ আছে যে এই ভোগেশ্বৰী মন্দিৰত পহিলা মাঘৰ দিনা ৰুমাল, গামোচা, আৰু নৈবেদ্য আগবঢ়ালে হেনো মনোকামনা পূৰণ হয়। সেয়ে প্ৰতি বছৰে ইয়াত অগণন লোকে ভিৰ কৰে। উল্লেখ্য যে মন্দিৰ পৰিচালনা সমিতিয়ে দৰ্শনাৰ্থীসকলৰ মাজত ক'ভিড সজাগতাৰ বাবে মাইকযোগে প্ৰচাৰ চলাই থাকে মন্দিৰ চৌহদত।

## অসম আন্দোলনৰ সক্ৰিয় কৰ্মী মৃণালিনী বৰুৱাৰ মৃত্যু ঃ মাকুমত শোকৰ ছাঁ



অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ১৮ জানুৱাৰী ঃ** অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ সক্ৰিয় কৰ্মী তথা তিনিচুকীয়া জিলাৰ মাকুমৰ ধৰ্মপ্ৰাণ মহিলা মৃণালিনী বৰুৱা (৯৪)ৰ কালি নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। উল্লেখ্য যে প্ৰয়াত সূৰ্যধৰ বৰুৱাৰ পত্নী মৃণালিনী বৰুৱা অসম আন্দোলনৰ এগৰাকী নিৰ্যাতিতা হিচাপে পৰিচিত আছিল। ১৯৮৩ত তদানীন্তন চৰকাৰে ঘোষণা কৰা অসমৰ নিৰ্বাচন সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদে অবৈধ বুলি আখ্যা দি যি নিৰ্বাচন বিৰোধী সংগ্ৰাম গঢ়ি তুলিছিল সেই আন্দোলনত জঁপিয়াই পৰিছিল মৃণালিনী বৰুৱা। ফলশ্ৰুতিত ১৯৮৩ৰ ১৪ ফেব্ৰুৱাৰী দিনটোত উক্ত নিৰ্বাচনৰ সমৰ্থন জনোৱা সেই সময়ৰ অসমৰ 'সুৰা সম্ৰাট' হিচাপে পৰিচিত ৰাজেন্দ্ৰ প্ৰসাদ সিং বাহিনীয়ে আন্দোলনকাৰীৰ ওপৰত চলোৱা ইটা-শিলাবৰ্ষণত মৃণালিনী বৰুৱাৰ এখন হাত ভাঙি গৈছিল। পৰৱৰ্তী সময়ত ছাত্ৰ সন্থাই তেওঁক নিৰ্যাতিতাৰ প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। সেইদৰে ৰাজ্য চৰকাৰেও নিৰ্যাতিতা হিচাপে বৰুৱাৰ পৰিয়ালক ছয় পৃষ্ঠাত চাওক

**■ পাহাৰ-ভৈয়ামৰ লোকৰ মাজত বিনিময় প্ৰথা আৰম্ভ**

## শিলচাঙৰ খলা দেওৰজাৰ উদপুৰ মেলা

অগ্ৰদূত বাৰ্তা
**জাগীৰোড, ১৮ জানুৱাৰী ঃ** নেলীৰ শিলচাঙৰ খলা ৰাজ্যত পৰম্পৰা ৰক্ষা কৰি আজি পুৱাৰ পৰা অনুষ্ঠিত হয় উদপুৰ মেলা। প্ৰাচীন খলা ৰাজ্যৰ অন্তৰ্গত উদপুৰ বিলৰ পাৰত অনুষ্ঠিত হৈ আহিছে এই মেলা। পৰম্পৰা ৰক্ষা কৰি আজিও উদপুৰ মেলাত উদ্ভাসিত হ'ল অতীতৰ বিনিময় প্ৰথা। পাহাৰ আৰু ভৈয়ামৰ লোকসকলৰ মাজত মামা-মামী সম্বোধনেৰে বিনিময় হয় ভাৱৰ আদান-প্ৰদান, সমান্তৰালকৈ বিনিময় হয় কৃষিজাত দ্ৰব্য। ভাগে ভাগে থোৱা আদা, কচু, হালধি, লা, জালুক, জলকীয়াৰ লগত বিনিময় হয় শুকান মাছৰ ভাগ, তিলৰ পিঠা, খান্দহ, জলপান আদি। পুৱা অভাৰচিজ বেংকৰ জাগীৰোড শাখাৰ প্ৰবন্ধক জিতেন ৰংহাঙে বিনিময় প্ৰথা উদ্বোধন কৰে। ইয়াৰ পাছতে খলা ৰাজ্যৰ ৰজা প্ৰবীণ দেওৰজাই পতাকা উত্তোলন কৰে আৰু পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি আজিও ডা-



ডাঙৰীয়াৰ স'তে উদপুৰ বিলৰ পাৰত উপস্থিত হয় খলা ৰজা। বিলৰ পাৰত উপস্থিত হৈ প্ৰতীকী ৰজাই অঞ্চলটোৰ প্ৰজাসকলক মাছ মাৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে আজি প্ৰাচীন খলা ৰাজ্যত উৰুকা। সেয়ে পৰম্পৰা ৰক্ষা কৰি উদপুৰ বিলত মাছ মাৰি উৰুকাৰ এসাঁজ খাব খলাৰ প্ৰজাই।

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৫ মাঘ ১৪২৮ ভাস্কৰাব্দ ১৯ জানুৱাৰী ২০২২

# স্পষ্টতাৰ প্ৰয়োজন

**উচ্চতম** ন্যায়ালয়ত দাখিল কৰা এক শপতনামাযোগে কেন্দ্ৰীয় চৰকাৰে কৈছে যে কোনো ব্যক্তিকেই বলপূৰ্বকভাৱে ক'ভিড-১৯ প্ৰতিষেধক ল'বলৈ চৰকাৰে বাধ্য কৰোৱা নাই। কোনো ব্যক্তিৰ অনুমতি নোলোৱাকৈ তেওঁক প্ৰতিষেধক প্ৰদানৰ কোনো নিয়ম ভাৰত চৰকাৰে প্ৰচলন কৰা নাই বুলি উচ্চতম ন্যায়ালয়ক চৰকাৰে কৈছে।

এইটো সত্য যে চৰকাৰে বিভিন্ন মাধ্যমত বিজ্ঞাপনৰ জৰিয়তে বৃহৎ জনস্বাৰ্থৰ খাতিৰত সকলোকে প্ৰতিষেধক ল'বলৈ আহ্বান জনাইছে; কিন্তু চৰকাৰে কাকো প্ৰতিষেধক ল'বলৈ বাধ্য কৰোৱা নাই। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে উচ্চতম ন্যায়ালয়ৰ আগত দিয়া এই শপতনামা গুৰুত্বপূৰ্ণ। শপতনামাত কোৱা হৈছে যে প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণপত্ৰ বাধ্যতামূলক বুলি এছঅ'পিত ক'তোৱেই কোৱা হোৱা নাই। আনহাতে, ক'ভিড-১৯ প্ৰতিষেধকৰ ক্ষেত্ৰতো চৰকাৰে প্ৰতিষেধক গ্ৰহণৰ পাছত হ'ব পৰা প্ৰতিক্ৰিয়াসমূহ প্ৰতিষেধক দিব খোজা ব্যক্তিক চৰকাৰে জনোৱাৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে দেশৰ প্ৰতিবন্ধী লোককেইগৰাকীমানে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল ক'ভিড-১৯ প্ৰতিষেধকৰ প্ৰমাণপত্ৰ প্ৰদৰ্শনৰ পৰা তেওঁলোকক অব্যাহতি দিবলৈ। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে উচ্চতম ন্যায়ালয়ত ইয়াকো জনাইছে যে যিসকল লোকে লৰচৰ কৰিব নোৱাৰে অথবা শয্যাশায়ী অথবা প্ৰতিবন্ধী তেনে লোকক ঘৰলৈ গৈ প্ৰতিষেধক দিয়াৰো ব্যৱস্থা চৰকাৰে কৰিছে। আনহাতে, আবেদনকাৰীসকলৰ পৰামৰ্শৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় চৰকাৰে কো-উইন এপ যাতে সকলোৱে ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে ইয়াক সৰলীকৰণ কৰিবলৈ ব্যৱস্থা ল'ব বুলি কৈছে। মাস্ক ব্যৱহাৰৰ পৰা ৰেহাই দিয়াৰ আবেদনৰ উত্তৰত চৰকাৰে উচ্চতম ন্যায়ালয়ক জনাইছে যে মাস্ক পৰিধান কৰাটো বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শ তথা অন্যান্য আন্তৰ্জাতিক সংস্থাৰ নিয়ম অনুসৰি কৰা হৈছে। গতিকে বৃহত্তৰ জনস্বাৰ্থৰ বাবে মুখখন ঢাকি মাস্ক পৰিধান কৰাটো কাম্য।

চৰকাৰী বক্তব্যৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে প্ৰতিষেধক গ্ৰহণ কৰাটো চৰকাৰে বাধ্যতামূলক কৰা নাই। আনকি আদালতত চৰকাৰে দাখিল কৰা শপতনামা অনুসৰি মাস্ক পৰিধান কৰাটোও বাধ্যতামূলক বুলি কোৱা হোৱা নাই। অথচ ৰাজহুৱা পৰিবহণ ব্যৱস্থাত যাত্ৰা কৰাৰ পৰা বিমান ভ্ৰমণ আৰু অন্যান্য ৰাজহুৱা স্থানলৈ যাওঁতে দুপালি প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণপত্ৰ বাস্তৱক্ষেত্ৰত সকলোতে বাধ্যতামূলক।

ৰাষ্ট্ৰীয় ক'ভিড-১৯ কাৰ্যসূচীৰ লক্ষ্য হ'ল সকলো প্ৰযোজ্য ব্যক্তিৰ পঞ্জীয়ন আৰু প্ৰতিষেধক গ্ৰহণ অতি কম সময়ৰ ভিতৰতেই নিশ্চিত কৰা বুলিও চৰকাৰে উচ্চতম ন্যায়ালয়ত দিয়া শপতনামাত উল্লেখ কৰিছে। অৰ্থাৎ পঞ্জীয়ন আৰু প্ৰতিষেধক গ্ৰহণ ব্যক্তিৰ ইচ্ছাৰ অধীন। আধাৰ কাৰ্ডৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে আদালতত কৈছিল যে এই কাৰ্ড বাধ্যতামূলক নহয়। পিছে কাৰ্যক্ষেত্ৰত আধাৰ কাৰ্ড সকলোতেই বাধ্যতামূলক কৰা হৈছে। চিকিৎসা গ্ৰহণ বা প্ৰতিষেধক তথা ঔষধৰ ক্ষেত্ৰত কোনো লোককেই বাধ্য কৰাব নোৱাৰে বুলি নুৰেমবাৰ্গ কোডত কোৱা হৈছে। সেই মতে বিশ্ব স্বাস্থ্য সংস্থায়ো বিভিন্ন দেশক পৰামৰ্শহে আগবঢ়াইছে; কিন্তু বাস্তৱ ক্ষেত্ৰত মাস্ক পৰিধানৰ পৰা আৰম্ভ কৰি প্ৰতিষেধক লোৱাটো বাধ্যতামূলক কৰা হৈছে।

সেয়েহে বিষয়টো পৰিষ্কাৰ কৰাৰ বাবে চৰকাৰে প্ৰশাসনকো আদালতত দিয়া শপতনামাৰ বিষয়ে অৱগত কৰিব লাগে আৰু চৰকাৰী ভাষ্য আৰু প্ৰশাসনীয় কাম-কাজৰ মাজত যাতে সামঞ্জস্য থাকে তাৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে এই কথাত সন্দেহ নাই যে ক'ভিড-১৯ প্ৰতিৰোধৰ ক্ষেত্ৰত সাৱধানতাই প্ৰধান আহিলাৰূপে চিহ্নিত হৈছে। সেয়ে প্ৰতিজন লোকে প্ৰতিষেধক গ্ৰহণ, মাস্ক পৰিধানৰ লগতে পাৰ্যমানে অন্যান্য সাৱধানতা অৱলম্বন কৰাটো বাঞ্ছনীয়।

## ভি আই পি সংস্কৃতি যদিহে আমাৰ নেতাসকলে আঁতৰাব বিচাৰিছে তেনেহ'লে তেওঁলোকে ট্ৰেফিকক মানি চলি ৰেড লাইট জ্বলিলে ৰৈ থাকক

# নিজ ৰূপত আপোনভোলা ৰাজনীতিক আৰু একনায়কত্ববাদ

**গ্ৰীক** পুৰাণ অনুসৰি নাৰ্চিচাছ আছিল এনে এক চিকাৰী যি সৌন্দৰ্যৰ বাবে বিখ্যাত আছিল। বহু গাভৰু তাৰ প্ৰতি আকৰ্ষিত হৈছিল যদিও তেওঁ কাকো ভাল নাপাইছিল। পানীত নিজৰ মুখখন চাই নিজেই নিজৰ প্ৰেমত বিভোৰ হৈ পৰিছিল নাৰ্চিচাছ। আত্মপ্ৰেম বা আত্মৰতি সম্প্ৰতি আধুনিক মনোবিজ্ঞানৰ অন্যতম চৰ্চিত বিষয়। নিজৰ স্বাৰ্থত বাদে আন একো নেদেখা, নিজৰে ছবিখন চাই নিজতেই ভোল যোৱা ব্যক্তি আমাৰ সমাজত বিৰল নহয়।

মনোবিজ্ঞানৰ অন্যতম চৰ্চিত বিষয় নাৰ্চিচিজম বা আত্মৰতি আমাৰ সমাজ জীৱনত প্ৰতিফলিত হোৱা দেখা পাওঁ। পিছে আমাৰ বিশ্বৰ ৰাজনীতিত নাৰ্চিচিজমৰ প্ৰভাৱে বিশেষকৈ গণতান্ত্ৰিক দেশসমূহত এক বৃহৎ সমস্যাৰ সৃষ্টি কৰিবলৈ লৈছে। নাৰ্চিচিজম এণ্ড পলিটিকছ ঃ ড্ৰিমছ অৱ গ্ল'ৰি' শীৰ্ষক গ্ৰন্থত লিখক ড° জেৰল্ড এম পোষ্টে লিখিছে— খ্যাতি সপোন দিঠকত পৰিণত কৰাৰ হাবিয়াসেৰে এচাম লোক ৰাজনীতিত প্ৰৱেশ কৰে। এই গ্ৰন্থখনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞানৰ অধ্যাপক তথা ৰাজনৈতিক মনোবিজ্ঞান কাৰ্যসূচীৰ সঞ্চালক ড° জেৰোল্ডে ব্যাখ্যা কৰিছে কেনেদৰে ৰাজনৈতিক নেতাসকল আত্মৰতিৰ বাবেই অতি আত্মকেন্দ্ৰিক, আঁকোৰগোঁজ, সম্পত্তি আহৰণ দুটাৰ মনোবৃত্তি গ্ৰহণ কৰে। ড° জেৰোল্ড এম পোষ্টে মাৰ্কিন চিনেটত ইৰাকৰ ছাদ্দাম হুছেইনৰ মনোবৈজ্ঞানিক প্ৰফাইল উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক এণ্ট'মিক এনাৰ্জি এজেন্সিৰ ওচৰত গণহত্যাৰ মাৰণাস্ত্ৰ (Weapons of mans destruction) তথা সন্ত্ৰাসবাদৰ ওপৰত মনোবৈজ্ঞানিক ব্যাখ্যা আগবঢ়াইছে। লিঅ' এক চেল্টজাৰ নামৰ মাৰ্কিন মনোবিজ্ঞানী এগৰাকীয়ে চাইক'লজী টুডে নামৰ মনোবৈজ্ঞানিক আলোচনীত লিখিছে যে নাৰ্চিচিজমত ভোগা লোকসকলৰ পৰম বৈশিষ্ট্য এয়ে যে তেওঁলোকক যিকোনো উপায়ে লাগে ধন আৰু খ্যাতি। ক্ষমতা, সন্মান, পদ এওঁলোকৰ বাবে একান্ত কাম্য। এনে ধৰণৰ ৰাজনীতিকসকলে যি বিচাৰে তাকেই তেওঁলোকৰ প্ৰাপ্য বা অধিকাৰ বুলি ভাবে। এই মনোবিজ্ঞানীগৰাকীয়ে আৰোপ কৰি কৈছে যে বৰ্তমান পুঁজিবাদী বিশ্বত এইসকল ৰাজনীতিক সফলো হৈছে।

বৰ্তমান বিশ্ব ৰাজনীতিৰ মঞ্চলৈ চালে আমি দেখিবলৈ পাম কেতবোৰ ৰাজনৈতিক প্ৰশাসকৰ নাৰ্চিচিজম বা আত্মপ্ৰেমৰ উদাহৰণ। ব্ৰাজিল, ফিলিপিনছ, তুৰ্কীৰ পৰা আৰম্ভ কৰি ভাৰতলৈকে বিভিন্ন দেশৰ ৰাজনীতিৰ এনে নাৰ্চিচিজমৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। আমাৰ দেশখনত আমি সদায়েই দেখিবলৈ পাওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছবি, ভাষণ, মন কী বাত। পেট্ৰ'ল পাম্পৰ পৰা ক'ভিড-১৯ৰ টিকাকৰণৰ চাৰ্টিফিকেটলৈ—সকলোতে নৰেন্দ্ৰ মোদীৰ ছবি। প্ৰধানমন্ত্ৰী মোদী এগৰাকী প্ৰভাৱশালী নেতা, তাত কাৰো সন্দেহ নাই। পিছে প্ৰভাৱশালী নেতা হ'ল বুলিয়েই তেওঁক সমালোচনা কৰিব নালাগে সেই কথা মানিব নোৱাৰি। প্ৰভাৱশালী প্ৰধানমন্ত্ৰী হ'ল বুলি তেওঁ এখনো প্ৰেছমেল পাতি সাংবাদিকৰ সন্মুখীন হ'ব নোৱাৰেনে? সাংবাদিকৰ সন্মুখীন হোৱাৰ সলনি বলিউড হিৰ' অক্ষয় কুমাৰকহে সাক্ষাৎকাৰ দিছে। মানুহৰ স'তে মত বিনিময় কৰাৰ সলনি নিজৰ মনৰ কথা ৰাইজক শুনাইছে, ৰাইজৰ মনৰ কথা শুনাৰ তেওঁৰ সময় নাই। বিয়েৰ গ্ৰীলছৰ স'তে জংঘললৈ গৈ প্ৰধানমন্ত্ৰীৰ অনবদ্য ব্যক্তিত্ব প্ৰদৰ্শন কৰিছে। প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি জনসাধাৰণৰ সজাগতা অনাৰ বাবে হেনো তেওঁৰ এই বনযাত্ৰা আছিল। পিছে




**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

বৰ্তমান বনাঞ্চল ধ্বংস কৰি দেশখনত বৃহৎ পুঁজিপতি তথা কৰ্প'ৰেট হাউছবোৰক উদ্যোগ নিৰ্মাণৰ বাবে এনভাইৰণমেণ্ট ইম্পেক্ট এছেছমেণ্টৰ সহজ নিয়মাৱলী ৰচনা কৰিছে। কোটি কোটি টকীয়া বিলাসী গাড়ী, নিজৰ নাম লিখিত চুটৰ পৰা আৰম্ভ কৰি সকলো সাজ-সজ্জাই আমাৰ দেশৰ ৰাজনৈতিক নেতাসকলৰ আত্মপ্ৰেমৰ প্ৰৱণতা উদঙাই দেখুৱাইছে।

আমাৰ ৰাজ্যতো সম্প্ৰতি আমি সকলো বিজ্ঞাপন, হ'ৰ্ডিং আদিত একমাত্ৰ এখনেই ছবি সঘনে দেখিবলৈ পাইছোহক। অসমৰ ৰাজনৈতিক ইতিহাস তথা বিজ্ঞাপনৰ ইতিহাসত একমাত্ৰ এখন ছবিৰ ইমান সমাহাৰ আগেয়ে আমি আৰু দেখা নাই। এইসকল নেতাৰ কথাৰ সুৰ, শিক্ষক, বিষয়া, কৰ্মচাৰী আৰু নিজৰ মন্ত্ৰীসভাৰ মন্ত্ৰীবোৰে ৰাজহুৱাভাৱে কৰা ব্যৱহাৰ আদিত প্ৰতিফলিত হ'ব ধৰিছে



**ভাৰতবৰ্ষক ব্ৰিটিছৰ কৱলৰ পৰা উদ্ধাৰ কৰিবলৈ তিনিশ বছৰ যুজিবলগীয়া হৈছিল। আত্মবলিদান দিছিল লাখ লাখ নাগৰিকে। এই আত্মত্যাগৰ ভেটিত গঢ়ি উঠা গণতন্ত্ৰক কোনো নেতা-পালিনেতাৰ আত্মৰতিৰ ক্ৰীড়নকত পৰিণত হ'ব দিব নোৱাৰি।**

আঁকোৰগোঁজ তথা নাচোৰবান্দা প্ৰবৃত্তি। বিশ্বৰ ৰাজনৈতিক ইতিহাসত এনে ধৰণৰ ব্যক্তিত্বৰ প্ৰৱণতা আগতেও আমি দেখিবলৈ পাইছো। এওঁলোকক সকলো লাগে—অপাৰ ক্ষমতা, অপাৰ ধন, সকলোকে গালি-গালাজ তথা অপমান কৰাৰ অবাধ অধিকাৰ। ৰোমান দাৰ্শনিক এপিকিউৰাছে কৈছিল ঃ যিগৰাকী ব্যক্তিৰ বাবে যথেষ্টৰ অৰ্থ অতি কম সেইগৰাকী ব্যক্তিৰ বাবে কোনো বস্তুৱেই যথেষ্ট হ'ব নোৱাৰে। এই কথাষাৰ যেন আমাৰ নাৰ্চিচিষ্ট ৰাজনীতিকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলৈ ধৰিছে। গণতন্ত্ৰৰ স্খলন আৰু একনায়কত্বৰ পূৰ্বাভাস আমি ৰাজনীতিকসকলৰ আত্মপ্ৰেমৰ প্ৰৱণতাৰ পৰাই পাব পাৰো।

নিজকে মহানতাৰ শিখৰলৈ লৈ যোৱাৰ বাবে আমাৰ এই শ্ৰেণীৰ ৰাজনীতিকসকলে সময়ে সময়ে অনুষ্ঠিত কৰে ৰাজনৈতিক নাটক। বালাকট, পুলৱামা আদি প্ৰাক্ নিৰ্বাচনী ঘটনাবোৰৰ প্ৰকৃত ৰহস্য উদ্‌ঘাটন নোহোৱালৈকে সেইবোৰক আমি অঘটন বুলি একাষাৰে ক'ব নোৱাৰো; কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পঞ্জাৱত কনভয় প্ৰতিৰোধৰ ঘটনাটো যে শিখসকলৰ ৰাজ্যত খোপনি হেৰুওৱা বিজেপিৰ সহানুভূতি উদ্ৰেকৰ এক কৌশল সেয়া এতিয়া আৰু কাৰো অজানা হৈ থকা নাই। অসমৰ মুখ্যমন্ত্ৰীজনে নগাওঁ জিলা উপায়ুক্তক মুখ্যমন্ত্ৰীৰ কনভয়ক সুকলমে যাবলৈ ট্ৰেফিক বন্ধ কৰি ৰখাৰ বাবে ৰাজহুৱাভাৱে ধমকি দিয়া ঘটনাটো লক্ষ্যণীয়। জিলা উপায়ুক্তক নাটক কৰা বুলি কোৱা হৈছে; কিন্তু নাটক কাৰ সেয়াও বিচাৰ্য। সমগ্ৰ ভাৰতবৰ্ষতেই আছে ভি আই পি সংস্কৃতি। ভি আই পি সংস্কৃতি যদিহে আমাৰ নেতাসকলে আঁতৰাব বিচাৰিছে তেনেহ'লে তেওঁলোকে ট্ৰেফিকক মানি চলি ৰেড লাইট জ্বলিলে ৰৈ থাকক। আনকি দেহৰক্ষী আঁতৰাবলৈ কোৱাৰ আগে আগে নিজৰ দেহৰক্ষী আঁতৰাওক। জনতা দৰবাৰ পাতি মন্ত্ৰীসকলে জনসাধাৰণক সাক্ষাৎ কৰি সুখ-দুখৰ বুজ লওক। আমাৰ নেতাসকল তথা মন্ত্ৰীসকলক সাধাৰণ নাগৰিকে লগ পাবলৈ হাবাথুৰি খাব লাগে। সাধাৰণ নাগৰিক বাদেই—সাংবাদিককেই যেতিয়া প্ৰধানমন্ত্ৰীয়ে সাক্ষাৎ নিদিয়ে আনসকলে বা সাধাৰণ নাগৰিকক সাক্ষাৎ দিব কিয়?

গণতন্ত্ৰত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী তথা আন মন্ত্ৰীসকল ৰজা-মহাৰজা নহয়। পিছে বৰ্তমানৰ আত্মপ্ৰেমত বলিয়া ৰাজনীতিকসকলে কামে-কাজে ৰজা-মহাৰজাতকৈয়ো অধিক ক্ষমতা প্ৰদৰ্শন কৰে। দুৰ্যোগ পৰিচালনা আইনৰ বলেৰে বৰ্তমান চৰকাৰে জনসাধাৰণৰ সকলো মৌলিক অধিকাৰত হস্তক্ষেপ কৰিবলৈ লৈছে। ৰাতি ১০ বজাত শুব লাগিব, প্ৰতিষেধক দুপালি নোলোৱা লোক ঘৰৰ পৰা ওলাব নোৱাৰিব। ইফালে, কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ত শপতনামা দাখিল কৰি কৈছে যে কোনো ব্যক্তিকেই বলপূৰ্বকভাৱে টিকাকৰণ কৰা নহ'ব। মাস্ক নিপিন্ধাকৈ ঘৰৰ পৰা ওলাব নোৱাৰিব। নিশা ১০ বজাৰ পাছত সান্ধ্য আইন—ঘৰৰ পৰা ওলোৱা নিষেধ। সুৰাপান কৰি গাড়ী চলোৱাটো বন্ধ কৰাৰ বাবে নিশা গাড়ী ৰখাই গাড়ী চালকৰ মুখত পাইপ ভৰোৱা আদি ঘটনাবোৰ পুলিচ তথা সংশ্লিষ্ট বিষয়াই পৰিচালনা কৰাৰ উপৰি স্বয়ং মন্ত্ৰীয়ে কৰিবলৈ লৈছে। মন্ত্ৰীয়ে যে যি ইচ্ছা তাকে কৰিব পাৰে তাক নিৰলস প্ৰমাণ কৰাৰ প্ৰৱণতাটোৱেই নাৰ্চিচিজমৰ জ্বলন্ত উদাহৰণ।

গণতন্ত্ৰৰ পৰা একনায়কত্ববাদলৈ দেশখন কেনেদৰে ঢাল খায় তাৰ জ্বলন্ত উদাহৰণ হ'ল—প্ৰথম মহাযুদ্ধৰ পাছত জাৰ্মানী। প্ৰথম মহাযুদ্ধত জাৰ্মানীৰ পৰাজয়ৰ পাছত ৰাজ্যখনৰ পৰা ৰাজন্য শাসনৰ অৱসান ঘটে আৰু তাত গণৰাজ্য স্থাপিত হয়। ৱেইমাৰ গণৰাজ্যত প্ৰথমবাৰৰ বাবে সাৰ্বজনীন ভোটৰ জৰিয়তে গণ প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰা হৈছিল। পিছে মহাযুদ্ধৰ পাছত জাৰ্মানীৰ অৰ্থনৈতিক মেৰুদণ্ড ভাগি গৈছিল। ভাৰ্চাইলছ চুক্তিৰ জৰিয়তে দেশখনক যথেষ্ট ক্ষতিপূৰণ দিবলৈ বাধ্য কৰোৱা হৈছিল। এই পৰিস্থিতিৰ সুবিধা লৈ কেনেদৰে হিটলাৰৰ নেতৃত্বত নাজীয়ে জাৰ্মান সংসদ বা ৰেইখষ্টেগ জ্বলোৱাৰ অজুহাত লৈ জাৰ্মানীত একনায়কত্ববাদ প্ৰতিষ্ঠা কৰিছিল সেয়া আমি সকলোৱে জানো। পিছে বৰ্তমান পৰিস্থিতিত একনায়কত্ববাদে মোট সলাই আহিব বিচাৰিছে। জনসাধাৰণৰ ওপৰত তথা বিৰোধীৰ ওপৰত ২৪x৭ নজৰদাৰী চলিছে পেগাছাছ আৰু অন্যান্য ডিজিটেল নিৰীক্ষণ প্ৰযুক্তিৰে। টেক, কগ আদি এপেৰে ছ'চিয়েল মিডিয়া হেক কৰি ভুৱা বাতৰিৰ বেহা পাতিছে শাসকসকলে।

ভাৰতবৰ্ষক ব্ৰিটিছৰ কৱলৰ পৰা উদ্ধাৰ কৰিবলৈ তিনিশ বছৰ যুজিবলগীয়া হৈছিল। আত্মবলিদান দিছিল লাখ লাখ নাগৰিকে। এই আত্মত্যাগৰ ভেটিত গঢ়ি উঠা গণতন্ত্ৰক কোনো নেতা-পালিনেতাৰ আত্মৰতিৰ ক্ৰীড়নকত পৰিণত হ'ব দিব নোৱাৰি। সেয়ে আমাৰ নেতাসকললৈ আহ্বান জনাওঁ—তেওঁলোকে অতীতত স্বাধীনতা আৰু গণতন্ত্ৰৰ বাবে বলিদান দিয়া লোকসকললৈ শ্ৰদ্ধা জনাই দেশখনক স্বৈৰতন্ত্ৰৰ কৱলৰ পৰা ৰক্ষা কৰাৰ বাবে আগুৱাই আহক। নাৰ্চিচিজম বা আত্মৰতি পৰিহাৰ কৰি সমাজৰ প্ৰেমত পৰক। সমাজে তেওঁলোকক নিশ্চয় আদৰিব।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**অসমীয়া** ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছে বুলি মনতে ভাবি নাথাকি অসমীয়া ভাষাটোক ভৱিষ্যতে আৰু অধিক শক্তিশালী কৰি কেনেকৈ গঢ় দিব পাৰো সেই সম্পৰ্কে এক গঠনমূলক চিন্তা-চৰ্চা কৰা অতি প্ৰয়োজন। ভাষাৰ মাধ্যমেৰে প্ৰতিটো সৰু-বৰ জাতিয়েই নিজকে আত্মপ্ৰকাশ কৰিবলৈ সুযোগ পায়। পৰাধীন ভাৰতবৰ্ষৰ যিটো সময়ত অসমত এখনো অসয়ীয়া বাতৰি কাকত নাছিল, এখনো উচ্চ শিক্ষানুষ্ঠান নাছিল, তেনে এক জটিল সময়তো অসমীয়া ভাষাটোৱে নিজৰ অস্তিত্ব বজাই ৰাখিব পাৰিছিল। পৰাধীন অসমত ইংৰাজ শাসকে অসম তথা ভাৰতৰ জাতি, ধৰ্ম, ভাষাৰ নামত ভাগ ভাগ কৰি শাসন- শোষণ কৰাৰ বাবে অসমীয়া ভাষা বিলুপ্তি কৰি অফিচ, কাছাৰীত বাংলা ভাষা ব্যৱহাৰ কৰিবলৈ দি ভাৰতীয় ঐক্যক আঘাত হানি চতুৰ ইংৰাজে অসমীয়া, বাঙালীৰ মাজত থকা সম্প্ৰীতি বিনষ্ট কৰিব বিচাৰিছিল। তৎসত্ত্বেও বিভিন্ন বাধা-বিঘিনি অতিক্ৰম কৰি অসমীয়া ভাষাই আজি বিশ্বৰ অন্যান্য উন্নত ভাষা, সাহিত্যৰ লগত ফেৰ মাৰিবলৈ সক্ষম হৈছে। আজি আৰু অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আহিবলগীয়া সংকটৰ কথা নাভাবি অসমত বসবাস কৰা বিভিন্ন ভাষা-ভাষীৰ লোকসকলৰ লগত অধিক সম্প্ৰীতি, সদ্ভাৱ আৰু মিলাপ্ৰীতিৰ মাজেৰে অসমৰ সামূহিক উন্নতি সম্ভৱ হয় তেনেধৰণৰ কাম কাজ গঢ়ি তুলিলে অসমীয়া ভাষাটো, অসমীয়া জাতিটো উন্নতিৰ

**বাবুল দাস,** লেখক

জখলাৰে আগবাঢ়ি যাবলৈ সক্ষম হ'ব। নিজকে অসমীয়া বুলি দাবী কৰা লোকসকলে এইটো কথা মনত ৰাখিব লাগিব যে আমি যিমানেই অসমীয়া ভাষাক ভাল নাপাও কিয়, অন্যান্য ভাষা, সংস্কৃতি, ধৰ্মৰ প্ৰতিও আমাৰ শ্ৰদ্ধা, ভালপোৱা থাকিব লাগিব। জাতি গঠনৰ প্ৰক্ৰিয়াত উগ্ৰতা, হাই কাজিয়া আৰু অশ্ৰদ্ধাৰ স্থান নাই। আমি যিমানেই আন জাতি, উপ-জাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি আগ্ৰহ বঢ়াব পাৰিম সিমানেই অসমীয়া ভাষাটো অধিক শক্তিশালী হ'ব আৰু অসমীয়া ভাষা, সংস্কৃতিৰ মাজত ক্ৰমবিবৰ্তনৰ মাজেৰে জীণ যাব। অসমত বসবাস কৰা অধিক সংখ্যক লোকেই নিজ মাতৃ ভাষাৰ বাহিৰেও অসমীয়া ভাষা ক'ব পাৰে। গতিকে আমাৰ প্ৰধান কৰ্তব্য হৈছে অন্যান্য জাতি, জনজাতি, অনা-অসমীয়া লোকসকলক আমি আমাৰ অসমীয়া ভাষাটোৰ প্ৰতি আগ্ৰহ ওপজাব লাগিব। পখিলাৰ পাখিত যেনেকৈ জোৰ কৰি ধৰিলে ছিঙি যোৱাৰ সম্ভাৱনা থাকে ঠিক তেনেকৈ ভাষা এটিও আনক জোৰ কৰি জাপি দিব নোৱাৰি। তাৰ বাবে লাগে অধিক আন্তৰিকতা, শ্ৰদ্ধা আৰু বুজাপৰা মনোভাব।

গোলকীয় উত্তৰণৰ যুগত উচ্চ শিক্ষা, চাকৰি, ব্যৱসায়ী আদিৰ বাবে আজিৰ যুৱচামে দেশ-বিদেশত যাবলগীয়া হোৱাৰ বাবে ইংৰাজী শিক্ষাৰ অধিক গুৰুত্ব বাঢ়িছে। ইংৰাজী শিক্ষা অবিহনে দেশ-বিদেশত সংস্থাপিত হোৱাটো সম্ভৱ নহয়। আনহাতে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়বোৰত গুণগত শিক্ষাৰ অভাৱ। অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰত গুণগত শিক্ষাৰ মান বঢ়াব লাগিব। যিসকল শিক্ষক, শিক্ষয়িত্ৰীয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়ত চাকৰি কৰি আছে, তেওঁলোকৰ সন্তানসকলক অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰাটো বাধ্যতামূলক কৰিলে উপদেশতকৈ আৰ্হিয়েই শ্ৰেয় হ'ব। লগতে শিক্ষাৰ গুণগত মান বাঢ়িব। অসমত বসবাস কৰা প্ৰতিজন লোকেই অসমীয়া ভাষাটো শুদ্ধকৈ ক'ব আৰু লিখিব-পঢ়িব পৰাটোৱে তেওঁৰেই ব্যক্তিত্বৰ বিশালতাৰেই পৰিচয় দিয়ে। নিজৰ মাতৃভাষাৰ উপৰি অন্যান্য সৰু-বৰ ভাষাৰ ওপৰত জ্ঞান থকাটো অতিকৈ উত্তম।

*ফোন ঃ ৯৮৬৪০৪৮৬৬৯*

# কটন, কৰ্তৃপক্ষ, কৰ'না ইত্যাদি

**ডিপাৰ্টমেণ্টত আমি ক্লাছ হ'ব হ'ব বুলি বহি থাকো। এঘন্টা এঘণ্টাকে বহুত সময় পাৰ হৈ যায়, কিন্তু শিক্ষক নাহে। অৱশেষত আমিবোৰ ৰৈ ৰৈ গুচি আহো। কিন্তু তেওঁলোকে ক্লাছটো নকৰে বুলি আমাক আগতীয়াকৈ কেতিয়াও নজনায়।**

**অভিমত**

**তেতিয়াৰ** কটন কলেজ, এতিয়াৰ কটন বিশ্ববিদ্যালয়। এক দুৰ্দান্ত সপোন দেখিছিলো কটনত অধ্যয়নৰ। দুৰ্দান্ত এই কাৰণেই কৈছো মোৰ ক্ষেত্ৰত এই কথাটো আন বহুতৰ দৰে সহজ নাছিল। কটনখন মোৰ বাবে সৰুৰে পৰাই এক আৱেগ আছিল। ঘৰৰপৰা গুৱাহাটীলৈ কোনোপধ্যে নপঠিয়ায়।ময়ো কটনৰ বাহিৰে বেলেগত নপঢ়ো। কান্দি-কাটি, লাগি মেলি অৱশেষত মই ঘৰৰ মানুহক সৈমান কৰালো; কিন্তু মোৰ সপোনৰ কটনখন বেলেগ আছিল। যিটো উৎসাহ বুকুত বান্ধি মই কটনলৈ ঢপলিয়াই গৈছিলো, একেবাৰেই উদাস হৈ মই ডিগ্ৰী সমাপ্ত কৰি ঘূৰি আহিলো। কটনে মোক একো নিদিলে বুলি ক'লে ভুল কোৱা হ'ব। কটনে মোক জীৱনটো সামৰিব পৰাকৈ বহুখিনি দিলে। খলা-বমা জীৱনটোত উজুটি খাই পুনৰ উঠিব পৰাকৈ সাহস দিলে, আনৰ ভালৰ কাৰণে ভবা, আনক সহায় কৰাৰ মানসিকতাৰ অধিকাৰী কৰিলে, পৈণত চিন্তা আৰু সুস্থ মানসিকতাৰ বহুতো আপোন অগ্ৰজ, অনুজ আৰু বন্ধু-বান্ধৱী উপহাৰ দিলে। ভাল-বেয়া বহুতো অভিজ্ঞতাৰ সাক্ষী কৰিলে। যথেষ্টখিনি শিকিলো এই তিনিটা বছৰে, মানুহ চিনিবলৈও শিকিলো। তাৰ সমান্তৰালভাৱে যথেষ্টখিনি মূৰ কামোৰণি, হতাশা আৰু অসহায়তাত ভুগিলোঁ। তাৰ একমাত্ৰ কাৰণ কটনৰ শৈক্ষিক আন্তঃগাঁথনি, বিভাগীয় কৰ্তৃপক্ষৰ হেমাহি, প্ৰায় সংখ্যক শিক্ষকৰ গা এৰা স্বভাৱ আৰু বহুতো কৰ্মচাৰীৰ মইমতালি। কেতিয়াও লিখিম বুলি ভবা নাছিলো এইবোৰ কথা, কিন্তু এইবেলি নিলিখি নোৱাৰিলো কাৰণ এই একেবোৰ সমস্যাত আজিও মোৰ দৰে আন বহুতে ভুগি আছে। অত্যন্ত ক্ষোভ আৰু হতাশাত লিখিবলৈ লৈছো। কটনক যথেষ্ট ভাল পাওঁ এতিয়াও, সেয়ে এইবোৰ কাৰ্যই যথেষ্ট আঘাত দিয়ে। এতিয়াৰ মুখ্যমন্ত্ৰী তথা সেই সময়ৰ শিক্ষামন্ত্ৰীয়ে কটন কলেজক স্বায়ত্তশাসিত বিশ্ববিদ্যালয়লৈ উন্নীত কৰিলে হয়, কিন্তু বিশ্ববিদ্যালয় হিচাপে কটন বৰ্তমান





কি পৰ্যায়ত আছে সেয়া ঘূৰি চাবলৈ তেওঁৰ আহৰি নাই। যিহওক, যিখিনি কথাৰ কাৰণে ওপৰৰ কথাখিনিৰ পাতনি মেলিব লগা হ'ল, সেই কথাবোৰলৈ আহো। এই কথাখিনি লিখি থকা সময়লৈকে (১৭ জানুৱাৰী) অসমত ২৪ ঘন্টাত অৰ্থাৎ আজি সৰ্বাধিক কভিড আক্ৰান্তৰ সংখ্যা ৬৯৮২ জন, তাৰে কামৰূপ মেট্ৰত আক্ৰান্তৰ সংখ্যা ১৪৯১। ১১ জন লোকৰ মৃত্যু হৈছে। অসমৰ বাকী জিলাসমূহতো ক'ভিড পৰিস্থিতি যথেষ্ট ভয়াৱহ। তেনে সময়তে অনুজ পঞ্চম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে কালি এখন জাননী পালে। ক'ভিড পৰিস্থিতিৰ বাবে স্নাতক আৰু স্নাতক মহলাৰ আটাইবোৰ শ্ৰেণী অনলাইন মাধ্যমত কৰা হ'ব, লগতে স্নাতক প্ৰথম যাণ্মাসিকৰ মিড টাৰ্ম পৰীক্ষাও অনলাইন মাধ্যমেৰে পতা হ'ব। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে অকল পঞ্চম যাণ্মাসিকৰ অৰ্থাৎ ২১ জানুৱাৰীৰ পৰা হ'বলগীয়া অন্তিম পৰীক্ষাটো শিক্ষাৰ্থীসকলে অফলাইন মাধ্যমেৰে দিব লাগিব। এতিয়া প্ৰথম কথাটো হ'ল পঞ্চম যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ কৰ'না নহ'ব নেকি? নে তেওঁলোক কিবা বেলেগে ধাতুৰে গঢ়া? য'ত নেকি কৰ্তৃপক্ষই সংবাদ মাধ্যমৰ আগত, বিশ্ববিদ্যালয়ৰ বহুতো শিক্ষক তথা কৰ্মচাৰীৰ দেহত ক'ভিড ধৰা পৰাৰ বাবে ৩১ জানুৱাৰীলৈকে সমূহ পাঠদান অনলাইনযোগে কৰা হ'ব বুলি সদৰী কৰিছে তেনেস্থলত অকল এটা যাণ্মাসিকৰ অফলাইন পৰীক্ষা পতাটো কিমানদূৰ গ্ৰহণযোগ্য? কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাই পঞ্চম যাণ্মাসিকৰ আটাইবোৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ মত লৈ এই কথাৰ বিৰোধিতা কৰি দুটা দাবী জনাইছিল যে হয়তো সমূহ পৰীক্ষা অনলাইন কৰিব লাগে, নহ'লে পৰীক্ষাৰ সময়সূচী পিছুৱাব লাগে। কিন্তু কৰ্তৃপক্ষই এই দুয়োটা দাবীয়ে নস্যাৎ কৰিলে। লাগিলে কৰ'নাত আক্ৰান্ত হ'লে আক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ পৰীক্ষা পাতিব? তথাপি তেওঁলোকে কোনো কাৰণতেই অনলাইন পৰীক্ষা পাতিব নোৱাৰে। শেষৰটো বছৰৰ ছাত্ৰ-ছাত্ৰী তেওঁলোক। পৰীক্ষা পাছত দিবলৈ আকৌ তেওঁলোকৰ মানসিক অৱস্থা ভালে থাকিবনে? আহি থকা এণ্ট্ৰেন্সৰ কাৰণে অধ্যয়ন কেতিয়া কৰিব? অনলাইন ক্লাছ যদি কৰিব পাৰে অনলাইন পৰীক্ষা কিয় পাতিব নোৱাৰে? অনলাইন মাধ্যমেৰেও পৰীক্ষা নিয়াৰিকৈ পাতিব পাৰি। লাগিলে গুগল মীটৰ কেমেৰা অন কৰাই পাতক। বিভিন্ন জনে প্ৰশ্ন কৰিছে যে অনলাইন মাধ্যমেৰে পৰীক্ষা দিবলৈ সুবিধাজনক হ'ব বুলিয়েই ছাত্ৰ-ছাত্ৰীসকলে এই দাবী কৰিছে, কিন্তু অকল শিক্ষাৰ্থীসকলে জানে অনলাইন পৰীক্ষাত অসুবিধা কিমান? তদুপৰি ইণ্টাৰনেটৰ পৰা কপি কৰিলে নম্বৰ নিদিয়েই, জিভা পাক খোৱা প্ৰশ্নবোৰ ছাত্ৰ-ছাত্ৰীয়ে নিজেই কৰিব লাগে। নেটৱৰ্কৰ সমস্যা আছেই, নেটৱৰ্কৰ বাবে সময়ত পঠাব পাৰিবনে নাই ইত্যাদি। তথাপি ভয় আশংকাত অনলাইন পৰীক্ষা বিচাৰিছে নম্বৰ কম পাব বুলি জানিও। তেনেহ'লে কৰ্তৃপক্ষই অনলাইন পৰীক্ষা কিয় পাতিব নোৱাৰে? বহুতো আগশাৰীৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে সেই একেই মাধ্যমেৰেই সময়ত পৰীক্ষা পাতি নতুন যাণ্মাসিকৰ ক্লাছ আৰম্ভ কৰিব পাৰে যদি কটন বিশ্ববিদ্যালয়ে কিয় নোৱাৰে? দৈনিক সহস্ৰাধিক নতুন কভিড ৰোগী থকা গুৱাহাটী মহানগৰীলৈ পৰীক্ষা দিবলৈ নিজৰ সন্তানক অভিভাৱকসকলে কিদৰে আহিবলৈ দিয়ে? অফলাইন পৰীক্ষাৰ ক্ষেত্ৰত কটন কৰ্তৃপক্ষই ক'ভিড প্ৰট'কল সম্পূৰ্ণৰূপে মানি চলাৰ আশ্বাস প্ৰদান কৰিছে। কিন্তু তথাপি ছাত্ৰ-ছাত্ৰীসকল অহা-যোৱা অৰ্থাৎ পৰিবহনৰ ক্ষেত্ৰত যে সমস্যাৰ সন্মুখীন হ'ব সেয়া ব্যক্তিগত বাহনত চৌহদৰ ভিতৰলৈ অহা কৰ্তৃপক্ষই অনুধাৱন কৰিব নোৱাৰাটোৱেই স্বাভাৱিক। তেওঁলোকে এটা কথা কিয় বুজি পোৱা নাই যে শৰীৰটো সুস্থ থাকিলেহে মানসিক স্বাস্থ্য ভালে থাকে। আৰু দুয়োটা ভালে থাকিলেহে সুস্থ মন এটাৰে মানুহে পঢ়িব পাৰে। পৰীক্ষা দিবলগীয়া বহু ছাত্ৰ-ছাত্ৰী বৰ্তমান কৰ'নাত আক্ৰান্ত। পৰীক্ষা দিয়া সময়লৈ ভাল হ'লেও এই সময়খিনিত তেওঁলোকে পৰীক্ষাৰ বাবে কেনেদৰে অধ্যয়ন কৰিব? তদুপৰি পৰীক্ষা দিবলৈ যোৱাৰ আগতে ক'ভিড পৰীক্ষা কৰিব বুলি যে তেওঁলোকে কৈছে, গুৱাহাটীলৈ গৈ কোনোবা আক্ৰান্ত হ'লে তেওঁলোকক পি.জি বা ভাড়াঘৰৰ মালিকে থাকিব দিবনে? পৰাখিনিক ঘৰৰ পৰা পৰিয়ালৰ মানুহে আহি যেনিবা লৈ গ'ল, কিন্তু যাৰ মাক-দেউতাক আহিব নোৱাৰিব বা নিজা বাহন নাই তেওঁলোকে কি কৰিব? তথাপি কৰ্তৃপক্ষ আকোৰগোঁজ সকলো ক্ষেত্ৰতে। তদুপৰি জাননী এখন পৰীক্ষাৰ আগমুহূৰ্তলৈকে উলিয়াবলৈ তেওঁলোক ৰৈ থাকে। পৰীক্ষাৰ আগদিনালৈকে এডমিট দিবলৈ থাকে। পৰীক্ষা বুলি ক'লে ছাত্ৰ-ছাত্ৰীৰ চিন্তাৰ অন্ত নাথাকে। তেনেস্থলত পৰীক্ষাৰ আগদিনা শুৱালকুছিৰ ছাত্ৰীগৰাকীও এডমিট নিবলৈ আহিব লগা হয় সময় নষ্ট কৰি। কাৰণ ইংৰাজী বিভাগকে আদি কৰি বহুত বিভাগে বন্ধু-বান্ধৱীৰ হাততো এডমিট নিদিয়ে। (ইংৰাজী বিভাগ বুলি এইকাৰণেই কৈছো কাৰণ ময়ো এইটো বিভাগৰে ছাত্ৰী আছিলো) পৰীক্ষা পৰিচালনা কৰা বিভাগটোৰ কৰ্মচাৰীসকলেতো ছাত্ৰ-ছাত্ৰীক মানুহ বুলিয়েই গণ্য নকৰে। কিদৰে মূল্যাংকন কৰে আজিলৈকে বুজি নাপালো। পৰীক্ষাৰ ফলাফল ইমানেই বেছি দেৰিকৈ দিয়ে যে স্নাতকোত্তৰৰ এণ্ট্ৰেন্সৰ কাৰণে বহুকেইখন কলেজত ছাত্ৰ-ছাত্ৰীয়ে প্ৰ-পত্ৰপূৰণ কৰিব নোৱাৰে।

ডিপাৰ্টমেণ্টত আমি ক্লাছ হ'ব হ'ব বুলি বহি থাকো। এঘন্টা এঘণ্টাকে বহুত সময় পাৰ হৈ যায়, কিন্তু শিক্ষক নাহে। অৱশেষত আমিবোৰ ৰৈ ৰৈ গুচি আহো। কিন্তু তেওঁলোকে ক্লাছটো নকৰে বুলি আমাক আগতীয়াকৈ কেতিয়াও নজনায়। বন্ধৰ সময়ছোৱাত যিহেতু বিশ্ববিদ্যালয়লৈ যাব পৰা নাছিলো যেতিয়াই পৰীক্ষা সংক্ৰান্তীয় কিবা কথা সুধি বিভাগীয় মুৰব্বীক মেছেজ দিও তেওঁ কয় মই নাজানো, কন্ট্ৰলাৰক সোধা। আৰু তেওঁলোকক সুধি ফোন বা মেছেজ কৰিলে কেতিয়াও উত্তৰ নাপাও তেওঁলোকে আমাৰ সমস্যাবোৰ কেতিয়াও গুৰুত্ব দি নলয়। প্ৰতিটো ক্ষেত্ৰতে আমি এনেদৰেই অনিশ্চয়তাত থাকিব লগা হয়। ব্যৱহাৰৰ কথা নকলোৱেই যেনিবা। বাহিৰৰ বিশ্ববিদ্যালয়বোৰে মেইলৰ উত্তৰো তাৎক্ষণিকভাৱে দিয়ে।

শেষত, মাহেকৰ মূৰত লাখ লাখ টকা পোৱা কৰ্তৃপক্ষ আৰু ছাৰ শিক্ষাগুৰুসকলক, ছাত্ৰ-ছাত্ৰীক নিজৰ ল'ৰা-ছোৱালীৰ দৰে ভাবিবলৈ বিনম্ৰতাৰে অনুৰোধ কৰিছো (বিভাগত বহুতো ভাল শিক্ষকো আছে, তেওঁলোকক শ্ৰদ্ধা কৰো অন্তৰৰ পৰা)। গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অসংখ্য কলেজ আছে, কিছুমান ক্ষেত্ৰত বেমেজালি হোৱাটো মানিব পাৰি; কিন্তু আমাৰ কটন বিশ্ববিদ্যালয়? নিজৰ অধীনৰ কাম-কাজবোৰো কিয় তেওঁলোকে ভালদৰে পৰিচালনা কৰিব নোৱাৰে? কেৱল নামত বিশ্ববিদ্যালয় হ'লেই নহ'ব, কামবোৰো সেইমতে কৰিব লাগিব। সঁচা অৰ্থত, তেতিয়া যিদৰে আমি কটন কলেজক লৈ গৌৰৱ অনুভৱ কৰিছিলো, কটন বিশ্ববিদ্যালয়কলৈও গৌৰৱ কৰিব পাৰিম।

ক্ষোভ আৰু হতাশাৰে জৰ্জৰিত

**এগৰাকী ভুক্তভোগী**

**প্ৰাক্তন ছাত্ৰী**



বিহু অসমীয়াৰ প্ৰাণ, বিহু আমাৰ মান আৰু বিহুৰেই জাতিটোৰ সভ্যতা-সংস্কৃতিৰ মাপকাঠিও। কৃষি কৰ্মৰে গৰু-ছাগলী, মাছ-পুঠি, হাঁহ-পাৰ-কণী আদিৰ লগতে বিভিন্ন প্ৰকাৰৰ খাদ্য-শস্য বিশেষকৈ সোণগুটি উৎপাদন কৰি স্বনিৰ্ভৰতাৰ গভীৰ প্ৰশান্তি লভা কৃষকে মনৰ আনন্দ-উছাহ প্ৰকাশ কৰে স্বমহিমাৰে বিহুৰ আলমতে। চিৰ কৃতজ্ঞ কৃষকে প্ৰকৃতিৰ অনবদ্য অৱদানৰ স্বীকৃতি প্ৰদান কৰে অকপটভাৱে এনেকুৱা ধৰণৰ উৎসৱ-পাৰ্বণৰ জৰিয়তে।

# পৰৰ পিঠাৰে আৰু কিমান দিনলৈ বিহু?

**আছুতীয়া চিন্তা**

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

**কৃষি** কাৰ্যত কৃতকাৰ্যতাৰ আনন্দ, সৌন্দৰ্যময় সৃষ্টিৰ সাফল্য আৰু কৃষকৰ প্ৰাচুৰ্যৰ স্বতঃস্ফূৰ্ত মূৰ্ত প্ৰকাশ হ'ল বিহু। বিহু অসমীয়াৰ প্ৰাণ, বিহু আমাৰ মান আৰু বিহুৰেই জাতিটোৰ সভ্যতা-সংস্কৃতিৰ মাপকাঠিও। কৃষি কৰ্মৰে গৰু-ছাগলী, মাছ-পুঠি, হাঁহ-পাৰ-কণী আদিৰ লগতে বিভিন্ন প্ৰকাৰৰ খাদ্য-শস্য বিশেষকৈ সোণগুটি উৎপাদন কৰি স্বনিৰ্ভৰতাৰ গভীৰ প্ৰশান্তি লভা কৃষকে মনৰ আনন্দ-উছাহ প্ৰকাশ কৰে স্বমহিমাৰে বিহুৰ আলমতে। চিৰ কৃতজ্ঞ কৃষকে প্ৰকৃতিৰ অনবদ্য অৱদানৰ স্বীকৃতি প্ৰদান কৰে অকপটভাৱে এনেকুৱা ধৰণৰ উৎসৱ-পাৰ্বণৰ জৰিয়তে।

প্ৰকৃততে হোজা হালোৱা, পথাৰৰ বনুৱাই ভূমি কৰ্ষণ কৰি খাদ্য-শস্য উৎপাদন কৰে পেটৰ প্ৰয়োজনতে। কৃষকে কৃষি কৰ্মৰে দেশৰ মানুহৰ মুখত অন্ন দান কৰে। অনাগত বছৰটোৰ বাবে নিজৰ খাদ্য সুৰক্ষা নিশ্চিত কৰি তোলা প্ৰাপ্তিৰ আনন্দই সুখানুভূতি প্ৰদান কৰা কৃষকৰ কাৰণে ভোগালী বিহুৰ দৰে উৎকৃষ্ট উৎসৱ। আন একোৱে হ'ব নোৱাৰে। আন একোৱেই ইমান আনন্দ-উলাহ প্ৰকাশ কৰিব নোৱাৰে খেতিয়কে যিমান আনন্দ-উৎসৱ কৰে ভোগালী আৰু ৰঙালী বিহুৰ জৰিয়তে।

ইমানলৈ ঠিক আছে। এতিয়া চিন্তা কৰিবলগীয়া কথাটো হ'ল যিবিলাক মানুহ বা যি জাতিৰ হাতত বৰ্তমান কৃষিকাৰ্য প্ৰায় নাই তেনে লোক বা কৃষকৰ আনন্দ-উৎসৱ কৰাৰ অধিকাৰ ক'ত? সৃষ্টিৰ আনন্দ অনুভৱ কৰিব পাৰে জানো পথাৰৰ বোকা-পানী গচকি নোপোৱা মানুহে? যথাৰ্থতে নোৱাৰে। তেওঁলোকে পাৰে মাত্ৰ পিতৃ-পুৰুষৰ পৰম্পৰা ৰক্ষা কৰিবলৈ। এনেকুৱা ধাৰ-ঋণ কৰা পৰম্পৰা ৰক্ষা কৰি আত্মগৌৰৱত ওফন্দি থকা অসমীয়াৰ ৰাজহাড় কিন্তু ক্ৰমে দুৰ্বল হৈ আহিছে। জাতিটোক ঢোকা দি কোনোমতে থিয় কৰাই থোৱা হৈছে। সৰ্বদিশৰ পৰা ঢোকা দি থিয় কৰাই ৰখা জাতিসত্তা এদিন যে নিজৰ ভৰতে নিজে খহি পৰিব তাৰ পূৰ্বাভাস ইতিমধ্যে পোৱা গৈছে। নিষ্কৰ্মা, পৰনিৰ্ভৰশীল জাতি এটা অনেক দিন স্বৰূপত বৰ্তি নাথাকে।

অসমৰ প্ৰতিখন বাতৰি কাকতত প্ৰকাশ পোৱা বহিঃৰাজ্যৰ পৰা আমদানি কৰা খাদ্য-বস্তুৰ তালিকাখন দেখি, পঢ়ি, ভালদৰে বুজি মনতে প্ৰশ্ন উদয় হয় আমি অ'ত দিনে আন আন ৰাজ্যৰ পৰা ধাৰ কৰি অনা বস্তুৰে বিহু পাতি আছো নেকি? পৰৰ পিঠাৰে আমি বছৰ বছৰ বিহু পাতি আছো নেকি? খাদ্য সামগ্ৰী উৎপাদনত আমি কোনো দিন আত্মনিৰ্ভৰশীল হ'ব নোৱাৰিম নেকি? আত্মসন্মানহীন জাতি হিচাপে আমি আৰু কিমান দিন জীয়াই থাকিম?

পৰনিৰ্ভৰশীল হৈ জীয়াই থাকিবলৈ প্ৰকৃততে প্ৰকৃতিয়ে অসমক কি দিয়া নাই? বিহুৰ অভাৱত আমি সদায় আনৰ মুখলৈ চাই থাকিবলগীয়া হয়।

বাতৰি কাকত, টিভি চেনেল, ৰেডিঅ' আদিত বিস্তৃতভাৱে প্ৰকাশ পাই আহিছে যে অসমীয়াৰ ভোগালী বিহুৰ উৰুকাৰ আখলৰ মাছ-মঙহ আহে বহিঃৰাজ্যৰ পৰা। বৌ-ভকুৱা আহে অন্ধ্ৰপ্ৰদেশৰ পৰা। চিতল-বৰালি আহে বিহাৰৰ পৰা। ইলিছ আহে বাংলাদেশৰ পৰা। ম্যানমাৰৰ পৰা আহে বৌ-ভকুৱাৰ লগতে আৰি। হাঁহ-কুকুৰা আহে পশ্চিমবংগৰ পৰা। এই সকলোবোৰ বস্তু আহে শ শ ট্ৰাক, হেজাৰ হেজাৰ কুইণ্টল হিচাপত। আলু-পিঁয়াজ-কণীৰ কথা ক'বই নালাগে। দাইল, তেল, চেনি চাউল আদিৰ কথা নোকোৱাই ভাল।

এই সমস্ত বস্তু-সামগ্ৰীৰ ক্ষেত্ৰত আমি এখন ৰাজ্যৰ ওপৰত অতি দুখ লগাকৈ নিৰ্ভৰশীল। আমি পৰমুখাপেক্ষী। পেটৰ ভাতমুঠিও আমি আমাৰ শ্ৰমেৰে উৎপাদন কৰি খাব নোৱাৰো অথচ সিন্ধু-গংগা, যমুনা, নৰ্মদা তাপ্তি নদী উপত্যকাৰ দৰে ব্ৰহ্মপুত্ৰ নদী উপত্যকাও নহয় নেকি সমানে সাৰুৱা, পলসুৱা আৰু সমতল? পৃথিৱীত যিমান সাৰুৱা নদী উপত্যকা আছে, তাত যিমান পৰিমাণত খাদ্য-শস্য উৎপাদন হয় তাৰ তুলনাত ব্ৰহ্মপুত্ৰ উপত্যকা কম সাৰুৱা বা কম উৎপাদনক্ষম ভূমি বুলি ক'বতো নোৱাৰি, বৰঞ্চ অলপ বেছি পলসুৱা আৰু বেছি উৎপাদনক্ষম বুলিহে কোৱা উচিত হ'ব, য'ত অতি কম শ্ৰম আৰু খৰচত অধিক খাদ্য-শস্য উৎপাদন কৰিব পাৰি। কম কষ্টত গৰু-ছাগলী, হাঁহ-কুকুৰা আৰু মাছ পুহি স্বাৱলম্বী হ'ব পাৰি তাৰ উদাহৰণ অসমৰ এটা বিশেষ শ্ৰেণীয়ে আমাক দেখুৱাই আহিছে। তেওঁলোকৰ ওপৰতে লজ্জাজনকভাৱে নিৰ্ভৰশীল হ'ব লগা হৈছে। আমি খিলঞ্জীয়া, থলুৱা, ভূমিপুত্ৰ আদি বুলি দাবী কৰিও নিৰ্লজ্জভাৱে আশা পালি ৰৈ থাকো তেওঁলোকৰ কৰ্ম, শ্ৰম আৰু মুখলৈ চাই।

খিলঞ্জীয়া বুলি সদায় আমি যিমানে দাবী নকৰো

কিয়, মোমাই তামুলী বৰবৰুৱাৰ বংশধৰ বুলি নযহাও কিয় আমি যে প্ৰকৃততে কৰ্মহীন নিষ্কৰ্মা ধোদ তাক ভাৰতৰ প্ৰতিখন ৰাজ্যৰ মানুহে জানিবলৈ বাকী নাই। পাঞ্জাৱৰ খেতিয়কে জানে যে অসমীয়া লোকে ভোগালীৰ ভোগ সম্পূৰ্ণ কৰিবলৈ পাঞ্জাৱৰ পৰা দাইল-চাউলৰ লগতে ছাগলী আৰু গাহৰি পঠিয়াব লাগিব। নহ'লে যে ভোগালীৰ ভোগ আধৰুৱা হ'ব। বিহাৰৰ কৃষকে জানিবলৈ বাকী নাই যে অসমীয়াই ভোগালীত ভোগ কৰিব খোজা বছা বছা বৰালি তেওঁলোকেই বিহাৰত উৎপাদন কৰি অসমলৈ পঠিয়াব লাগিব। হাঁহ আৰু বৰালিহীন ভোগালী হ'ব লাগিলে অসমীয়াৰ জীৱনেই বৃথা হ'ব দেখোন!

হাঁহ-কুকুৰা-ছাগলীৰ ক্ষেত্ৰত অসম সদায় নিৰ্ভৰশীল হৈ আহিছে পশ্চিমবংগ আৰু বিহাৰৰ ওপৰত। মাছৰ ক্ষেত্ৰত নিৰ্ভৰতা স্থাপন কৰি আহিছে অন্ধ্ৰপ্ৰদেশ, কাণপুৰ আৰু ম্যানমাৰৰ ওপৰত। অন্ধ্ৰপ্ৰদেশে কণী উৎপাদন কৰি অসমলৈ নপঠিয়ালে অসমীয়াই 'অমলেট' খাবলৈ নাপায়। সিজোৱা কণীৰ অভাৱত পুষ্টিহীনতাত ভোগে অসমীয়া যদি আন ৰাজ্যই কণী উৎপাদন কৰি যোগান নধৰে সময়মতে। মাহজাতীয় শস্য অসমৰ কৃষকে কৰিবলৈ এৰিলে। পাঞ্জাৱ-উত্তৰ

প্ৰদেশ আদি ৰাজ্যৰ পৰা দাইল নাহিলে অসমীয়াৰ ভাত সাঁজত আলু পিটিকাৰ বাহিৰে অন্য যে নাই।

প্ৰশ্ন জাগি উঠে যে অসমত কৃষিভূমি নাই নে পানী যোগানৰ ব্যৱস্থা নাই? অসমৰ কৃষিভূমি খেতিৰ বাবে উপযোগী নহয় নেকি? নে সূৰ্যৰ পোহৰ অসমত পৰ্যাপ্ত পৰিমাণে নপৰে? এনেবোৰ প্ৰশ্ন বাৰে বাৰে মনলৈ আহিলেও প্ৰশ্নবোৰ সমূলি অমূলক। অবান্তৰো। বাস্তৱটো হ'ল অসমীয়া মানুহ এলেহুৱা। অসমীয়া যুৱক-যুৱতী চাকৰিমুখী। অসমৰ অভিভাৱকসকলে নিজৰ সন্তানক কৃষি কৰ্মৰ দৰে কষ্টকৰ কাম কৰাটো পছন্দ নকৰে। খেতিয়ক বুলি পৰিচয় কৰাই দিবলৈ লাজ পায়। খেতিয়ক যুৱকে বিয়া কৰাবলৈ ছোৱালী নাপায়।

কৃষি কাৰ্যৰ দ্বাৰাও যে স্বাৱলম্বী হ'ব পাৰি সেই কথা পুৰণিৰ লগতে নতুন প্ৰজন্মও ভাবিবই নোৱাৰে। আটাইতকৈ ডাঙৰ আৰু দুখলগা কথা হ'ল কৃষক মানে হাল, কোৰ, মূৰত ভঙা জাপি আৰু আঁঠুৰ মূৰত উঠা গামোচাৰে লেতেৰা ছবিখন আজিও মানুহে প্ৰত্যক্ষ কৰি থকাটোহে। ধুনীয়া সাজ-পোছাক পৰিধান কৰি ট্ৰেক্টৰ চলাই আগৰ দহজন খেতিয়কৰ কাম এজনে সমাপ্ত কৰি অধিক শস্য উৎপাদনেৰে স্বচ্ছল জীৱন-যাপন কৰা যুৱ কৃষকৰ নতুন ছবিখন কোনেও চাব নিবিচাৰে। অসমীয়া মানুহে আজিও ভাবিব নোৱাৰে যে কৃষি কৰ্মৰেও অৰ্থনৈতিকভাৱে যিকোনো মানুহে টনকিয়াল হ'ব পাৰে।

কৃষি কাৰ্য কৰি অন্ন (ব্ৰহ্ম) উৎপাদন কৰা কৃষকক আজিও মানুহে মানুহৰ মৰ্যাদা দিব নিবিচৰাটো হৈছে অসমীয়া জাতিটোৰ বাবে চৰম অভিশাপ স্বৰূপ। অতি দুখ লগা ঘটনা। খেতিয়কে খেতি কৰি দেশৰ মানুহক অৰ্থৰ যোগান ধৰে, কল-কাৰখানা চলিবলৈ বিধে বিধে কেঁচামালৰ যোগান ধৰে, কিন্তু সেই অন্ন-বস্ত্ৰ দাতা কৃষকক কেৱে উচিত মৰ্যাদা নিদিয়ে। সন্মানৰ চকুৰে চাব নিবিচাৰে অসমৰ ক'লা চাহাববোৰে তথাকথিত ভদ্ৰ সমাজ আৰু ভাও ধৰা ক'লা চাহাববোৰেও আজিও ভাবি থাকে খেতিয়ক মানে সদায় দুখ-দৈন্য, দুৰ্গতি ভূঞ্জি গৰিব-নিছলা হৈ থকা লোক। অভাৱ-অনাতনে জুৰুলা কৰা কৃষকৰ মুক্তিৰ পথ। (অৰ্থনৈতিক স্বাধীনতা) চিৰদিনৰ বাবে অৱৰুদ্ধ বুলিয়ে ভাবে বহুতে। এইসকলে নিজৰ মগজুত সোমাই থকা বদ্ধমূল ধাৰণাবোৰ সলাবৰ হ'ল। কৃষকৰ কৰ্ম আৰু চৰিত্ৰৰ ছবি সলনি হ'ল। কৃষি

পদ্ধতিত পৰিৱৰ্তন আহিল। উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে বৈজ্ঞানিক পদ্ধতিৰে সীমিত ভূমিত খেতি কৰিও স্বাৱলম্বী হ'ব পাৰে। বহল-বিস্তৃত সংহত কৃষি ফাৰ্ম পদ্ধতিৰে অধিক উপাৰ্জনৰ পথ মুকলিও কৰি ল'ব পাৰে আজিৰ কৃষকে। বিস্তৰভাৱে কৃষিকৰ্ম কৰি পৰ্যাপ্ত অৰ্থ উপাৰ্জন কৰা খেতিয়ক অসমত দুই-চাৰিজন নোহোৱা নহয়—আছে। তেওঁলোকে অৱলম্বন কৰা পদ্ধতি আৰু দেখুওৱা আদৰ্শ অনুসৰণ কৰি অসমীয়া যুৱক-যুৱতীয়ে কৃষিকাৰ্যতে নিজৰ কৰ্ম-সংস্থাপন উলিওৱাৰ ব্যৱস্থা নকৰিলে চৰকাৰৰ ফালৰ পৰা তৎকালে কিবা কৰি দিব বুলি ভবাটোৱে ভুল হ'ব।

আনহাতে, অসমত যে অচিৰেই কল-কাৰখানা বা সৰু-বৰ উদ্যোগ গঢ়ি উঠি ভৰি পৰিব আৰু শিক্ষিত যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপন মুকলি হ'ব তাৰো কোনো আশা নাই। এতিয়াৰ ৰাজনৈতিক নেতাসকলৰ মুখ্য কাম হ'ল ভাৰতবৰ্ষত 'হিন্দুত্ববাদ' দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি মানুহখিনিক আবেগিক কৰা আৰু ৰাজনৈতিক মুনাফা আদায় কৰা। কংগ্ৰেছে ইমান দিনে মুছলমান সম্প্ৰদায়ক নিজৰ হাতৰ মুঠিত ৰাখি ৰাজনীতি কৰি গ'ল কিন্তু মুছলমানসকলৰ অৰ্থনৈতিক স্বাধীনতাৰ বাবে একো নকৰিলে। বৈষম্যৰ বীজ ৰোপণ কৰাৰ বাহিৰে শিক্ষা-সংস্কাৰ, বৈজ্ঞানিক দৃষ্টিভংগী আৰু মুক্ত চিন্তাৰ অধিকাৰী কৰাৰ ক্ষেত্ৰত কাম নকৰিলে কংগ্ৰেছে।

সেই একেখন ছবি বিজেপি চৰকাৰ আৰু নেতাসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। ইমান দিনে হিন্দু-মুছলমানৰ মাজত থকা সমিল-মিল আৰু সংহতিৰ দুৰ্গ ধ্বংস কৰি বৰ্তমান নেতাসকলে সাম্প্ৰদায়িক বিদ্বেষ ৰোপণ কৰিবলৈ লৈছে। মুছলমানক ঘৃণাৰে ওপচাই দিয়াত লাগি পৰিছে। আনকি মুছলমান নিধন কৰি হিন্দু ৰাষ্ট্ৰ গঢ়াৰ যি মানসিকতা মানুহৰ মনত গঢ় দিব ধৰা হৈছে সিয়ে কিন্তু দেশৰ ভৱিষ্যৎ অসুৰক্ষিত আৰু অশান্তিময় কৰি তোলাৰহে ইংগিত বহন কৰিছে।

আজিৰ নতুন প্ৰজন্মই সকলো কথা জানি-বুজি নিজৰ গাৰ জুই নিজে নুমুওৱাৰ ব্যৱস্থা কৰিবই লাগিব। শিক্ষিত যুৱক-যুৱতীয়ে অসমক খাদ্য- শস্য উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰাৰ খাতিৰতে আৰু নিজৰ কৰ্ম সংস্থান মুকলি কৰাৰ স্বাৰ্থত কৃষি কাৰ্যত মনোযোগ দিবই লাগিব। খেতি পথাৰত সোঁ-শৰীৰে নাম গঠনমূলক চিন্তা-চৰ্চা আৰু পৰিকল্পনাৰে নিজৰ ভাগ্য ৰবি নিজে উদয় কৰাব লাগিব। তদুপৰি এটা কথা গভীৰভাৱে চিন্তা কৰিব লাগে যে আমি অসমীয়াবোৰে আৰু কিমানদিনলৈ খাদ্য-শস্য, মাছ-মঙহ কণীৰ ক্ষেত্ৰত পৰনিৰ্ভৰশীল হৈ থাকিম?

আন আন ৰাজ্যৰ পৰা খাদ্য-শস্য আহিলেহে আমি দৈনন্দিন চলিব পাৰিম। ভোগালীৰ দৰে ভোজভাত উদৰ পুৰাই খাব পাৰিম আৰু বহিঃৰাজ্যৰ সামগ্ৰীৰে বিয়া-সবাহবোৰ পাতিব পাৰিম— এনে ভাৱ-চিন্তা আহিবলগীয়া হোৱাটো সংজ্ঞা-সচেতন জাতি এটাৰ বাবে গ্ৰহণযোগ্যতা নহয়েই লাজ-লজ্জাৰহে কথা। পৰৰ পিঠাৰে বিহু পতা কৰ্ম-সংস্কৃতিহীন জাতিৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

সূক্ষ্মদৰ্শী বা অনুভৱী লোকে নিশ্চয় গম পাব পাৰিছে যে বৰ্তমান সময়ক চাবুকৰ কোব আমাৰ পিঠিত পৰি আছে। আমি বহুতে সেই চাবুকৰ কোবত চেঙালুটি নোখোৱা নহয়—খাই আছো। ধৰ্ফৰাই মৰিব ধৰিছো দেখি যে অসমৰ ধন-সম্পদবোৰ বহিঃৰাজ্যলৈ নদীৰ সোঁতৰ দৰে বৈ গৈ আছে। খাদ্য-শস্য, মাছ-মঙহ-কণী আদি যোগানৰ নামত মধ্যভোগীয়ে মাজতে চামনি খাই আছে। কৃত্ৰিম নাটনি বা যোগান বন্ধৰ নামতো মুনাফা লভি আছে দালাল শ্ৰেণীয়ে। এনেকুৱা কামত ৰাজ্যৰ ধূৰ্ত নেতৃত্বৰো হাত থাকে। মুঠতে এটা শ্ৰেণীৰ বাবে ধন ঘটাৰ উত্তম পথ এয়াই।

আমি অসমীয়াবোৰে কিবা এটা কৰিবৰ হ'ল। আমি নিজা নিজা খৰচত কল-কাৰখানা স্থাপন কৰিব নোৱাৰিব পাৰো, কিন্তু হাঁহ-কুকুৰা-ছাগলী পোহাৰ বাবে সৰু সৰু ফাৰ্ম ঘৰতে আৰম্ভ কৰিব পাৰো। বিক্ৰীৰ কাৰণে নহ'লেও ঘৰুৱা প্ৰয়োজন পূৰণ কৰিব পৰাকৈ প্ৰায় ঘৰে ঘৰে মাছ পুহিব পাৰো। বৃহৎ আকাৰত কৰিব পাৰিলে মাছ বিক্ৰীৰ বাবে অসমত বজাৰৰ অভাৱ নাই বুলি সকলোৱে জানে। সৰ্বহাৰাৰ সৰ্বস্ব ঘূৰাই অনাৰ কাৰণে দশকৰ পাছত দশক বিপ্লৱ কৰিলে সমাজবাদী দলবোৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে পথাৰত কৃষি কাৰ্য কৰাৰ পৰিৱৰ্তে ৰাজপথতহে আন্দোলন কৰাত লাগিল। তাকে কৰি দিছপুৰ দখলৰ ভাওনা ৰচিলে। কংগ্ৰেছ-বিজেপিৰ কৃষি বিপ্লৱৰ নমুনা সকলোৱে নখ দৰ্পণত। অৰ্থাৎ ৰাজনীতিত আমি বহুত পকিলো। অৰ্থনীতিতহে অসমীয়াবোৰ কেঁচা হৈ পৰি ৰ'লো।

প্ৰকৃতিয়ে কোনো ক্ষেত্ৰতে অসমক কৃপণালি কৰা নাই। আন আন ৰাজ্যৰ তুলনাত নিঃকিন কৰিও গঢ়া নাই। আমাৰ হাততহে কৰ্ম নাই। কাম কৰাৰ ইচ্ছা বা আগ্ৰহ নাই। ভাগ্যদেৱীয়ে কৰ্মহীন নিষ্কৰ্মাৰ ঘৰত পদাৰ্পণ অৱশ্যে নকৰে; কিন্তু কঠোৰ পৰিশ্ৰমীজনক বৰমাল্য পিন্ধাবলৈ তেওঁ হোঁহকা-পিছলা নকৰে।

ফোন: ৮৮২২১৮৮৬৭৯

# জাপানী কলা ইকেবানা

**অৱলোকন**

**অহল্যা গগৈ**

**জাপান** কবিতাৰ দেশ। এই দেশৰ 'হাইকু' কবিতা সৰ্বজনবিদিত। একোটা সৰু বাংময়ী চিত্ৰয়ো তাৰ সীমাৰ ভিতৰতে অসীমৰ বতৰা দিয়ে। 'ইকেবানা' মানে ফুলসজ্জা। ইকেবানাৰ ইতিহাসত এই কলাৰ বিভিন্ন ৰীতি অনুসৰি বিভিন্ন নাম আছে; যেনে— ৰিক্কা, নাগেৰি, মৰিকনা, জিয়ুকা আদি বিবিধ কলা ৰীতিৰ উদ্ভৱ হৈছে শিল্পীসকলৰ যুগৰ প্ৰয়োজন অনুসৰি। আধুনিক কালত শিল্পীসকলে নিজৰ প্ৰতিভাৰে একোটা পুষ্পসজ্জা সৃষ্টি কৰিবলৈ স্বাধীনতা পাইছে। ইকেবানা প্ৰণেতা 'উনশ্বিন অ'হাৰা'-ই ১৯৬৯ত ভাৰতলৈ আহি মুম্বাই চহৰত স্থানীয় ফুলেৰে ইকেবানা প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিল। তেওঁ ফুলতকৈ এই দেশৰ সেউজীয়া পাতৰ ব্যৱহাৰ অধিক কৰি মুক্তভাৱে ফুলসজ্জাৰ আৰ্হি দাঙি ভাৰতীয় লোকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। প্ৰসিদ্ধ শিল্পী 'চফু টেশ্বিগাহাৰা'ৰ দ্বাৰা অন্য এটা মুক্ত ৰীতিৰ ভেটি স্থাপন কৰা হৈছিল। এই মুক্ত ৰীতিৰ শিক্ষা দিবলৈ 'চগেট্‌ছু' ইকেবানাৰ ধাৰা প্ৰৱৰ্তন কৰা হয়। বৰ্তমানে পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন সাংস্কৃতিক পটভূমিত খাপ খোৱাকৈ এই শিক্ষাৰ প্ৰচলন কৰা হৈছে। এই লেখিকায়ো 'চগেট্‌ছু' ইকেবানাৰ পদ্ধতিত শিক্ষা লভি ইকেবানাৰ চৰ্চা কৰি আহিছে আৰু লেখিকাৰ এই কলাৰ প্ৰদৰ্শনীবোৰ দূৰদৰ্শন, জি টিভি আদিত প্ৰদৰ্শিত হৈছে। তলত নিজ প্ৰতিভাৰে সৃষ্টি কৰা লেখিকাৰ এটা সজ্জা দিয়া হ'ল—



সজ্জাটোৰ নাম 'বৃষ্টিৰ কবলত'। ইয়াৰ অৰ্থ হ'ল—ওপৰত মেঘাচ্ছন্ন আকাশ, ধৰালৈ নামিছে অবিৰাম বৰষুণ। সেই বৰষুণৰ কোব সহিব নোৱাৰি এজুপি গছ হাউলি পৰিছে।

ইয়াৰ কৰ্ম-কৌশল তলত দিয়া হ'ল—

ক'লা ৰং দিয়া এডাল গছৰ শিপা ছবিত দেখুৱাৰ দৰে 'বৃষ্টিৰ কবলত'

এটা লোহাৰ Pin holder- ত এঢলীয়াকৈ গুজি দিয়া হৈছে। সজীৱ আইভি ফুলৰ এডাল লতা শিপাটোত মেৰিয়াই দিয়া হৈছে। শুকান দীঘল ঘাঁহৰ পাঁচটা আগ তলৰ পিন হল্ডাৰত ছবিত দেখুৱাৰ দৰে গুজি দিয়া হৈছে। কেইটামান সজীৱ গছৰ আগ আৰু দুটা পাক লগা গছৰ চুটি শিপা পিন হল্ডাৰটোত একেলগে গুজি সজ্জাটো সম্পূৰ্ণ কৰা হৈছে।

ফোন: ৯৯৫৪০৩৮৭০৪



# শ্ৰীডালাডা মালিগাঁৱাৰ ইতিহাসৰ পমখেদি

**চুমিন্দ্ৰ চৌধুৰী**

২০১৭ৰ জুনত পৰিয়ালসহ অৱসৰ বিনোদনৰ বাবে আমাৰ কাষৰীয়া দেশ শ্ৰীলংকা ভ্ৰমণৰ সময়ত কান্দী নামৰ এখন নগৰত উপস্থিত হৈছিলো। ১৪৬৯ খ্ৰীষ্টাব্দতে ৰজা সেনাসম্মঠা বিক্ৰম বাহুৱে চৌদিশে পাহাৰেৰে আগুৰি থকা প্ৰাকৃতিক নৈসৰ্গিক সৌন্দৰ্যৰে সুশোভিত মালভূমিত প্ৰতিষ্ঠা কৰা এই চহৰখনক শ্ৰীলংকাৰ আটাইতকৈ পবিত্ৰ ধৰ্ম স্থান বুলি গণ্য কৰা হয়। বহুতো সুন্দৰ হ্ৰদ আৰু বৌদ্ধ মন্দিৰৰ উপৰি পাৰ্বত্য চহৰখনৰ মাজ মজিয়াত থকা শ্ৰীডালডা মালিগাঁৱা নামৰ মন্দিৰটো পৃথিৱীৰ প্ৰায় সকলোবোৰ দেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু বুলিয়েই খ্যাত। এই পবিত্ৰ বৌদ্ধ মন্দিৰটোৰ আঁৰত লুকাই আছে তথ্য সম্বলিত বিশাল মননশীল ইতিহাস। মহাপ্ৰভু তথাগত (বুদ্ধদেৱ)ৰ মহাপৰিনিৰ্বাণৰ স'তে জড়িত থকা এই মন্দিৰটোৰ ইতিহাসৰ কিছু কথা আজি আপোনালোকক অৱগত কৰাব বিচাৰিম।

৪৮৩ খ্ৰীষ্টপূৰ্ব মানৰ কথা হ'ব। এদিন সন্ধিয়াৰ প্ৰাৰ্থনা সভাৰ অন্তত ইতিমধ্যে ৮০ বছৰ বয়সত ভৰি দিয়া মহাপ্ৰভু তথাগতে প্ৰিয় শিষ্য আনন্দক কৈছিল—বাচা মোৰ মহাপৰিনিৰ্বাণৰ সময় চমু চাপি আহিছে, গতিকে মই শীঘ্ৰে কুশীনাৰা (এতিয়াৰ উত্তৰ প্ৰদেশৰ কুশীনগৰ) লৈ যাব বিচাৰো। মহাপ্ৰভুৰ কথা শুনি আনন্দ শোকত বিহ্বল হৈ পৰিছিল। তেতিয়া প্ৰভু অমিতাভে এটা কোমল হাঁহিৰে উত্তৰ দিছিল, 'মহাপৰিনিৰ্বাণ মানে হ'ল পাৰ্থিৱ শৰীৰটোৰ পৰা ওলাই গৈ আত্মাৰ মোক্ষ প্ৰাপ্তি। অৰ্থাৎ যিটো অৱস্থাত আত্মাৰ বাবে লোভ, মোহ, ভয়, সংশয়, হিংসা, প্ৰেম, প্ৰতিশোধ, ৰোগ ইত্যাদিৰ কোনো অস্তিত্ব নাই। সেই বাবে এই অৱস্থাত আত্মকৰ্মফল অথবা মৃত্যুৰ পাছত পুনৰ্জন্ম ইত্যাদিবোৰ বৈষয়িক চিন্তাধাৰাৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হৈ পৰম ব্ৰহ্মত বিলীন হৈ পৰে। ইয়েই হ'ল আত্মাৰ বাবে মহাপ্ৰাপ্তি।'

অৱশেষত মহাপ্ৰভু শাক্যমুনিৰ ইচ্ছা অনুযায়ী সকলো শিষ্যই মগধৰ ৰাজধানী ৰাজাগৃহ (এতিয়াৰ ৰাজগিৰ)ৰ পৰা কুশীনাৰালৈ পদব্ৰজে গমন কৰিছিল। যাত্ৰাপথত প্ৰভু অমিতাভ শিষ্য সমন্বিতে বৈশালীৰ সমীপৰ পাৱা নামৰ এখন গাঁৱত উপস্থিত হৈছিল। সেই গাঁওখনৰ চুন্দা নামৰ এজন কমাৰ আছিল মহাত্মা বুদ্ধৰ পৰম ভক্ত। চুন্দাই সভক্তিৰে নিজৰ উৰুখা পঁজাত এসাঁজ খাই যাবলৈ আমন্ত্ৰণ জনোৱাত প্ৰভু শাক্যমুনি দলে-বলে গৈ উপস্থিত হৈছিল। প্ৰভু অমিতাভ আৰু শিষ্যগণৰ আতিথ্য সেৱাৰ বাবে সভক্তিৰে চুন্দাই গাহৰি আৰু কাঠফুলাৰে 'চুকাৰা মাড্ডৱা' নামৰ এবিধ সুস্বাদু ভোগ তৈয়াৰ কৰিছিল। ভগৱান সদায়েই ভক্তৰ দাস। চুন্দাৰ অপৰিসীম শ্ৰদ্ধা আৰু ভক্তিত অভিভূত হৈ ভগৱান বুদ্ধই পৰম আগ্ৰহেৰে সেই ভোগ গ্ৰহণ কৰিছিল। জীৱ বধ মহাপাপ বুলি বিশ্বাস কৰা প্ৰভু তথাগত আছিল নিৰামিষ ভোজী। সেই বাবেই নিজৰ অজ্ঞাতে গাহৰি মাংস আৰু কাঠফুলাৰে বনোৱা আহাৰ পেটলৈ যোৱাৰ লগে লগে প্ৰভু অসুস্থ হৈ পৰিছিল। বিষাক্ত কাঠফুলাৰে খোৱাৰ বাবে তেওঁ পেটৰ অসহ্যকৰ বিষত ছটফটাব ধৰিছিল। ততালিকে তেওঁ অৱশিষ্ট খাদ্যখিনি কাকোৱেই খাবলৈ নিদি আনন্দক মাটিত পুতি পেলাবলৈ কৈছিল। প্ৰভু বিষক্ৰিয়াত আক্ৰান্ত হোৱাত শিষ্যগণ কমাৰ চুন্দাৰ ওপৰত খঙত অগ্নিশৰ্মা হৈ পৰিছিল। বহুতো শিষ্যই এয়া প্ৰভুৰ খুলশালীয়েক ধূৰ্ত দেৱদত্তৰেই কুচক্ৰান্ত বুলিয় ভাবিছিল। পাছে প্ৰভু তথাগতে চুন্দাৰ ভক্তিৰ আঁৰত লুকাই থকা প্ৰকৃত সততা বুজি ক্ষমা কৰি দিছিল।

অসহ্য পেটৰ বিষ আৰু গ্ৰহণীত ভুগি থকা নৰীয়া গাৰেই মহাত্মা বুদ্ধই পাভাৰ পৰা কুশীনাৰালৈ পুনৰ পদব্ৰজে যাত্ৰা আৰম্ভ কৰিছিল।

শাৰীৰিক অসুস্থতাৰেই সুদীৰ্ঘ পদযাত্ৰাৰ অন্তত প্ৰভু তথাগত শিষ্য সমন্বিতে গৈ কুশীনাৰাৰ সমীপৰ হিৰণ্যৱতী নদীৰ পাৰৰ এখন শালগছৰে ভৰা কাঠনিত উপস্থিত হৈছিল। সেই দিনা আছিল ব'হাগৰ পূৰ্ণিমা তিথি। সাধাৰণতে এটা মাহত মাত্ৰ এটা অমাৱস্যা আৰু এটাই পূৰ্ণিমা হয় যদিও সেই বিশেষ দিনটো আছিল বহাগৰ দ্বিতীয়টো পূৰ্ণিমা। সেই একেটা তিথিতে প্ৰভু বুদ্ধৰ জন্ম আৰু দিব্যজ্ঞান প্ৰাপ্তি হৈছিল। শালগছৰ কাঠনিখনত উপস্থিত হৈয়েই শাৰীৰিক অসুস্থতাৰ বাবে ক্লান্ত হৈ পৰা প্ৰভু তথাগতে দুডাল যঁজা শালগছৰ তলত উত্তৰ দিশত মূৰ থৈ সিংহৰ ভংগীত খন্তেক শয়ন কৰিছিল। প্ৰভু তথাগতে পেটৰ বেদনাত চটফটাই শুবলৈ চেষ্টা কৰি থাকোতেই দুয়োডাল শালগছ অকালতে ফুলি জাতিষ্কাৰ হৈ পৰিছিল। অকস্মাত আকাশৰ পৰা প্ৰভু অমিতাভৰ শৰীৰৰ ওপৰত চন্দনৰ গুৰি আৰু পুষ্পবৃষ্টি হ'বলৈ ধৰিছিল। প্ৰভুই প্ৰিয় শিষ্য আনন্দক কৈছিল, 'মোৰ মহাপৰিনিৰ্বাণৰ সময় সমাগত কুশীনাৰাৰ ৰাজধানী কুশৱতীলৈ গৈ মোৰ পৰম ভক্ত মাল্লা ৰজাক শীঘ্ৰে মাতি আনা।'

সমগ্ৰ মাল্লা ৰাজপৰিয়াল আৰু সহস্ৰাধিক শিষ্যৰ উপস্থিতিত সেই পবিত্ৰ পূৰ্ণিমাৰ ৰাতি প্ৰভু তথাগতে পাৰ্থিৱ শৰীৰ ত্যাগ কৰি মহাপৰিনিৰ্বাণ অৱস্থালৈ ধাৱন কৰিছিল। প্ৰভুৰ মহাপ্ৰয়াণৰ পাছত সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড শোকাকুল হৈ পৰিছিল। মাল্লা ৰজাৰ তত্ত্বাৱধানত সাজি উলিওৱা এখন বিশাল চন্দনৰ চিতাত প্ৰভুৰ পাৰ্থিৱ শৰীৰটো তুলি দিয়া হৈছিল।


সৎকাৰ কৰ্মৰ সমাপ্তিৰ পাছত মহাপ্ৰভু অমিতাভৰ প্ৰধান শিষ্য্যা ক্ষেমাই ব্ৰাহ্মণ দ্ৰোণৰ তত্ত্বাৱধানত পাৰ্থিৱ শৰীৰটোৰ অৱশিষ্ট অস্থি আৰু চিতাভস্মখিনি কলিংগ, পাভা, কুশীনাৰা, বৈশালী, কপিলাবস্তু ভেঠাদীপ, আলকাপ্পা আৰু ৰামাগ্ৰাম নামৰ আঠখন ৰাজ্যৰ ৰজাৰ মাজত ভগাই দিছিল। কলিংগৰ হিন্দু ৰজা ব্ৰহ্মদত্তৰ বাদে প্ৰায়বোৰ ৰজাই প্ৰভু অমিতাভৰ অৱশিষ্ট অস্থিসমূহ নিজৰ নিজৰ ৰাজ্যত সভক্তিৰে মাটিৰ তলত পুতি মাটিৰ মৈদাম (স্তূপা) সাজি দৈনিক পূজা পাতল কৰিছিল। পৰৱৰ্তী কালত কলিংগৰ যুদ্ধৰ পাছত সম্ৰাট অশোকে বৌদ্ধ ধৰ্মত দীক্ষিত হোৱাৰ পাছত সেই স্তূপাসমূহৰ তলৰ পৰা চিতাভস্ম আৰু অস্থিসমূহ উলিয়াই নিজৰ বিশাল সাম্ৰাজ্যৰ বিভিন্ন অঞ্চলত প্ৰায় ৮০ হেজাৰ স্তূপা স্থাপন কৰিছিল বুলি প্ৰবাদ আছে। লাহে লাহে মহাপ্ৰভু শাক্যমুনিৰ সেই চিতাভস্ম আৰু অস্থি ভিয়েটনাম, চীন, মংগোল, আফগানিস্তান, ৰাছিয়া, আমেৰিকা, জাপান, বাৰ্মা, শ্যাম, লাওছ, তিব্বত আৰু ভূটান আদি দেশেও লাভ কৰিবলৈ সক্ষম হৈছিল।

চিতাভস্মৰ মাজৰ পৰা খুচৰি উলিয়াই ব্ৰাহ্মণ দ্ৰোণই হাতত তুলি দিয়া প্ৰভু তথাগতৰ বাঁওফালৰ ওপৰৰ কুকুৰ দাঁতটো কলিংগৰ হিন্দু ৰজা ব্ৰহ্মদত্তই শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰিছিল। প্ৰভুৰ অস্থি লাভ কৰিবলৈ পাই সূৰ্যবংশী ৰজা ব্ৰহ্মদত্তই সৌভাগ্য মানিছিল। সেই পবিত্ৰ অস্থি নিজৰ ৰাজধানীলৈ আনি এটা মন্দিৰ সাজি তাত নিতৌ পুৱা গধূলি ধূপ-চন্দন আৰু ঘিউ চাকি জ্বলাই পূজা সেৱা আগবঢ়াইছিল। লাহে লাহে প্ৰভু তথাগতৰ অস্থি ৰখা মন্দিৰটোৰ বাবে কলিংগৰ ৰাজধানীৰ নাম টোচালিৰ পৰা দন্তপুৰম (এতিয়াৰ পুৰী) লৈ সলনি হৈছিল। প্ৰবাদ আছে যে মহাত্মাৰ অমিতাভৰ অস্থিৰ দৈনিক পূজা সেৱাৰ বলত কলিংগৰ অৱস্থা জয়জয় ময়ময় হৈ পৰিছিল। সেই কাৰণে কলিংগ ৰাজ্য কে ধাঁবাৰো অন্য চুবুৰীয়া ৰাজ্যৰ আক্ৰমণৰো বলি হৈছিল। সকলোৰে উদ্দেশ্য আছিল মহাপ্ৰভু শাক্যমুনিৰ অস্থি ভাগ হস্তগত কৰা যদিও সফল হ'ব পৰা নাছিল।

ব্ৰহ্মদত্তৰ মৃত্যুৰ আঠশ বছৰ পাছত কলিংগৰ ৰজা গুহশিৱেও পৰম্পৰাগত নিতৌ প্ৰভু অমিতাভৰ অস্থিক পূজা সেৱা কৰিছিল। সেই সময়ৰ মগধৰ হিন্দু ৰজা পাণ্ডুৱে এবাৰ কলিংগ আক্ৰমণ কৰি প্ৰভু অমিতাভৰ অস্থি নিজৰ ৰাজধানী পাটালিপুত্ৰলৈ লৈ গৈছিল। পাছে কেইদিনমানৰ পাছতেই মহাৰাজ পাণ্ডুৱে বৌদ্ধ ধৰ্মত শৰণ লৈ প্ৰভু অমিতাভৰ অস্থি ৰজা গুহশিৱক ঘূৰাই দিছিল। ৰজা পাণ্ডুৱে প্ৰভু অমিতাভৰ অস্থি সমূলি ধ্বংস নকৰি পুনৰ কলিংগৰ ৰজা গুহশিৱক ঘূৰাই দিয়াৰ সিদ্ধান্তত ক্ষুব্ধ হৈ ক্ষীৰধৰ নামৰ এজন জনজাতীয় ৰজাই মগধৰ ওপৰত আক্ৰমণ কৰিছিল। পাছে পাণ্ডুৰ হাতত ক্ষীৰধৰৰ মৃত্যু হোৱাত জনজাতীয় ৰাজ্যখন (সম্ভৱতঃ আজিৰ উত্তৰাখণ্ড)ৰ সৈন্যই ছত্ৰভংগ দিছিল।

এই যুদ্ধৰ পাছতেই পাণ্ডুৰ ভতিজাক তথা উজ্জেয়নৰ ৰাজকুমাৰ বৌদ্ধ ধৰ্মৰ প্ৰতি অনুৰাগী দন্ত (সিদ্ধান্ত) আৰু ৰজা গুহশিৱৰ কন্যা হেম'মালাৰ সয়ম্বৰ অনুষ্ঠিত হৈছিল। পিতৃৰ মৃত্যু আৰু ৰাজকুমাৰ দন্তৰ সয়ম্বৰৰ খবৰ পাই জনজাতি ৰজা ক্ষীৰধৰৰ দুই পুত্ৰ ক্ষীৰজাংঠু আৰু ক্ষীৰবিষণা জাঙুৰ খাই উঠিছিল। পিতৃৰ হত্যাৰ প্ৰতিশোধ ল'বলৈ দুয়ো পুত্ৰই পৰাক্ৰমেৰে কলিংগ আক্ৰমণ কৰিছিল। দুয়ো বাহুবলে যুদ্ধ কৰি কলিংগ ৰাজ্য থানবান কৰি পেলাইছিল যদিও প্ৰভু অমিতাভৰ অস্থি ধ্বংস কৰা অভিলাষ পূৰণ নহ'ল। ৰণত পৰাৰ আগতেই ৰজা গুহশিৱে প্ৰভুৰ পবিত্ৰ অস্থিসহ নিজৰ কন্যা হেম'মালা আৰু ৰাজকোঁৱৰ দন্টক জনজাতি সৈন্যৰ চকুত ধূলি দি লংকাদ্বীপলৈ পলুৱাই পঠিয়াইছিল। শত্ৰুৰ হাতত ধৰা নপৰিবলৈ হেম'মালাই নিজৰ চুলিটাৰিৰ মাজত প্ৰভু তথাগতৰ অস্থি লুকুৱাই ৰাখি কলিংগৰ পৰা শ্ৰীলংকাৰ তেতিয়াৰ ৰাজধানী অনুৰাধাপুৰলৈ লৈ গৈছিল। সেই সময়ৰ লংকাদ্বীপ (আজিৰ শ্ৰীলংকা)ৰ ৰজা মহেসেনা আছিল কলিংগৰ ৰজা গুহশিৱৰ পৰম বন্ধু। পাছে দন্ত আৰু হেম'মালা গৈ পোৱাৰ আগতেই ৰজা মহেসেনাৰ মৃত্যু হৈছিল। সেইবাবে প্ৰভুৰ পবিত্ৰ অস্থি ৰজাৰ পুত্ৰ ৰাজকোঁৱৰ চিৰি মেঘৱান্নাৰ হাততেই অৰ্পণ কৰা হৈছিল। ৰজা চিৰি মেঘৱান্নাই পৰম ভক্তি আৰু আস্থাৰে প্ৰভু অমিতাভৰ সেই পবিত্ৰ অস্থি (দাঁত) টো ৰাজকাৰেঙৰ কাষৰ অভয়াগিৰি বিহাৰত প্ৰতিষ্ঠা কৰি দৈনিক পূজা সেৱা আৰম্ভ কৰিছিল। তেতিয়াৰ পৰাই লংকাদ্বীপে শান্তি আৰু সমৃদ্ধিৰ দিশে অগ্ৰসৰ হৈছিল বুলি কথিত আছে।

যোল্ল শতাব্দীত পৰ্তুগীজসকলে শ্ৰীলংকা আক্ৰমণ কৰাত সম্ৰাট বিমলা ধৰ্মচুৰীয়াই মহা প্ৰভু তথাগতৰ অস্থি এক বিশেষ স্থানত লুকুৱাই ৰাখিছিল। পৰ্তুগীজসকলক খেদি পঠিওৱাৰ পাছত ১৫৯৫ত ৰজা ধৰ্মচুৰীয়াই ৰাজধানী কান্দীত শ্ৰীডালাডা মালিগাঁৱা অৰ্থাৎ পবিত্ৰ দাঁতৰ অস্থি নামৰ মন্দিৰটো সাজি তাত অস্থিটো এপাহ সোণৰ পদুম ফুলৰ মাজত প্ৰতিষ্ঠা কৰিছিল। এই মন্দিৰত প্ৰবেশ কৰাৰ বাবে সম্পূৰ্ণ বগা ধুতি অথবা শাৰী পিন্ধিটো অনিবাৰ্য। অন্যথা মন্দিৰৰ ভিতৰত প্ৰবেশ নিষেধ। মন্দিৰৰ সিংহদ্বাৰৰ কাষতে সংলগ্ন হৈ থকা কাৰ্যালয়ত মন্দিৰৰ ভিতৰত প্ৰৱেশৰ বাবে বগা পোছাক উপলব্ধ কৰা হয়। বিনিময়ত এক ক্ষুদ্ৰ পৰিমাণৰ মূল্য পৰিশোধ কৰিব লাগে। সেই মূল্যখিনি দৰাচলতে পোছাক-পৰিচ্ছদবোৰ ধোৱাৰ বাবে খৰচ কৰা হয়। মন্দিৰ প্ৰাংগণৰ আশে-পাশে কোনো ব্যৱসায়িক প্ৰতিষ্ঠান চকুত পৰা নাছিল। মন্দিৰ প্ৰাংগণত অকণো হাই উৰুমি নাছিল। নিতৌ শ শ দৰ্শনাৰ্থীয়ে নীৰৱে নিয়মানুবৰ্তিতা মানি শাৰী পাতি মন্দিৰ দৰ্শন কৰে। দেশী-বিদেশী পৰ্যটকৰ অন্যতম আকৰ্ষণ প্ৰসিদ্ধ শ্ৰীডালাডা মালিগাঁৱা মন্দিৰ দৰ্শনৰ বাবে কোনো মাচুল নালাগে। প্ৰভু তথাগতৰ পবিত্ৰ অস্থিভাগ দৰ্শনাৰ্থীসকলে ওচৰৰ পৰা প্ৰত্যক্ষ কৰিব পৰাকৈ ব্যৱস্থা কৰা হৈছে। সমাজৰ সকলো শ্ৰেণীৰ লোকে তাতে সহজে প্ৰভুৰ অস্থি দৰ্শন কৰিব পাৰে তাৰ কাৰণে মন্দিৰ কৰ্তৃপক্ষ অতি তৎপৰ বুলি বুজিব পাৰিছিলো। মন্দিৰটোৰ ঘাই মণিকূটটোৰ উপৰি চোতাল, বাৰাণ্ডা, জিৰণি ঘৰৰ দেৱাল আৰু মজিয়া ইমানেই পৰিষ্কাৰ আছিল যে ফু মাৰি ভাত খাব পাৰি। মন্দিৰত সোমায়েই স্বচ্ছতাৰ মাজতেই ভগৱান বিৰাজমান বুলি অনুভৱ কৰিছিলো। তেতিয়াই মোৰ দেশ তথা ৰাজ্যখনৰ বহুতো পবিত্ৰ ধৰ্ম স্থানসমূহৰ শোচনীয় অপৰিষ্কাৰ পৰিৱেশ আৰু কিছুমান ঈশ্বৰৰ দালাললৈ মনত পৰাত মনটো কোচ খাই গৈছিল।



অৱশেষত পিতৃ-মাতৃৰ আশীৰ্বাদ আৰু নিজৰ সৌভাগ্যৰ বলত মহাপ্ৰভু অমিতাভৰ কিম্বদন্তিত অস্থিভাগ দৰ্শন কৰি কৃতাৰ্থ হৈছিলো। অস্থিভাগৰ বিমল দৰ্শনৰ পাছত মনটো সচাঁকৈ কিবা বুজাব নোৱাৰা স্বৰ্গীয় অনুভুতিৰে উদ্ভাসিত হৈ পৰিছিল। প্ৰভুৰ অস্থিভাগ দৰ্শনৰ পাছত মন্দিৰৰ পৰা উভতি আহিবলৈ মন যোৱা নাছিল। মৃদুভাৱে মন্দিৰত গুঞ্জিত হৈ থকা মহাপ্ৰভুৰ মহামন্ত্ৰ

'বুদ্ধং শৰণং গচ্ছামি।

সংঘম শৰণং গচ্ছামি।।'ৰ ধ্বনিৰ মাজত নিজকে যেন হেৰুৱাই পেলাইছিলো।

সাধাৰণ মানুহ এজনৰ দাঁততকৈ আকাৰত চাৰিগুণ ডাঙৰ দাঁতটোৰ বিষয়ে সোধাত এজন লামাই মোক এই মন্দিৰটোৰ ইতিহাসৰ বিষয়ে আতিগুৰি মাৰি কৈছিল যে মহাপ্ৰভুৰ পবিত্ৰ অস্থিটোৰ এক বিশেষ অলৌকিকতা আছে। এই অস্থিৰ কোনো ক্ষয় অথবা লয় হ'ব নোৱাৰে। যুগৰ পাছত যুগ এই অস্থিৰ আকাৰ বাঢ়ি গৈ থাকিব।

অৱশেষত কিছু বুজাব নোৱাৰা স্বৰ্গীয় অনুভূতি লৈ সেইদিনা কান্দীৰ প্ৰসিদ্ধ শ্ৰীডালাডা মালিগাঁৱা মন্দিৰৰ পৰা উভতি আহিছিলো।

ফোন: ৭৮৯৬০৪৭০০৫



# গুৱাহাটী-হাজো-নলবাৰীৰ বিধ্বস্ত পথ নিৰ্মাণৰ দাবী কংগ্ৰেছৰ

**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** ৰাজ্যৰ অতি গুৰুত্বপূৰ্ণ গুৱাহাটী-হাজো-নলবাৰী পথটোৱে বিধ্বস্তৰূপত যাত্ৰীক যমৰ যাতনা ভোগাইছে। নলবাৰী আৰু বৰপেটাৰ লগতে নামনি অসমৰ অন্যান্য জিলাৰ পৰাও দৈনিক হেজাৰ হেজাৰ যানবাহন চলাচল কৰা অতি গুৰুত্বপূৰ্ণ পথটোৰ এটা গুৰুত্বপূৰ্ণ অঞ্চল অতিকৈ বিধ্বস্ত হৈ পৰিছে। বিশেষকৈ হাজো সমষ্টিৰ চেঁচামুখ দলঙৰ পৰা হাজো-পাখামেলা হৈ কলিতাকুছি চ'কৰ পৰা বুল্লুত-চমৰীয়ালৈকে যাতায়াতৰ একেবাৰে অনুপযোগী হৈ পৰিছে। সেয়েহে এই পথছোৱা শীঘ্ৰে মেৰামতিৰ দাবীত আজি প্ৰদেশ কংগ্ৰেছে অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰ গ্ৰহণ কৰি বিষয়াজনে শীঘ্ৰে পথছোৱাৰ মেৰামতি কাম আৰম্ভ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

# নিৰ্মাণৰ পাছতেই ভাঙি পৰিল কালভাৰ্ট

*তিনি পৃষ্ঠাৰ পৰা* ভৰ্তি কৰায়। ইপিনে, দীঘলিন ধৰি বিধ্বস্ত হৈ পৰা পকী পথটোৰ লগতে ভাঙি যোৱা কালভাৰ্টটো মেৰামতিৰ ব্যৱস্থা নকৰাত স্থানীয় একাংশ লোকে আজি প্ৰতিবাদ সাব্যস্ত কৰে। লোক নিৰ্মাণ বিভাগৰ লগতে সংশ্লিষ্ট ঠিকাদাৰৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰে স্থানীয় লোকসকলে। পথছোৱাৰ লগতে পকী কালভাৰ্টটো শীঘ্ৰে মেৰামতি কৰিবলৈও দাবী জনাইছে ৰাইজে।

# ডিমৰীয়াত উদ্বেগজনকভাৱে বৃদ্ধি

*তিনি পৃষ্ঠাৰ পৰা* গুৰুত্ব আৰোপ কৰিছে। আনহাতে, কালি সোণাপুৰ জিলা চিকিৎসালয়লৈ চিকিৎসাৰ বাবে অহা ২৫ জন লোকৰ শৰীৰত ক'ভিড উপস্থিতি ধৰা পৰিছিল। ইফালে ক্ষেত্ৰীৰ ৩০ বিছনাযুক্ত চিকিৎসালয়ৰ দুগৰাকী চিকিৎসক, তিনিগৰাকী জি এন এম আৰু এগৰাকী ফাৰ্মাচিষ্টৰ দেহত ক'ভিড পজিটিভৰ উপস্থিতি ধৰা পৰাত মহানগৰ জিলা প্ৰশাসনে আজি চিকিৎসালয়খনক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰে। তদুপৰি আগন্তুক সময়ত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱাৰ সম্ভাৱনা থকা বুলি স্বাস্থ্য বিভাগৰ এক সূত্ৰত প্ৰকাশ। সেয়ে ক'ভিড স্বাস্থ্য বিধি সম্পূৰ্ণভাৱে মানি চলিবলৈ প্ৰশাসনে ৰাইজক আহ্বান জনাইছে।

# অসম আন্দোলনৰ সক্ৰিয় কৰ্মী মৃণালিনী

*তিনি পৃষ্ঠাৰ পৰা* বিভিন্ন সা-সুবিধা আগবঢ়াব বিচাৰিছিল যদিও তেওঁ কোনো ৰাজ সাহায্য গ্ৰহণ কৰা নাছিল তথা সকলো পোনছাটেই প্ৰত্যাখ্যান কৰিছিল। নিৰ্যাতিতাৰ তালিকাত পৰিয়ালৰ কাকো চৰকাৰী চাকৰি নালাগে বুলি তেওঁ স্পষ্ট কৰি দিছিল। ৬০ৰ দশকত তেওঁ কবিতা আৰু গল্প লিখিবলৈ আৰম্ভ কৰিছিল আৰু ইতিমধ্যে সেই সময়ত বিভিন্ন কাকত-আলোচনাত প্ৰকাশ পাইছিল। তেওঁ মাকুম মহিলা সমিতিৰ প্ৰতিষ্ঠাপক উপ-সভানেত্ৰী আছিল। বৰুৱাই মৃত্যুৰ সময়ত চাৰি পুত্ৰ, বোৱাৰী, দুই কন্যাসহ নাতি-নাতিনীক ইহ সংসাৰত এৰি গৈছে। তেওঁৰ মৃত্যুত মাকুমত শোকৰ ছাঁ পৰিছে।

# বৰহোলাৰ বচা গাঁৱত বিজেপি-কংগ্ৰেছ

*তিনি পৃষ্ঠাৰ পৰা* হয় এক হুলস্থূলীয়া পৰিৱেশ। নিৰ্বাচনী প্ৰচাৰ সামৰাৰ সময় চাৰি বাজি পাৰ হোৱাৰ পাছতো একাংশ কংগ্ৰেছ কৰ্মীয়ে এখন গাড়ীত বহি মাইকত চিঞৰি চিঞৰি অব্যাহত ৰাখিছিল প্ৰচাৰ কাৰ্য। সেয়ে বচাগাঁৱৰ একাংশ বিজেপি কৰ্মী ক্ষুব্ধ হৈ পৰে। যাৰ বাবে প্ৰচাৰ চলাই আহি থকা কংগ্ৰেছ কৰ্মীসকলৰ গাড়ীখন আগভেটি ধৰে। ক্ষুব্ধ বিজেপি কৰ্মীসকলে কংগ্ৰেছী দলটোক নিৰ্বাচনী বিধি ভংগ নকৰিবলৈ দাবী জনায়। ইয়াৰ পৰিপ্ৰেক্ষিতত দুয়োপক্ষৰ মাজত কিছু সময়ৰ বাবে তীব্ৰ বাক্-বিতণ্ডাৰে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিজেপি কৰ্মীসকলৰ তীব্ৰ প্ৰতিবাদত প্ৰচাৰ কাৰ্য বন্ধ কৰি অহা বাটে উভতি যাব লগা হয় কংগ্ৰেছ কৰ্মীসকল। উল্লেখ্য যে নিৰ্বাচনী বিধি ভংগ কৰা কংগ্ৰেছৰ এই কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে বিজেপি কৰ্মীসকলে। এই ক্ষেত্ৰত প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ লগতে নিৰ্বাচনী আয়োগৰ হস্তক্ষেপ দাবী কৰিছে বিজেপি কৰ্মীসকলে।

# ব্ৰহ্মপুত্ৰ সুৰক্ষা বান্ধলৈ দিবাং নৈৰ

*তিনি পৃষ্ঠাৰ পৰা* এখন পত্ৰ প্ৰেৰণ কৰি বাৰিষাৰ পূৰ্বেই সম্পূৰ্ণ হোৱাকৈ উক্ত স্থানত বান্ধ প্ৰতিৰোধৰ ব্যৱস্থা কৰাবলৈ অনুৰোধ জনাইছে। মঞ্চৰ দলটোৱে উক্ত স্থানত জিঅ' বেগেৰে পাৰ বান্ধি কিছু সংখ্যক কংক্ৰিটৰ স্পাৰ বন্ধাৰ কামত অগ্ৰাধিকাৰ দিয়াৰো পোষকতা কৰিছে। ইতিমধ্যে জলসম্পদ বিভাগে এছডিআৰএফ শিতানত তিনিখন আঁচনি তৈয়াৰ কৰি অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ কথা মঞ্চই সদৰী কৰিছে। সেই আঁচনিকেইখন পলম নোহোৱাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও মঞ্চই মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰাৰ কথা পত্ৰত উল্লেখ কৰিছে। উল্লেখ্য যে উক্ত স্থানত সুৰক্ষা বান্ধটো ছিঙি গ'লে বহু সংখ্যক গাঁও জলমগ্ন হৈ হেজাৰ হেজাৰ লোক ক্ষতিগ্ৰস্ত হোৱাটো নিশ্চিত হৈ পৰিছে। দলটোত হাতীঘুলি বান-খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ বিষয়ববীয়াসকলেও অংশগ্ৰহণ কৰিছিল।

# দৈয়াঙৰ তিনি সমষ্টি উদ্ধাৰৰ বাবে

*তিনি পৃষ্ঠাৰ পৰা* হ'ব লগা ঠেঙাল কছাৰী পৰিষদীয় নিৰ্বাচনত পদুম ফুলৰ ছবিত ভোট দি জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়। সভাত উপস্থিত আন আন মন্ত্ৰী-বিধায়ক তথা শাসক মিত্ৰজোঁটৰ নেতাসকলেও কংগ্ৰেছৰ অপশাসন আৰু বিজেপি চৰকাৰৰ দিনত হোৱা ৰাজ্যৰ প্ৰগতি আৰু জনহিতকৰ আঁচনি ৰূপায়ণৰ খতিয়ান দাঙি ধৰে। প্ৰকৃতাৰ্থত চাউদাং পথাৰ পৰিষদীয় সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থী ছায়া ঠেঙালে শক্তিশালী স্থিতি গ্ৰহণ কৰাত শাসক বিজেপি মিত্ৰজোঁট পৰাজয়ৰ আশংকাত এনেদৰে দিছপুৰৰ নামী-দামী মন্ত্ৰী-বিধায়ক আহি নিৰ্বাচনী প্ৰচাৰ চলাবলগীয়া হৈছে। ইতিমধ্যে মন্ত্ৰী অজন্তা নেওগ, অগপ সভাপতি অতুল বৰা, কেশৱ মহন্ত আদিয়ে সমষ্টিকেইটাত ঘনাই ঘনাই নিৰ্বাচনী প্ৰচাৰ চলাই ভোটাৰৰ মন আকৰ্ষিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

# অহা বছৰৰ পৰা ৰবি শস্যও ক্ৰয় কৰিব

*তিনি পৃষ্ঠাৰ পৰা* দাসে বজালীৰ টিহু দেখাটা পঞ্চায়তৰ অন্তৰ্গত দক্ষিণ বজালী বালিকা বিদ্যালয়ত অনুষ্ঠিত বিশেষ গাঁওসভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰীজনে কয় যে মধ্যভোগী দালালক নোহোৱা কৰি কৃষকক উপকৃত কৰাৰ এই পদক্ষেপ সফল হ'লে অহা বছৰৰ পৰা কৃষকৰ উৎপাদিত ৰবি শস্য চৰকাৰে কিনিব। টিহু দেখাটা গাঁও পঞ্চায়তৰ সভাপতি মিনতি দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত কৃষি বিপণন পৰিষদৰ প্ৰবীণ ডেকাই কৃষকসকলে ধান কেনেদৰে বিক্ৰী কৰিব সেই বিষয়ে বহলাই ব্যাখ্যা কৰে। সভাত বজালী জিলাৰ অতিৰিক্ত উপায়ুক্ত মনোজ্যোতি কুটুম, চাজন ডেকা, মনোজ ডেকা, ৰঞ্জিত শালৈ, খাপেদ হুছেইন, কনক কলিতা, চন্দ্ৰকান্ত ৰয় প্ৰমুখ্যে উপস্থিত থাকে। ইয়াৰ পূৰ্বে মন্ত্ৰী দাসে বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰে। বজালী জিলাৰ খাৰাধৰাতো বিশেষ গাঁওসভা বজালী জিলা প্ৰশাসনৰ উদ্যোগতে অনুষ্ঠিত হয়। খাৰাধৰা আঞ্চলিক উন্নয়ন সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত এই গাঁওসভাত অঞ্চলটোৰ কৃষকসকলৰ লগতে ১২৭নম্বৰ মৰিপুৰ আনন্দপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী লভিতা তালুকদাৰ, বজালী জৈৱিক কৃষি সমিতিৰ সভাপতি মহেন্দ্ৰ দাস, নৱগঠিত বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰী আৰু কৃষি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# তিতাবৰত শতায়ু গৰকা মহিলা সৰু বাঘ

*তিনি পৃষ্ঠাৰ পৰা* ৰাজহুৱা খেলপথাৰত উদ্‌যাপন কৰা জন্মদিনত তেওঁ ১২জন নাতি জোঁৱাই, আত্মীয়-স্বজন তথা বাঘৰ চুকবাসীৰ সহযোগত পুৰা গৃহৰ পৰা মহিলাগৰাকীক ৰাজহুৱা নামঘৰলৈ গায়ন-বায়নেৰে আদৰি নিয়া হয়। ইয়াৰ পাছতেই নামঘৰত ৰাইজৰ আশিস লৈ চৌহদত এটি নিম পুলি ৰোপণেৰে দিনজোৰা কাৰ্যসূচী মুকলি কৰে সৰু বাঘ বৰাই। ইয়াৰ পাছতেই মুকলি আকাশৰ তলত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি নিজৰেই জন্মদিনৰ কেক কাটে সৰু বাঘ বৰাই। উপস্থিত বিশিষ্ট ব্যক্তিসকলক উদ্যোক্তাসকলে আদৰণি জনোৱাৰ পাছতেই শিল্পী তৰুণ শইকীয়া, দীপক বৰুৱাৰ নেতৃত্বত গৰীমা দত্ত, অনন্যা শইকীয়া সংগীবৃন্দৰ বৰগীত পৰিৱেশনেৰে আৰম্ভ কৰা অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে বয়োজ্যেষ্ঠ ব্যক্তি ভোলা শৰ্মাই। অনুষ্ঠানত ক্ৰমে শিক্ষাবিদ যোগেন দত্ত, ধৰ্মপ্ৰাণ ব্যক্তি প্ৰদীপ কুৰ্মী, প্ৰধান শিক্ষক পল্লৱ গগৈ, অধ্যাপক ড° প্ৰাঞ্জল বৰা, অভিযন্তা দীপক কোঁৱৰ, প্ৰদীপ গগৈ, অধ্যাপক পৰেশ বৰা, যোৰহাট নিম পুলি সংস্থাৰ সমন্বয়কদ্বয় লক্ষ্য চাং গগৈ, লখিমী কবি থানেশ্বৰ বৰা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তিয়ে অংশ লৈ শতায়ু গৰকা মাতৃগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ ৰাইজক আহ্বান জনায়। নাতি জোঁৱাই দিলীপ বৰাই আঁত ধৰা অনুষ্ঠানত জ্যেষ্ঠ পুত্ৰ লোকেশ্বৰ বাঘ বৰা, অনিল বাঘ বৰা, ইন্দ্ৰ বাঘ বৰা, নাতি জোঁৱাই অশোক শইকীয়া, দীপক শইকীয়া, দীগেন বৰা, নীল বৰা, বুধেশ্বৰ শইকীয়া, ত্ৰিশূল শইকীয়া, মৃদুল সোণোৱাল, প্ৰাঞ্জল শইকীয়া, ৰাজু পানীকা প্ৰমুখ্যে দুই শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। নিজৰ মন্তব্যত সৰু বাঘ বৰাই বাৰীৰ শাক-পাচলি, বন শাক তথা থলুৱা খাদ্য দীৰ্ঘ নিৰোগী জীৱনৰ ৰহস্য বুলি কয়।

# বোকাজান বিলাতী মাটি কাৰখানাৰ

*তিনি পৃষ্ঠাৰ পৰা* চিমেণ্ট নিগম ৰুগ্ন হৈ পৰাৰ সময়তো এককভাৱে উৎপাদন কৰি লাভৰ মুখ দেখি আহিছে। কিন্তু এই লাভজনক উদ্যোগটো সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনীহা তথা ভাৰতীয় চিমেণ্ট নিগমৰ উদাসীনতাত সম্প্ৰতি মৃত্যুৰ দুৱাৰডলিত। ইয়াৰ আন এটা মূল কাৰণ হ'ল কাৰখানাটোৰ আওপুৰণি হৈ পৰা যন্ত্ৰপাতিসমূহ। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ৰাজহুৱা খণ্ডৰ চিমেণ্ট উদ্যোগ বোকাজান বিলাতী মাটি কাৰখানাৰ আধুনিকীকৰণ আৰু বন্ধ হৈ থকা সম্প্ৰসাৰণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ কৰাৰ লগতে বৃহত্তৰ অঞ্চলটোত কাৰখানাটোৱে সৃষ্টি কৰা ব্যাপক প্ৰদূষণৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বোকাজান আঞ্চলিক ছাত্ৰ সন্থাই আজি বোকাজান মহকুমাৰ জৰিয়তে ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। বোকাজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে অৰিন্দম মহন্ত আৰু দেবাশিষ দাস স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰা অনুসৰি, ১৯৭১তে স্থাপন হোৱা উত্তৰ-পূৰ্বৰ ৰাজহুৱা খণ্ডৰ একমাত্ৰ বিলাতী মাটিৰ কাৰখানাটোৱে চিমেণ্টে বৃহৎ বজাৰ দখল কৰি লাভজনক উদ্যোগৰূপে চিহ্নিত হোৱাৰ সময়তে কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতাৰ বাবে উদ্যোগটোৱে সম্প্ৰতি ধ্বংসৰ মুখলৈ গতি কৰিছে। ২০০৬তে ম্যাদ উকলি যোৱা কাৰখানাৰ ব্যৱহৃত সা-সৰঞ্জামেৰে বৰ্তমান বজাৰত ফেৰ মাৰিব পৰাকৈ উৎপাদন প্ৰক্ৰিয়া অব্যাহত ৰাখিব নোৱাৰাৰ লগতে বাণিজ্যিক ক্ষেত্ৰখনত কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰ বাবে সময়ে সময়ে কাৰখানাটোত অচলাৱস্থাই দেখা দি আহিছে। বৰ্তমান ৬০০ মেট্ৰিকটন উৎপাদন ক্ষমতা থকা পুৰণি কাৰখানাটো ১২০০ মেট্ৰিকটন উৎপাদনক্ষম হোৱাকৈ ২০১০ত সম্প্ৰসাৰণৰ কাম আৰম্ভ হৈছিল যদিও প্ৰায় ৩০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ পাছতে অজ্ঞাত কাৰণত সম্প্ৰসাৰণৰ কাম বন্ধ হৈ পৰে। আনহাতে, পুৰণি কাৰাখানাটোৰ পৰা নিৰ্গত হোৱা ধূলিৰ ফলত বোকাজানবাসী ৰাইজ সীমাহীন সমস্যাৰ সম্মুখীন হৈ আহিছে। সেয়েহে শীঘ্ৰে কাৰখানাটোৰ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ কৰি পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ বাবে স্মাৰকপত্ৰযোগে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীক দাবী জনায় সংগঠনটোৱে।

# নাৰায়ণপুৰত আৰক্ষীৰ বিৰুদ্ধে জনজাতীয় ৰাইজৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ১৮ জানুৱাৰী ঃ** নাৰায়ণপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পুষ্প কমল বৰুৱাৰ বিৰুদ্ধে নাৰায়ণপুৰ আৰক্ষী থানাৰ সন্মুখত আজি দুপৰীয়া জনজাতীয় ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। যোৱা তিনি জানুৱাৰীত এগৰাকী দেউৰী ছাত্ৰক মাধৱদেৱ বিশ্ববিদ্যালয়ৰ সমীপত আৰক্ষী বিষয়াজনে প্ৰহাৰ কৰাৰ অভিযোগতে এই প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদকাৰীসকলে। উল্লেখ্য যে বিহপুৰীয়াৰ বিধায়ক অমিয় ভূএগাৰ লগত কিছুদিন পূৰ্বে সংঘাতৰ সূত্ৰপাত হৈছিল ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ। সম্প্ৰতি আৰক্ষী বিষয়াজনক আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ তলব কৰা বুলি বিভিন্ন সূত্ৰই সদৰী কৰিছে। আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবীতে জনজাতীয় ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে।



# ঘগ্ৰাপাৰতো সহযোগ নিধিৰ আৰম্ভণি

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ জানুৱাৰী ঃ** বড়িগোগ বনভাগ মণ্ডলত আজিৰে পৰা আৰম্ভ হোৱা 'সহযোগ নিধি'ৰ মণ্ডল সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই ১০ হেজাৰ টকা অনুদান আগবঢ়াই আৰম্ভ কৰে। ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত 'সহযোগ নিধি'ৰ মুকলি অনুষ্ঠানত ১৪ নম্বৰ পঞ্চায়তৰ প্ৰভাৰী তথা মণ্ডল বিজেপিৰ কোষাধ্যক্ষ জয়ন্ত তালুকদাৰ, সহযোগ নিধিৰ মণ্ডল পৰিদৰ্শন সমিতিৰ আহ্বায়ক বিজয় বৰ্মন, নলবাৰী যুৱ মৰ্চাৰ উপ-সভাপতি সুৰেশ কলিতা, সামাজিক মাধ্যমৰ তত্বাৱধায়ক বিশ্বজ্যোতি কলিতাৰ লগতে দলীয় কাৰ্যকৰ্তাসকল উপস্থিত থাকে। অনুষ্ঠানত মণ্ডল সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই দলীয় আস্থাৰ প্ৰতীক 'সহযোগ নিধি'ৰ সফল ৰূপায়ণে বিজেপিৰ প্ৰতি জনগণৰ আস্থা-বিশ্বাসৰ পৰিচায়ক বুলি মন্তব্য কৰে।

# ধিং জ্যেষ্ঠ নাগৰিক সন্থাৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১৮ জানুৱাৰী ঃ** ধিং জ্যেষ্ঠ নাগৰিক সন্থাৰ বাৰ্ষিক অধিবেশন অহা ২৩ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে সন্থাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি পুৱা সন্থাৰ পতাকা উত্তোলন কৰিব সভাপতি অমল বৰাই। স্মৃতি তৰ্পণ কৰিব কাৰ্যবাহী সভাপতি পুতুল শৰ্মাই। কাৰ্যনিৰ্বাহক সভাৰ পাছত সাধাৰণ সভা উদ্বোধন কৰিব প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকাই। এই অনুষ্ঠানতে কে'বাজনো লোকক সম্বৰ্ধনা জনোৱা হ'ব।

# ডবকাৰ নিখাৰীমুখ মাদ্ৰাছাত 'সমাজ গঠনত মাদ্ৰাছা শিক্ষাৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৮ জানুৱাৰী ঃ** ১৯৩১ত স্থাপিত ডবকাৰ সমীপৰ নিখাৰীমুখ মাদ্ৰাছাত আজি এক আলোচনা চক্ৰৰ আয়োজন কৰা হয়। মাদ্ৰাছা পৰিচালনা সমিতিৰ সভাপতি মেহবুব চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত বহুকেইগৰাকী আলোচকে অংশ লৈ মাদ্ৰাছা শিক্ষা সম্পৰ্কীয় বিষয়ত নিজৰ বক্তব্য উপস্থাপন কৰে। দিনৰ এক বজাৰ পৰা আৰম্ভ হোৱা আলোচনা চক্ৰখনৰ স'তে সংগতি ৰাখি তিনিগৰাকী পৱিত্ৰ কুৰআনৰ হাফিজ ছাত্ৰক সন্মানীয় পাগুৰি পিন্ধাই সন্মান জনোৱা হয়। এই সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট ইছলামিক পণ্ডিত তথা হোজাই জিলা জমিয়তৰ সভাপতি মুফতি মহাম্মদ আলী, বিশিষ্ট আলিম শ্বেখ আকিল আলী, ডবকা হাজী আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° হাছিনুচ চুলতান, মাদ্ৰাছাখনৰ প্ৰাক্তন সাধাৰণ সম্পাদক মইন উদ্দিন লস্কৰ, সাংবাদিক জমিৰ উদ্দিন তালুকদাৰৰ লগতে সম্পাদক ইলিয়াছ আলীসহ অন্যান্য বহু কেইগৰাকী শিক্ষাবিদ আৰু সমাজসেৱক। আলোচনাচক্ৰত অংশ লৈ অধ্যাপক ড° হাছিনুচ চুলতানে কয় যে মাদ্ৰাছা শিক্ষাত আধুনিক শিক্ষাৰ সংমিশ্ৰণ সময়ৰ দাবী। মাদ্ৰাছা শিক্ষিতসকলে সমাজৰ সকলো দিশত একেলগে আগবাঢ়ি যাবলৈ হ'লে আধুনিক শিক্ষাৰ প্ৰয়োজন বুলি উল্লেখ কৰে। সাংবাদিক জমিৰউদ্দিন তালুকদাৰে নিজৰ বক্তব্যত কয় যে কৌমি মাদ্ৰাছাৰ পাঠ্যক্ৰমত আধুনিক শিক্ষাৰ সংযোজন কৰা জৰুৰী। কলমৰ সমানে কম্পিউটাৰৰ কি-ব'ৰ্ডতো মাদ্ৰাছা শিক্ষিতসকলৰ দখল থকা জৰুৰী বুলি সাংবাদিকজনে উল্লেখ কৰে। সভাখনত উদালী কলেজৰ অধ্যক্ষ নুৰুল ইছলাম লস্কৰে শিক্ষাৰ বিভিন্ন দিশ সামৰি বক্তব্য দাঙি ধৰে। মাদ্ৰাছা শিক্ষিতসকলে সমাজখনলৈ আগবঢ়োৱা অৰিহণাৰ কথাও সকলো বক্তাই উল্লেখ কৰে। সভাত স্থানীয় বহু বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

# গাঁওপ্ৰধান চিত্ৰৰাম কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**



**বাহাৰঘাট, ১৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ কএগা ৰাজহ চক্ৰৰ অন্তৰ্গত পালেপাৰা আৰু বালাযুগতলী গাঁৱৰ গাঁওপ্ৰধান চিত্ৰৰাম কলিতা (৬৪)ৰ আজি পুৱা মৃত্যু হয়। প্ৰয়াত ললিত কলিতা আৰু আদেৰি কলিতাৰ কনিষ্ঠ পুত্ৰ গাঁওপ্ৰধান কলিতা বিগত কিছুদিন ধৰি যকৃত ৰোগত আক্ৰান্ত হৈ আছিল। কালি হঠাতে অসুস্থ হৈ পৰিছিল গাঁওবুঢ়াজনে। ১৯৫৮ৰ ১৫ আগষ্টত জন্মলাভ কৰা কলিতাই অতি কম বয়সতে গাঁওপ্ৰধানৰ দায়িত্ব পালনৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। পত্নীসহ তিনি কন্যাৰ লগতে বহু আত্মীয়-স্বজনক এৰি যোৱা গাঁওপ্ৰধানজনে কিছুদিন পূৰ্বে চেন্নাইলৈ যোৱাৰ কথা আছিল যদিও যোৱাৰ আগ নিশা উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ ষ্ট্ৰ'ক হোৱাত বৰ্তমানলৈকে শয্যাশায়ী হৈ আছিল। যাৰ বাবে চেন্নাইলৈ যোৱা নহ'ল কলিতাৰ। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। লগতে বিভিন্নজনে শোক প্ৰকাশ কৰে।

# বজালীত দুদিনতে ক'ভিডত আক্ৰান্ত ২১৩

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১৮ জানুৱাৰী ঃ** ৰাজ্যৰ আন প্ৰান্তৰ লগতে বজালী জিলাতো অব্যাহত আছে ক'ভিডৰ সংক্ৰমণ। কালি জিলাখনত ১২১জন লোকৰ দেহত ক'ভিডৰ সংক্ৰমণ ধৰা পৰাৰ পাছতে আজি পুনৰ ৯২জন লোক আক্ৰান্ত হয়। জিলাখনৰ নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি ৫৫জন, ভৱানীপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৩০জন আৰু পাঠশালা মেটাৰনিটি হাস্পতালত সাতজন লোকৰ দেহত সংক্ৰমণ ধৰা পৰে। জিলাখনত দুদিনৰ ভিতৰতে আক্ৰান্তৰ সংখ্যা ২১৩ হৈছে।

# অৱসৰপ্ৰাপ্ত কৃষি বিষয়া ৰফিকুল হুছেইনৰ মৃত্যু



**বৰপেটা, ১৮ জানুৱাৰী ঃ** বৰপেটা জিলাৰ উত্তৰ বৰপেটাৰ আজাদ নগৰ নিবাসী অৱসৰপ্ৰাপ্ত কৃষি বিষয়া ৰফিকুল হুছেইনৰ যোৱা নিশা পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৭ বছৰ। এজন সৎ আৰু নিষ্ঠাবান কৃষি বিষয়াৰূপে সুনাম থকা প্ৰয়াত হুছেইনে বৰপেটা খাদেমুল ইছলাম সমাজৰ উপ-সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ পত্নীসহ এজন পুত্ৰ, দুই জীয়ৰী আৰু বোৱাৰীৰ লগতে অনেক গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। হুছেইনৰ জানাজা আজি বৰপেটা ঈদগাহ ময়দানত সম্পন্ন কৰা হয়।

# ওদালগুৰিত এদিনতে ১৩৬জন পজিটিভ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৮ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌৱে ৰাজ্যখনক চুই যোৱাৰ সময়তে ওদালগুৰি জিলাত অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে সংক্ৰমণ। আজিৰ দিনটোতে জিলাখনত ১৩৬জন ক'ভিড-১৯ ৰোগী চিনাক্ত হয়। আজি জিলাখনত ১৪৭০জনৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰ ভিতৰত ৯.২৫ শতাংশ লোক আক্ৰান্ত হয়। উল্লেখ্য যে ওদালগুৰিত শনিবাৰে ৪৯জন, দেওবাৰে ১৮জন ক'ভিড পজিটিভ চিনাক্ত হৈছিল। ইয়াৰ বিপৰীতে কালি আক্ৰান্তৰ সংখ্যা ৯৯জনলৈ বৃদ্ধি পাইছিল। আজি আক্ৰান্তৰ সংখ্যা শতাধিক হোৱাত স্বাভাৱিকতে আতংকৰ সৃষ্টি হৈছে। ক'ভিডৰ তৃতীয় ঢৌত জিলাখনত এই পৰ্যন্ত ৩৯৭জন আক্ৰান্ত হৈছে। সম্প্ৰতি সক্ৰিয় ৰোগী আছে ৩২৮জন। ইয়াৰে আঠজন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

# নগাঁৱত ক'ভিড পজিটিভৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি

## ■ এদিনত চিনাক্ত ২৮৬জন ক'ভিড পজিটিভ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জানুৱাৰী ঃ** নগাঁও জিলাত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত লোকৰ সংখ্যা। আজিৰ দিনতে জিলাখনত মুঠ ২৮৬জন লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা হৈছে। এই তথ্য সদৰী কৰিছে নগাঁও জিলা স্বাস্থ্য বিভাগে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, আজিৰ দিনটোত জিলাখনত ২০৮৬জন লোকৰ ৰেপিড এন্টিজেন আৰু ৪০জন লোকৰ আৰটিপিচিআৰ পৰীক্ষা কৰোৱা হৈছিল। ইয়াৰে ৰেপিড এন্টিজেন পৰীক্ষাত ২৮০জন আৰু আৰটিপিচিআৰ পৰীক্ষাত ছজন লোকৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে। জিলাখনত ক'ভিড পৰীক্ষাৰ হাৰ বৃদ্ধি কৰিলে ক'ভিডত আক্ৰান্ত লোকৰ সংখ্যা আৰু অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। শেহতীয়াকৈ জিলাখনত ক'ভিডত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত উদ্বিগ্ন হৈ পৰিছে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগ। উল্লেখ্য যে কালিও জিলাখনত ২২৮জন পজিটিভ চিনাক্ত কৰা হৈছিল। অথচ ইয়াৰ পাছতো জিলাখনৰ প্ৰায় ৯০ শতাংশ লোকেই ব্যাপক হাৰত ক'ভিড বিধি উলংঘা কৰি এনে এক পৰিৱেশৰ সৃষ্টি কৰিছে যেন জিলাখনৰ পৰা ক'ভিড নাইকিয়া হৈ গ'ল। প্ৰশাসনৰ শিথিলতাৰ বাবেই গৰিষ্ঠসংখ্যক লোকেই ক'ভিড বিধি উলংঘা কৰি জিলাখনলৈ পুনৰ ভয়ংকৰ পৰিৱেশ মাতি আনিছে। জিলাখনৰ প্ৰায় ৯৫ শতাংশ লোকৰ মুখৰ পৰাই নাইকিয়া হৈ পৰিল মাস্ক। ধোঁৱাচাঙত উঠিল সামাজিক দূৰত্বৰ নিৰ্দেশনাও। অৱশ্যে নগাঁও চহৰকে প্ৰমুখ্য কৰি জিলাখনৰ বিভিন্ন ঠাইত ঔষধৰ দোকানসমূহত চৰ্দি, জ্বৰ, কাহ, মূৰৰ বিষ আদিৰ দৰৱ বিচাৰি ৰাইজে প্ৰচণ্ড ভিৰ কৰা পৰিলক্ষিত হৈছে।

# ছিপাঝাৰত শিল্পী দিৱসত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৮ জানুৱাৰী ঃ** ছিপাঝাৰ সমন্বয় আঞ্চলিক মহিলা সমাজৰ উদ্যোগত দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ স্থায়ী মঞ্চত শিল্পী দিৱস উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাই বন্তি প্ৰজ্বলন আৰু সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পাছত অনুষ্ঠিত হয় প্ৰতিযোগিতা। জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্বৰচিত কবিতা প্ৰতিযোগিতাত (ক) শাখাত প্ৰথম তেজোদিপ্ত শিৰম, দ্বিতীয় মুনমী শইকীয়া, তৃতীয় অন্বেষা প্ৰিয়া ৰাজবংশী আৰু ৰিয়ান শিৰমে উদ্‌গনিমূলক পুৰস্কাৰ লাভ কৰে। (খ) শাখাত যোগৰাজ শিৰমে প্ৰথম, অৰ্চিতা শিৰমে দ্বিতীয় আৰু ইস্পিতা শিৰমে তৃতীয় পুৰস্কাৰ লাভ কৰে। জ্যোতি সংগীত প্ৰতিযোগিতাত (ক) শাখাত হিমজিৎ কুমাৰ নাথে প্ৰথম, বীথিকা প্ৰিতম শইকীয়াই দ্বিতীয় আৰু অন্তৰীপ শিৰমে তৃতীয় পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে (খ) শাখাত কৃষাণজ্যোতি বৰাই প্ৰথম, অৰ্চিতা শিৰমে দ্বিতীয় আৰু কংকনা শিৰমে তৃতীয় পুৰস্কাৰ লাভ কৰে। স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, বিজেপি নেতা প্ৰণৱ বৰুৱা, জিতু বৰুৱা, মধুস্মিতা শৰ্মা আদি উপস্থিত থকা শিল্পী দিৱসৰ জ্যোতি নৃত্য প্ৰতিযোগিতাত (ক) শাখাত শিৰাংগী ছিপ্ৰা শইকীয়া প্ৰথম, জিজ্ঞাসা শিৰমে দ্বিতীয়, দেৱাংগনা নাথে তৃতীয় আৰু তেজস্বিনী শিৰমে লাভ কৰে উদগনিমুলক পুৰস্কাৰ। (খ) শাখাত স্বাস্বতী প্ৰথম, হৰ্ষিতা শিৰমে দ্বিতীয় আৰু মামলী কাশ্যপে লাভ কৰে তৃতীয় পুৰস্কাৰ। নিশা অনুষ্ঠিত মুকলি সাংস্কৃতিক অনুষ্ঠানৰ আঁত ধৰে মহিলা সমাজৰ সভানেত্ৰী বনলতা দেৱী আৰু কৰবী নাথে।

# জনতা ভৱনত

*এক পৃষ্ঠাৰ পৰা* পৰা অন্য বিভাগলৈ বদলি কৰিছে। কিন্তু ইয়াৰ মাজতে একাংশ তেনে কৰ্মচাৰীক ৰহস্যজনকভাৱে ৰদ-বদলৰ অংশ নকৰাক লৈ জনতা ভৱনতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ অনুসৰি এনে বহু জ্যেষ্ঠ প্ৰশাসনিক সহায়ক আছে যিয়ে একেটা বিভাগতে ন্যূনতম ১০ বছৰ পৰ্যন্ত কৰ্মৰত হৈ আছে। পূৰ্বৰ কে'বাটাও ৰদ-বদলত যিদৰে তেওঁলোকৰ নাম বাছনিত নুঠিল সেই একে ঘটনাৰ পুনৰাবৃত্তি এইবাৰো হৈছে। অথচ তাৰে একাংশৰ বিৰুদ্ধে নানা অভিযোগো আছে বুলি জনতা ভৱনত চৰ্চা চলিছে। দিছপুৰৰ সূত্ৰই সদৰী কৰা অনুসৰি অহা এক ফেব্ৰুৱাৰীৰ পৰা ৰূপায়ণ হ'ব লগা সদভাৱনা অভিযানৰ পূৰ্বে যোৱা ১৬ জানুৱাৰীত জ্যেষ্ঠ প্ৰশাসনিক সহায়কসহ জনতা ভৱনৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলৰ লগত মুখ্যমন্ত্ৰীয়ে বাৰ্তালাপ কৰি ভোজমেলতো অংশ লৈছিল। সেই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লক্ষ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত জমা হৈ থকা ফাইলৰ কাম শেষ কৰাৰ তাগিদা কৰ্মচাৰীসকলক দিছিল। তাগিদা দিয়াৰ দিনটোতে বদলিৰ দীঘলীয়া তালিকাখনত সাধাৰণ প্ৰশাসন বিভাগে মোহৰ লগায়।

# বিজ্ঞান-প্ৰগতি এটা মুদ্ৰাৰ ইপিঠি সিপিঠি

## হালোৱাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান উৎসৱ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জানুৱাৰী ঃ** 'আমাক বিজ্ঞান মানসিকতা লাগিব। বিজ্ঞানৰ প্ৰসাৰতাৰ বিষয়ে চিন্তা কৰিব লাগিব। ইউৰোপকে ধৰি বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহৰ প্ৰগতিৰ আন এক কাৰণ বিজ্ঞানৰ প্ৰগতি। বিজ্ঞান আৰু প্ৰগতি একেটা মুদ্ৰাৰ ইপিঠি সিপিঠি।' এই মন্তব্য পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসৰ। কালি পুৰণিগুদামৰ সমীপৰ হালোৱাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ বঢ়মপুৰ ব্লকৰ উদ্যোগত অনুষ্ঠিত হোৱা বিজ্ঞান উৎসৱৰ এক সভাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি তেওঁ আৰু কয়, 'আমাৰ দেশখন বা সমাজখন অনগ্ৰসৰতাৰ এটা প্ৰধান কাৰণ হব পাৰে বিজ্ঞানৰ প্ৰগ্ৰতি আৰু প্ৰসাৰতাৰ অভাৱ। সেয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰসাৰতাৰ বাবে ভালকৈ পঢ়া শুনা কৰা উচিত। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলেও বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত উন্নত পদ্ধতিৰে বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰাৰ ব্যৱস্থা কৰা উচিত।' ইফালে, নতুন শিক্ষা নীতিত বিজ্ঞান শিক্ষাক অধিক গুৰুত্ব প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি বিশিষ্ট শিক্ষাবিদজনে এই শিক্ষা নীতি প্ৰয়োগ হ'লে ক'লা বা বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাত বিজ্ঞানৰ বিষয় অধ্যয়ন কৰিব পাৰিব বুলি মন্তব্য কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক কুলপ্ৰদীপ দাসে আঁতধৰা সভাত কে'বাগৰাকী বিশিষ্ট অতিথি উপস্থিত থকাৰ লগতে বিজ্ঞান দিৱসত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ইফালে, বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি মুঠ ২১ খন বিদ্যালয়ে অংশগ্ৰহণ কৰাৰ বাবে এই বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানৰ বিভিন্ন মডেল প্ৰস্তুত কৰি প্ৰদৰ্শন কৰাৰ উপৰিও ধাৰণা লিখন, পোষ্টাৰ ড্ৰয়িং, বিজ্ঞান ভিত্তিত আকস্মিক ব্যক্তিতা, চিত্ৰাংকণ প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰি এক সুন্দৰ পৰিৱেশ গঢ়ি তোলা দেখা যায়। বিশেষকৈ হালোৱাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পদুমনি শিলপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়, চলচলি পিডিজি হাইস্কুল, মুঞ্জানি পিডিজি হাইস্কুল, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিঙিয়া পুতনি হাইস্কুল, ভেৰভেৰি মজলীয়া বিদ্যালয়, চাৰিআলি হেম বৰুৱা এম ভি স্কুল, আউনীআটি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে সকলোতে অংশগ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। এই বিজ্ঞান দিৱসত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ লগতে সহযোগ কৰা বিদ্যালয়ৰ বহুকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। বিয়লি বিজ্ঞান উৎসৱত অংশগ্ৰহণ কৰি বিজয়ী হোৱা প্ৰতিযোগীসকলক পুৰস্কাৰ বিতৰণ কৰে।

## ক'ভিডৰ প্ৰভাৱ ঃ প্ৰজাতন্ত্ৰ দিৱসত এইবাৰো উপস্থিত নাথাকে মুখ্য অতিথি




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** বিশ্বৰ লগতে ভাৰততো কৰ'নাৰ সংক্ৰমণ সম্প্ৰতি বৃদ্ধি পাইছে। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত এইবাৰো দেশৰ গণৰাজ্য দিৱস অতিথিবিহীনভাৱে পালিত হ'ব। উল্লেখ্য যে ২০২১ বৰ্ষটো কৰ'না পৰিস্থিতি প্ৰধান অতিথিৰ উপস্থিতি অবিহনে ভাৰতে প্ৰজাতন্ত্ৰ দিৱস পালন কৰিছিল। সূত্ৰৰ খবৰ অনুসৰি, এইবাৰৰ ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানলৈ মুখ্য অতিথি হিচাপে এছিয়াৰ পাঁচজন নেতাক নিমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক গণৰাজ্য দিৱস মুখ্য অতিথি অবিহনে পালনৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰে।

## 'নন্টে-ফন্টে' খ্যাত বাংলা কাৰ্টুনশিল্পী নাৰায়ণ দেৱনাথ প্ৰয়াত



**নিউজ ব্যুৰ', কলকাতা, ১৮ জানুৱাৰী ঃ** বাংলা চিত্ৰকাহিনী জগতৰ প্ৰাণপুৰুষ নাৰায়ণ দেৱনাথৰ ৯৬ বছৰ বয়সত মৃত্যু হ'ল। হাঁদা, ভোঁদা, বাঁটুল, নন্টে, ফন্টে, কেল্টুদেৰ দৰে অসংখ্য জনপ্ৰিয় চিত্ৰ কাহিনী চৰিত্ৰৰ স্ৰষ্টা দেৱনাথক যোৱা ২৪ ডিচেম্বৰত দক্ষিণ কলকাতাৰ মিণ্টু পাৰ্কৰ এখন বেচৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। দেৱনাথ হাওঁফাওঁৰ লগতে কিডনীৰ ৰোগত আক্ৰান্ত হৈছিল। যোৱা ১৬ জানুৱাৰীত তেওঁক ভেণ্টিলেচনত ৰখা হৈছিল আৰু আজি পুৱা ১০ বজাত জনপ্ৰিয় কাৰ্টুনশিল্পীজনে শেষ নিশ্বাস ত্যাগ কৰে। ১৯২৫ত হাওৰাৰ শিৱপুৰত জন্মলাভ কৰা দেৱনাথে শৈশৱৰ পৰা চিত্ৰশিল্পৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰদৰ্শন কৰিছিল আৰু পাছত তেওঁ চিত্ৰকলা মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিছিল। 'বাটুল দি গ্ৰেট', 'নন্টে ফন্টে', 'বাহাদুৰ বেড়াল' ইত্যাদি হৈছে দেৱনাথৰ অমৰ সৃষ্টি। ২০১৩ত দেৱনাথে সাহিত্য অকাডেমী বঁটা আৰু ২০২১ত পদ্মশ্ৰী সন্মান লাভ কৰিছিল।

## প্ৰজাতন্ত্ৰ দিৱসৰ পেৰেডৰ সময় সলনি, ৭৫ বছৰীয়া ইতিহাসত প্ৰথম



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** বিগত ৭৫ বছৰত প্ৰথমবাৰৰ বাবে দেশৰ গণৰাজ্য দিৱসৰ পেৰেডৰ সময় সলনি কৰা হ'ব। এইবাৰ পূৰ্ব নিৰ্ধাৰিত সময় অনুসৰি পুৱা ১০ বজাত গণৰাজ্য দিৱসৰ পেৰেড আৰম্ভ কৰা নহ'ব। ক'ভিড-১৯ৰ বিধি নিষেধ আৰু জম্মু-কাশ্মীৰৰ নিৰাপত্তা কৰ্মীৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ কাৰণত এইবাৰ ৩০ মিনিট বিলম্বিত হ'ব গণৰাজ্য দিৱসৰ পেৰেড অনুষ্ঠান। দিল্লী আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি প্ৰতি বছৰে প্ৰজাতন্ত্ৰ দিৱসৰ কুচকাৱাজ পুৱা ১০ বজাত আৰম্ভ কৰা হয় যদিও এইবাৰ পেৰেড ১০-৩০ বজাত অনুষ্ঠিত হ'ব। যোৱা বছৰৰ দৰে কুচকাৱাজ অনুষ্ঠানটো ৯০ মিনিটৰ হ'ব।

## ফ্ৰান্সত প্ৰতিষেধক নোলোৱা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনত অনুমোদন

**নিউজ ব্যুৰ' পেৰিছ, ১৮ জানুৱাৰী ঃ** ফ্ৰান্সে ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত টিকাকৰণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ'ৰে অলপতে হুংকাৰ দি কৈছিল যে দেশখনত কোনো ব্যক্তিয়ে ক'ভিড প্ৰতিষেধক গ্ৰহণ নকৰিলে এই ব্যক্তিৰ জীৱন দুৰ্বিসহ কৰি তোলা হ'ব। ইতিমধ্যে ফ্ৰান্স চৰকাৰে দেশখনত প্ৰতিষেধক গ্ৰহণ কৰাটো বাধ্যতামূলক কৰিবলৈ এখন নতুন আইন গৃহীত কৰিলে। এতিয়াৰে পৰা ফ্ৰান্সত প্ৰতিষেধক গ্ৰহণ নকৰা ব্যক্তিয়ে ৰেস্তোৰাঁ, ষ্টেডিয়ামসহ অন্যান্য বহু ৰাজহুৱা স্থানত প্ৰৱেশ কৰিব নোৱাৰিলে। ফ্ৰান্স চৰকাৰে এইদৰে প্ৰতিষেধক নোলোৱা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ তীব্ৰ বিৰোধিতা কৰিছিল একাংশ আইন প্ৰণেতাৰ লগতে সাধাৰণ নাগৰিকে। কিন্তু নেচনেল এচেম্বলিত হোৱা ভোটগ্ৰহণত ২১৫ টা ভোট উক্ত আইনৰ সপক্ষে পৰাত এই আইন গৃহীত হয়। যোৱা দেওবাৰে সংসদত ২১৫/৫৮ টা ভোটত গৃহীত হ'ল টিকাকৰণ বাধ্যতামূলক কৰা এই আইনখন। সোমবাৰৰ পৰা ফ্ৰান্সত টিকাকৰণৰ প্ৰমাণপত্ৰ নথকা লোকসকলে ৰেস্তোৰাঁ, পানশালা, ষ্টেডিয়ামসহ অন্যান্য বহু ৰাজহুৱা স্থানত প্ৰৱেশ তথা মুক্ত বিচৰণ কৰিব নোৱাৰিব।



**২৪ ঘণ্টাত দেশত পুনৰ ৩১০ জন ক'ভিড ৰোগীৰ মৃত্যু, সোমবাৰৰ তুলনাত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৮.৩১ শতাংশ বৃদ্ধি**

# সাত শতাংশ হ্ৰাস দেশৰ দৈনিক সংক্ৰমণ ঃ বৃদ্ধি অ'মিক্ৰনৰ সংক্ৰমণ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ জানুৱাৰী ঃ** একেৰাহে দ্বিতীয় দিনৰ বাবে ভাৰতত হ্ৰাস পালে কৰ'নাৰ দৈনিক সংক্ৰমণ। দেওবাৰৰ তুলনাত সোমবাৰে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ পাঁচ শতাংশ হ্ৰাস পাইছিল। মঙলবাৰে পুনৰ হ্ৰাস পালে ক'ভিডৰ দৈনিক সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল দুই লাখ ৩৮ হেজাৰ ১৮ জন লোক। এইসকল আক্ৰান্তৰ মাজত ৮,৮৯১ জন হৈছে ক'ভিডৰ নতুন প্ৰজাতিৰ অ'মিক্ৰনত সংক্ৰমিত। সোমবাৰৰ তুলনাত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা দেশত ৮.৩১ শতাংশ বৃদ্ধি পালে। যোৱা সোমবাৰে কৰ'নাত আক্ৰান্ত হৈছিল দুই লাখ ৫৮ হেজাৰ ৮৯ জন লোক। অৰ্থাৎ সোমবাৰৰ তুলনাত মঙলবাৰে দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ সাত শতাংশ হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি সম্প্ৰতি দেশত ক'ভিডৰ দৈনিক সংক্ৰমণৰ হাৰ হৈছে ১৪.৪৩ শতাংশ আৰু সাপ্তাহিক সংক্ৰমণৰ হাৰ হৈছে ১৪.৯২ শতাংশ। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৩১০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। সোমবাৰে ভাৰতত ৩৮৫ ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। অৰ্থাৎ সোমবাৰৰ তুলনাত মঙলবাৰে দেশত ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যাও হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত ১৬ লাখ ৪৯ হেজাৰ লোকৰ ক'ভিডৰ নমুনা পৰীক্ষণ কৰা হৈছিল। দেশত বৰ্তমানলৈকে ১৫৮ কোটি পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে।




## বিশ্বত এদিনত কৰ'নাত আক্ৰান্ত হ'ল ২০.৭১ লাখ লোক, ৫,২৮৬ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৮ জানুৱাৰী ঃ** বিশ্বৰ বিভিন্ন দেশত যোৱা ২৪ ঘণ্টাত পুনৰ ২০.৭১ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। অৱশ্যে বিগত এদিনত বিশ্বজুৰি ১৩.৪৮ লাখ ক'ভিড ৰোগী সুস্থ হৈ উঠিল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিভিন্ন দেশত বিগত ২৪ ঘণ্টাত পুনৰ প্ৰাণ কাঢ়িলে ৫,২৮৬ জন লোকৰ। বিগত এদিনত বিশ্বৰ ভিতৰতে সৰ্বাধিক ৩.৮৯ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল আমেৰিকাত। আনহাতে, ২.৩৮ লাখ দৈনিক সংক্ৰমণৰ জৰিয়তে আক্ৰান্তৰ তালিকাত দ্বিতীয় স্থানত ভাৰত। আমেৰিকাত বিগত ২৪ ঘণ্টাত ৪৫৮ ক'ভিড ৰোগীৰ মৃত্যু হ'ল। সম্প্ৰতি বিশ্বত মুঠ ৫.৬৮ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.৩৫ কোটি কৰ'না ৰোগী। ক'ভিডৰ সমগ্ৰ পৰ্বটোত বিশ্বৰ বিভিন্ন দেশত বৰ্তমানলৈকে ৩৩.১৩ কোটিৰো অধিক লোক ক'ভিড আক্ৰান্ত হ'ল। ক'ভিডত এতিয়ালৈকে বিশ্বজুৰি ৫৫.৬৩ লাখ লোকে প্ৰাণ হেৰুৱালে।

## অন্ধ্ৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু কৰ'নাত আক্ৰান্ত



**নিউজ ব্যুৰ' হায়দৰাবাদ, ১৮ জানুৱাৰী ঃ** অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ বিৰোধীৰ নেতা এন চন্দ্ৰবাবু নাইডু ক'ভিড-১৯ত সংক্ৰমিত হ'ল। তেলেগু দেশম পাৰ্টিৰ নেতাজনে আজি টুইট কৰি কৰ'নাত আক্ৰান্ত হোৱাৰ কথা সদৰী কৰে। টুইটত নাইডুৱে কয় যে মৃদু উপসৰ্গৰ স'তে তেওঁ ক'ভিডত সংক্ৰমিত হৈছে। সম্প্ৰতি নাইডুৱে ঘৰতে নিভৃতবাসত আছে।

## প্ৰাক্তন কৌতুক শিল্পীক পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণা আপৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ১৮ জানুৱাৰী ঃ** পঞ্জাৱ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ভগৱন্ত মানৰ নাম ঘোষণা কৰিলে আম আদমী পাৰ্টি (আপ)য়ে। আজি আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে ঘোষণা কৰি কয় যে পঞ্জাৱত তেওঁৰ দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'লে ৰাজ্যখনত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিব মানে। উল্লেখ্য যে পঞ্জাৱৰ নিৰ্বাচনত মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী নিৰ্বাচনৰ বাবে কেজিৰৱালে ৰাজ্যখনৰ ৰাইজৰ পৰা মতামত বিচাৰিছিল আৰু ফোনযোগে সংগ্ৰহ কৰা মতামতৰ আধাৰত মানক ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ঘোষণা কৰে। উল্লেখ্য যে ফোন, এছ এম এছ আৰু হোৱাটছএপৰ জৰিয়তে গ্ৰহণ কৰা সাধাৰণ জনতাৰ মতামতত ৯৩ শতাংশই প্ৰাক্তন কৌতুক শিল্পী মানক আপৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে বিচাৰে। মান এই মুহূৰ্তত পঞ্জাৱ আপৰ অন্যতম জনপ্ৰিয় নেতা। ২০১৪ৰ পৰাই পঞ্জাৱৰ সংগৰু সমষ্টিৰ পৰা সাংসদ হিচাপে মানে প্ৰতিধিনিত্ব কৰি আহিছে। এসময়ত তেওঁ কৌতুস শিল্পী হিচাপেও যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। একাধিকবাৰ মান বিতৰ্কতো সাঙোৰ খাইছিল। সাংসদ ভৱনত অশ্লীল ছবি ম'বাইলত উপভোগ কৰাৰ অভিযোগো আপৰ এইজন সাংসদৰ বিৰুদ্ধে উত্থাপিত হৈছিল। তদুপৰি অত্যাধিক সুৰাপান কৰাৰ বদনামো মানৰ আছে। কিন্তু এনেবোৰ অভিযোগৰ পাছতো পঞ্জাৱত মান ৰাজনৈতিক নেতা হিচাপে যথেষ্ট জনপ্ৰিয়।

## আফগানিস্তানত দুই ভূমিকম্পত শিশুসহ নিহত কমেও ২৬



**নিউজ ব্যুৰ', কাবুল, ১৮ জানুৱাৰী ঃ** দুটাকৈ ভূমিকম্পই কঁপাই তুলিলে আফগানিস্তান। ভূকম্পনৰ এই ঘটনাত দেশখনৰ কমেও ২৬ জন লোকৰ মৃত্যু হ'ল। সোমবাৰে দুপৰীয়া প্ৰথমটো কম্পন অনুভূত হৈছিল আৰু ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য আছিল ৫.৩। ইয়াৰ এঘণ্টাৰ পাছতে ৪.৯ প্ৰাবল্যৰ আন এটা ভূকম্পন অনুভূত হৈছিল। ভূমিকম্পত কে'বাটাও বাসগৃহৰ যথেষ্ট ক্ষতি হয়। প্ৰকাশিত বাতৰি অনুসৰি, ভূমিকম্পত মৃত্যু হোৱা ২৬ জন লোকৰ মাজত পাঁচগৰাকী মহিলা আৰু চাৰিটা শিশুও আছে। বাসগৃহ ভাঙি পৰাৰ ফলতে এইসকল লোকৰ মৃত্যু হ'ল।

## অষ্ট্ৰেলিয়াত কৰ'নাৰ প্ৰকোপ বৃদ্ধি, সৰ্বাধিক সংখ্যক হৈছে অ'মিক্ৰনত আক্ৰান্ত

**নিউজ ব্যুৰ', ছিডনী, ১৮ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াত আকৌ এবাৰ কৰ'নাৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দেশখনত প্ৰতিদিনে ক'ভিড আক্ৰান্ত লোকৰ সংখ্যা ঊৰ্ধ্বমুখী হ'ব ধৰিছে। ডেল্টাৰ লগতে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। অ'মিক্ৰনৰ দ্ৰুত সংক্ৰমণৰ ফলত আজি দেশখনত চিকিৎসালয়ত আসনৰ যথেষ্ট অভাৱে দেখা দিয়ে। দৈনিক সংক্ৰমণ শেহতীয়াভাৱে সামান্য হ্ৰাস পাইছে যদিও অষ্ট্ৰেলিয়াত সম্প্ৰতি ক'ভিড পৰিস্থিতি উদ্বেগজনক হৈ আছে। যোৱা শুকুৰবাৰে দেশখনত ৫৭ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। আজি অষ্ট্ৰেলিয়াত পুনৰ ৭৭ জন কৰ'না ৰোগীৰ মৃত্যু হ'ল। সোমবাৰে নিশা আঠ বজালৈকে নিউ ছাউথ ৱেলছত ২৯,৮৩০ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল। নিউ ছাউথ ৱেলছত দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক ক'ভিড ৰোগী চিনাক্ত কৰা হৈছে। অষ্ট্ৰেলিয়াৰ এইখন চহৰত সম্প্ৰতি ২,৮৫০ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। ভিক্টৰিয়াতো কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাইছে। মঙলবাৰে ভিক্টৰিয়াত ২০১৮০ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল আৰু চহৰখনত যোৱা ২৪ ঘণ্টাত ২২ জন কৰ'না ৰোগীৰ মৃত্যু হৈছিল। বৰ্তমানে ভিক্টৰিয়াত ১,১৫২ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। মঙলবাৰে নিউ ছাউথ ৱেলছত ৩৬ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল আৰু এইসকল মৃতকৰ মাত্ৰ চাৰিজনেহে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰিছিল। অৱশ্যে আন ৩৩ জন মৃতকে ক'ভিডৰ দুপালি প্ৰতিষেধক গ্ৰহণ কৰিছিল।



## উত্তৰ প্ৰদেশত যোগীক প্ৰত্যাহ্বান নীতিশৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৮ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ বাবে বিহাৰত বিজেপিৰ সহযোগী জে ডি (ইউ) দলেও ককালত টঙালি বান্ধিলে। নীতিশ কুমাৰ নেতৃত্বাধীন জে ডি (ইউ)য়ে উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিহাৰত বিজেপিৰ স'তে জে ডি (ইউ)য়ে মৰ্চা চৰকাৰ গঠন কৰিলেও নীতিশৰ দলটোৱে উত্তৰ প্ৰদেশত যোগী আদিত্যনাথৰ চৰকাৰক নিৰ্বাচনত প্ৰত্যাহ্বান জনাবলৈ সাজু হৈছে। উত্তৰ প্ৰদেশত বিজেপিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব জে ডি (ইউ)য়ে। প্ৰকাশিত বাতৰি অনুসৰি নীতিশৰ দলটোৱে উত্তৰ প্ৰদেশত বিজেপিৰ পৰা ২০ টা সমষ্টি বিচাৰিছিল যদিও বিজেপিয়ে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাত জে ডি (ইউ)য়ে নিৰ্বাচনত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপৰ সিদ্ধান্ত ল'লে।

## হংকঙত কৰ'না বিধি উলংঘন কৰা দুজন প্ৰাক্তন বিমান বিষয়াক গ্ৰেপ্তাৰ



**নিউজ ব্যুৰ', হংকং, ১৮ জানুৱাৰী ঃ** হংকং আৰক্ষীয়ে দুজন প্ৰাক্তন ফ্লাইট এটেনডেণ্টক নিভৃতবাসৰ সময়ত ঘৰৰ বাহিৰলৈ ওলাই অহাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিলে। গ্ৰেপ্তাৰৰ পাছত দুয়োজন বিমান বিষয়াৰ শাৰীৰিক পৰীক্ষণত অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ তথ্য নিশ্চিত হয়। উল্লেখ্য যে দুই বিমান বিষয়াই যোৱা ২৪ আৰু ২৫ ডিচেম্বৰত আমেৰিকাৰ পৰা উভতি আহিছিল। কেথে পেচিফিক এয়াৰলাইন্সে অলপতে দুই বিমান বিষয়াক কৰ'না বিধি উলংঘনৰ অভিযোগত চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। নিভৃতবাসত পুনৰ ক'ভিড বিধি উলংঘনৰ অভিযোগত দুই বিষয়াক হংকং আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে যদিও পাছত দুয়োকে জামিনত মুক্তি দিয়া হয়। আদালতে অভিযুক্ত দুই বিমান বিষয়াৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ সন্দৰ্ভত অহা ন ফেব্ৰুৱাৰীত শুনানি গ্ৰহণ কৰিব।

## দিল্লীত চাৰি দিনত অৰ্ধেক হ্ৰাস ক'ভিডৰ দৈনিক সংক্ৰমণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জানুৱাৰী ঃ নতুন বছৰৰ প্ৰথম ১৭ টা দিনত দিল্লীত কৰ'না আক্ৰান্তৰ সংখ্যা ২,৭৪,২৮৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, বিগত ১৭ দিনত দিল্লীত ১,৯৪,৪৩৪ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল। নতুন বছৰৰ আৰম্ভণিতে দিল্লীত ক'ভিডৰ সংক্ৰমণ যথেষ্ট উদ্বেগজনক হাৰত বৃদ্ধি পাইছিল। কিন্তু শেহতীয়াভাৱে দেশৰ ৰাজধানী চহৰখনত কৰ'নাৰ সংক্ৰমণ নিয়ন্ত্ৰিত হৈছিল। বিগত চাৰি দিনত দিল্লীত ক'ভিডৰ দৈনিক সংক্ৰমণ অৰ্ধেক হ্ৰাস পালে। যোৱা ১৩ জানুৱাৰীত দিল্লীত কৰ'নাৰ দৈনিক সংক্ৰমণ ৯৪,৩৬০ জনলৈ বৃদ্ধি পোৱাৰ পাছত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পাবলৈ ধৰিছিল। ১৭ জানুৱাৰীত দিল্লীত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ৮৩,৯৮২ জনলৈ হ্ৰাস পায়। অৰ্থাৎ বিগত চাৰি দিনত ৰাজধানী চহৰখনত প্ৰায় ১০ হেজাৰ সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হ্ৰাস পালে।**

# এজন অ'মিক্ৰনত আক্ৰান্ত হওতেই বেইজিঙৰ ১৩ হেজাৰ বাসিন্দাক বন্দী কৰিলে চীনে

**নিউজ ব্যুৰ', বেইজিং, ১৮ জানুৱাৰী ঃ** চীনৰ ৰাজধানী বেইজিং অ'মিক্ৰনত আক্ৰান্ত মাত্ৰ এজন ৰোগীক চিনাক্ত কৰাৰ পাছতে হৈ চৈ লাগিল দেশখনত। ইতিমধ্যে বেইজিঙৰ প্ৰায়বোৰ অঞ্চলতে বাসিন্দাসকলৰ ক'ভিডৰ নমুনা পৰীক্ষণৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে প্ৰশাসনে। চীনৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা তথ্য অনুসৰি ২৬ বছৰীয়া এগৰাকী যুৱতীৰ শৰীৰত ক'ভিডৰ নতুন প্ৰজাতিৰ অ'মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। অৱশ্যে প্ৰশাসনে যুৱতীগৰাকীৰ নাম প্ৰকাশৰ পৰা বিৰত আছে। সামাজিক মাধ্যমত প্ৰকাশ পোৱা অনুসৰি অ'মিক্ৰন আক্ৰান্ত উক্ত যুৱতীৰ শৰীৰত ক'ভিডৰ নতুন প্ৰজাতিৰ উপস্থিতি ধৰা পৰাৰ পাছতে বেইজিঙৰ কমেও ১৩ হেজাৰ বাসিন্দাক প্ৰশাসনে গৃহবন্দী কৰি ৰাখিছে। অ'মিক্ৰন আক্ৰান্ত উক্ত যুৱতীয়ে বেইজিঙৰ একাধিক নামী-দামী শ্বপিং মলত অলপতে বজাৰ-সমাৰ কৰিছিল আৰু ইয়াৰ ফলতে তেওঁ কৰ'নাত আক্ৰান্ত হোৱা বুলি সন্দেহ কৰা হৈছে। যুৱতীৰ সান্নিধ্যলৈ প্ৰত্যক্ষ বা পৰোক্ষভাৱে অহা লোকসকলক চিনাক্ত কৰি স্থানীয় প্ৰশাসনে ব্যাপক ক'ভিড পৰীক্ষণ সম্পন্ন কৰাৰ লগতে সম্প্ৰতি এইসকল লোকক ঘৰতে আবদ্ধ ৰাখিবলৈ বাধ্য কৰাইছে। অৱশ্যে চীনৰ চৰকাৰী সংবাদ মাধ্যমৰ তথ্য অনুসৰি বেইজিঙত উক্ত যুৱতীৰ বাদে আন কোনো লোকৰ শৰীৰত বৰ্তমানলৈকে ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হোৱা নাই।



## উত্তৰ প্ৰদেশৰ সকলো সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব ভীম আৰ্মিয়ে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৮ জানুৱাৰী ঃ আজাদ সমাজ পাৰ্টি আৰু ভীম আৰ্মিৰ মুৰব্বী চন্দ্ৰশেখৰ আজাদে আজি গ্ৰেটাৰ নয়ডাত এখন সংবাদমেল অনুষ্ঠিত কৰি কয় যে তেওঁৰ দলটোৱে উত্তৰ প্ৰদেশৰ বিধানসভাৰ সকলো সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। আজি ভীম আৰ্মিয়ে ৩৩ সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ তালিকা এখনো প্ৰকাশ কৰে। আজাদে প্ৰকাশ কৰা অনুসৰি সমাজবাদী নেতা স্বামী প্ৰসাদ মৌৰ্যৰ বিৰুদ্ধে ভীম আৰ্মিয়ে প্ৰাৰ্থী প্ৰক্ষেপ নকৰে। আজাদে প্ৰকাশ কৰা মতে তেওঁৰ দলটোৱে সমাজবাদী পাৰ্টিৰ স'তে মৰ্চা গঠন কৰিব বিচাৰিছিল যদিও সমাজবাদী পাৰ্টিয়ে আসনৰ বাটোৱাৰাৰ ক্ষেত্ৰত সহযোগিতা নকৰা মিত্ৰতা স্থাপন সম্ভৱ নহ'ল। সমাজবাদী পাৰ্টিৰ স'তে আসনৰ বুজাবুজি নোহোৱাৰ ফলত আজাদ সমাজ পাৰ্টিয়ে উত্তৰ প্ৰদেশৰ প্ৰতিটো সমষ্টিত নিজা প্ৰাৰ্থী প্ৰক্ষেপৰ সিদ্ধান্ত লোৱা বুলি আজাদে জানিবলৈ দিয়ে।**

## আবুধাবিৰ বিমানকোঠত য়েমেনৰ সন্ত্ৰাসবাদীৰ ড্ৰ'ন্ আক্ৰমণত নিহত দুই ভাৰতীয়

**নিউজ ব্যুৰ', আবুধাবি, ১৮ জানুৱাৰী ঃ** সংযুক্ত আৰব আমিৰশ্বাহিৰ আবুধাবি আন্তৰ্জাতিক বিমানকোঠ সংলগ্ন অঞ্চলত সংঘটিত হোৱা বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰিলে য়েমেনৰ ছিয়া বিদ্ৰোহী সংগঠন হুথিয়ে। ইৰান সমৰ্থিত উক্ত গোষ্ঠীৰ বিৰুদ্ধে অভিযানত ২০১৫ বৰ্ষৰ পৰা য়েমেনৰ চৰকাৰী বাহিনীত সহায় কৰি আহিছে সংযুক্ত আৰব আমিৰশ্বাহিয়ে। আবুধাবি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বিমানকোঠৰ সমীপৰ এটা তেল উৎপাদনকাৰী সংস্থাৰ কাৰখানাত ড্ৰ'ন্ আক্ৰমণৰ ফলত তিনিটা টেংকাৰত বৃহৎ বিস্ফোৰণ সংঘটিত হৈছিল আৰু তিনিজন লোকৰ মৃত্যু হৈছিল। মৃতকৰ মাজত দুজন ভাৰতীয় নাগৰিকো আছে। আনজন মৃতক পাকিস্তানী নাগৰিক।



## হুথি বিদ্ৰোহীৰ বিৰুদ্ধে ছৌদি বাহিনীৰ অভিযান



**নিউজ ব্যুৰ', ছানা, ১৮ জানুৱাৰী ঃ** ছৌদি আৰবৰ নেতৃত্বাধীন সন্মিলিত বাহিনীয়ে য়েমেনৰ হুথি বিদ্ৰোহীৰ বিৰুদ্ধে আজিৰে পৰা অভিযান আৰম্ভ কৰিলে। ছৌদি বাহিনীৰ যুঁজাৰু জেট বিমানে যোৱা নিশাৰে পৰা য়েমেনৰ ৰাজধানী ছানাত থকা হুথি বিদ্ৰোহীৰ ঘাটিত বোমবৰ্ষণ অব্যাহত ৰাখিছে। উল্লেখ্য যে হুথি বিদ্ৰোহীয়ে সোমবাৰে সংযুক্ত আৰব আমিৰশ্বাহী (ইউ এ ই)ৰ ৰাজধানী আবু ধাবিত ড্ৰ'ন্‌ৰে আক্ৰমণ সংঘটিত কৰিছিল। এই ঘটনাত দুজন ভাৰতীয় আৰু এজন পাকিস্তানী লোকৰ মৃত্যু হৈছিল। হুথি বিদ্ৰোহীৰ ড্ৰ'ন্ আক্ৰমণৰ পাছতে ছৌদি বাহিনীয়ে বিদ্ৰোহীক এসেকা দিবলৈ যোৱা নিশা যুঁজাৰু জেট বিমানৰ জৰিয়তে য়েমেনক হুথিৰ ঘাটিত বোমাবৰ্ষণ কৰে। বৰ্তমানে ছৌদি নেতৃত্বাধীন সন্মিলিত বাহিনী আৰু হুথি বিদ্ৰোহীৰ মাজত সংঘৰ্ষ অব্যাহত আছে। উল্লেখ্য যে ২০১৫ত হুথি বিদ্ৰোহীয়ে য়েমেনৰ ৰাজধানী ছানা দখল কৰিছিল।

# নেহৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ জিলা যুৱ সমাৰোহ-জিলা সাংস্কৃতিক কাৰ্যসূচীৰ সামৰণি




অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৮ জানুৱাৰী ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ উদ্যোগত নটুৱা গাঁওস্থিত অনিল বৰা স্মৃতি যুৱ সংঘৰ প্ৰেক্ষাগৃহত কালিৰে পৰা অনুষ্ঠিত দুদিনীয়া যুৱ সমাৰোহ আৰু জিলা পৰ্যায়ৰ সাংস্কৃতিক অনুষ্ঠানৰ আজি সামৰণি পৰে। নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ অৱসৰপ্ৰাপ্ত মাণ্ডলিক সমন্বয়ক ঘনশ্যাম হাজৰিকাই কালি বন্তি প্ৰজ্বলনেৰে মুকলি কৰা যুৱ সমাৰোহখনত মৰিগাঁও জিলাৰ ছটা উন্নয়ন খণ্ডৰ বিভিন্ন যুৱ সংঘ, মহিলা মণ্ডলক প্ৰতিনিধিত্ব কৰি দ্বি-শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। নেহৰু যুৱ কেন্দ্ৰৰ কাৰ্যসূচীৰ বিষয়া ধনঞ্জয় তালুকদাৰে আঁত ধৰা যুৱ সমাৰোহত স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰহৰৰ সভাপতি তথা ৰাষ্ট্ৰসংঘৰ সামাজিক প্ৰতিনিধি পংকজজ্যোতি হাজৰিকা, আন্তৰ্জাতিক মানৱ অধিকাৰ এস্বাছাদৰ সংস্থাৰ সৰ্ব ভাৰতীয় সভাপতি ড° হৰেশ্বৰ শইকীয়া, নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক তাপচ কুমাৰ প্ৰামাণিক, শিক্ষাবিদ পুনাৰাম নাথ আদি সমল ব্যক্তিয়ে এজন যুৱকৰ দায়িত্ব, কৰ্তব্য, ব্যক্তিত্বৰ বিকাশ, ৰাষ্ট্ৰ নিৰ্মাণ, জীৱন ধাৰণৰ কৌশল ইত্যাদি বিষয়বস্তু সামৰি সাৱলীল ভাষণ প্ৰদানেৰে উপস্থিত যুৱ প্ৰতিনিধিসকলক আপ্লুত কৰে। সম্পূৰ্ণ ক'ভিড নিয়ম-নীতি মানি চলি অনুষ্ঠিত যুৱ সমাৰোহত ২৫ টা যুৱ সংঘলৈ খেলৰ সামগ্ৰী প্ৰদান কৰা যুৱ সমাৰোহৰ অন্তিম দিনটোত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠানত নটৰাজ ডেন্স একাডেমী, জাজৰীৰ দশাৱতাৰ নৃত্য, কৃষ্ণ নৃত্য, তিৱা লোক নৃত্য আৰু দলীয় বিহু নৃত্য, স্বৰগম কালচাৰেল একাডেমীৰ সত্ৰীয়া নৃত্য, ঢোলবাদন, দেশপ্ৰেমমূলক নৃত্য, গোৰক্ষনাথ যোগ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যোগ প্ৰদৰ্শন, ৰাষ্ট্ৰীয় যোগ খেলুৱৈ অভিজ্ঞান নাথ আৰু স্তুতি দেৱীৰ মনোমোহা যোগ প্ৰদৰ্শন, আৰোজ্ঞ যোগ কেন্দ্ৰৰ প্ৰশিক্ষক ৰূপজ্যোতি কৰৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ আকৰ্ষণীয় আৰ্টিষ্টিক যোগ শিল্পীসকলৰ বাৰেৰহণীয়া নৃত্য আৰু দলীয় বিহু নৃত্যই উপস্থিত সকলোৰে মন পুলকিত কৰে।

# নকছাৰীত অসম ঢুলীয়া শিল্পী সন্মিলনৰ ৰাজ্যিক ঢোলবাদন চক্ৰৰ আয়োজন

## সমবেত হ'ব ৰাজ্যৰ বহু বিশিষ্ট ঢুলীয়া শিল্পী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৮ জানুৱাৰী ঃ** অসম ঢুলীয়া শিল্পী সন্মিলনৰ নকছাৰী আঞ্চলিক শাখাৰ উদ্যোগত আৰু নকছাৰীৰ নৱ বিকাশ সংঘ তথা স্থানীয় ৰাইজৰ সহযোগত অহা ২২ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে নকছাৰীত ৰাজ্যিক ঢোলবাদন চক্ৰৰ আয়োজন কৰা হৈছে। নকছাৰীৰ নৱবিকাশ সংঘৰ প্ৰেক্ষাগৃহত আয়োজন কৰা এই ৰাজ্যিক ঢোল বাদন চক্ৰত অসমৰ কে'বাগৰাকীও বিশিষ্ট ঢুলীয়া শিল্পীয়ে অংশগ্ৰহণ কৰিব। তদুপলক্ষে অনুষ্ঠিত হ'ব বৰ্ণাঢ্য কাৰ্যসূচীৰো। সেই অনুসৰি পুৱা পতাকা উত্তোলনৰ লগতে পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী সমাপন কৰা হ'ব। আনহাতে, অসম ঢুলীয়া শিল্পী সন্মিলনৰ প্ৰাক্তন সম্পাদক তথা যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° ইন্দ্ৰেশ্বৰ দাসে মঞ্চ মুকলি কৰিবলগীয়া এই অনুষ্ঠানত কে'বাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনাব। অনুষ্ঠানত মঘাই ওজা বঁটাপ্ৰাপক অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ সৰুপাই দাস ওজা আৰু মহিলা ওজা পূন্য প্ৰভা দত্ত তামূলীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। এই অনুষ্ঠানতে নকছাৰীৰ ঢুলীয়া শিল্পীৰ দ্বাৰা 'চলনা' পৰিৱেশন কৰা হ'ব। আনহাতে, নকছাৰীৰ প্ৰয়াত ঢুলীয়া ওজা অকন ওজা, চেপেতা ওজা আৰু ধুৰুক ওজাৰ সোঁৱৰণত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক ঢোল বাদন চক্ৰত ৰাজ্যখনৰ বিশিষ্ট ঢুলীয়া ওজা শিল্পীবৃন্দই 'ওজা হাত' পৰিৱেশন কৰিব। এই ঢোলবাদন চক্ৰত ঢুলীয়া ওজা সোমনাথ বৰা, বৰ বিহুৱা ৰঞ্জিত গগৈৰ লগতে অসমৰ বহু স্থানৰ বিশিষ্ট ঢুলীয়া শিল্পীসকলে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে ঢোল সংস্কৃতিৰ লগতে হেৰাই যাব ধৰা ওজা হাত প্ৰচাৰ আৰু প্ৰসাৰতাৰ ওপৰিও চৰকাৰী পৃষ্ঠপোষকতাৰে নৱ প্ৰজন্মক আগ্ৰহী কৰি তোলাৰ মানসেৰে এই ঢোলবাদন চক্ৰৰ আয়োজন কৰা হৈছে। আনহাতে, এই ঢোলবাদন চক্ৰই ঢোলবাদন শিল্পীক উৎসাহ যোগাৱাৰ লগতে নবীন প্ৰজন্মক অনুপ্ৰেৰণা যোগাব বুলি উদোক্তাসকলে আশা প্ৰকাশ কৰে।

# নুমলীগড়ৰ ৰংবঙত গোৰ্খা সন্মিলনৰ উপ-সভাপতিৰে ৰাইজৰ মত বিনিময় অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১৮ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰৰ সমীপৱৰ্তী চাৰি নম্বৰ ৰংবঙত আজি উপস্থিত হয় মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম গোৰ্খা সন্মিলনৰ উপ-সভাপতি ভাস্কৰ শৰ্মা। ইয়াৰ পাছতে অঞ্চলটোৰ ৰাইজৰ স'তে এক মত বিনিময় অনুষ্ঠানত মিলিত হয়। সূৰ্য ছেত্ৰীৰ বাসগৃহৰ চৌহদত অনুষ্ঠিত মত বিনিময় অনুষ্ঠানৰ আঁত ধৰে সাংবাদিক চবিন বিষ্টই। অনুষ্ঠানত গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ সভাপতি কাজিৰাম বিষ্ট, ৱাৰ্ড সদস্য কিশোৰ উপাধ্যায় আৰু সমাজকৰ্মী সূৰ্য ছেত্ৰীয়ে বক্তব আগবঢ়াই বিধায়কজনৰ সন্মুখত অঞ্চলটোৰ ৰাইজে ভুগি অহা দুখ-দুৰ্দশাৰ কথা আলোকপাত কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ বিধায়কজনে কয় যে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমবিকাশ আৰু সম উন্নয়নৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। লগতে গোৰ্খা জনগোষ্ঠীয় বিধায়কজনে গোৰ্খাসকলৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰতো এই চৰকাৰে কৃপনালি কৰা নাই বুলি মন্তব্য কৰে। তদুপৰি গোৰ্খাসকলৰ ভূমিৰ সমস্যা, 'ডি' ভোটাৰৰ সমস্যা সমাধান কৰা বুলিও দোহাৰে। অনুষ্ঠানত ৰংবংবাসী ৰাইজৰ হৈ গোৰ্খালী ঢাকা টুপী, খদা আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

# অৱসৰপ্ৰাপ্ত শিক্ষক অজিত কুমাৰ আগৰৱালাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১৮ জানুৱাৰী ঃ** হোজাই জিলাৰ যমুনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক অজিত কুমাৰ আগৰৱালা (৬৬)ৰ আজি সন্ধিয়া নিজ বাসগৃহত মৃত্যু হয়। যমুনামুখ কমাৰগাঁৱৰ বাসিন্দা আগৰৱালা দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু তিনি কন্যা সন্তানসহ অনেক আত্মীয়ক এৰি যায়। ২০১৬ৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰা আগৰৱালাৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। শিক্ষক আগৰৱালাৰ মৃত্যুত যমুনামুখ উচ্চতৰ মাধ্যমিক শিক্ষক গোট, আঞ্চলিক ছাত্ৰ সন্থা, যমুনামুখ প্ৰেছ ক্লাৱকে ধৰি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

'কৃত্ৰিম সূৰ্য'ৰ পাছত এইবাৰ 'কৃত্ৰিম চন্দ্ৰ'ও সৃষ্টি কৰিলে চীনে। যাৰ ফলত এই পৃথিৱীতেই এতিয়া মাধ্যাকৰ্ষণ শক্তিক ফু মাৰি উৰুৱাই দি যিমান ইচ্ছা সিমান সময় ভৰশূন্য অৱস্থাত ভাহি ফুৰিব পৰা যাব। চীনৰ ঝিয়াংছু প্ৰদেশৰ পূব ফালৰ ছুঝাউ চহৰত এই কৃত্ৰিম চন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। বিশ্বৰ এই প্ৰথম কৃত্ৰিম চন্দ্ৰ নিৰ্মাণ কৰা হৈছে চীনৰ মহাকাশ গৱেষণা কেন্দ্ৰৰ উদ্যোগত।

# সূৰ্যৰ পাছত কৃত্ৰিম চন্দ্ৰও সৃষ্টি কৰিলে চীনে



নিউজ ব্যুৰ'

**বেইজিং, ১৮ জানুৱাৰী ঃ** 'কৃত্ৰিম সূৰ্য'ৰ পাছত এইবাৰ 'কৃত্ৰিম চন্দ্ৰ'ও সৃষ্টি কৰিলে চীনে। যাৰ ফলত এই পৃথিৱীতেই এতিয়া মাধ্যাকৰ্ষণ শক্তিক ফু মাৰি উৰুৱাই দি যিমান ইচ্ছা সিমান সময় ভৰশূন্য অৱস্থাত ভাহি ফুৰিব পৰা যাব। চীনৰ ঝিয়াংছু প্ৰদেশৰ পূব ফালৰ ছুঝাউ চহৰত এই কৃত্ৰিম চন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। বিশ্বৰ এই প্ৰথম কৃত্ৰিম চন্দ্ৰ নিৰ্মাণ কৰা হৈছে চীনৰ মহাকাশ গৱেষণা কেন্দ্ৰৰ উদ্যোগত।

'ছাউথ চাইনা মৰ্ণিং প'ষ্ট' নামৰ চীনৰ দৈনিক কাকতখনে জনাইছে যে এই অসাধ্য সাধন হৈছে প্ৰধানকৈ প্ৰকল্পটোৰ কৰ্ণধাৰ 'চাইনা ইউনিভাৰচিটি অৱ মাইনিং এণ্ড টেকন'লজী'ৰ অধ্যাপক লী ৰুইলিনৰ বাবে। প্ৰধানকৈ তেওঁৰে মস্তিষ্কপ্ৰসূত এই কৃত্ৰিম চন্দ্ৰ। ইয়াৰ লক্ষ্য হৈছে চন্দ্ৰত মানুহ নমোৱাৰ প্ৰস্তুতি আৰম্ভ কৰা, প্ৰশিক্ষণ লোৱা আৰু চন্দ্ৰৰ 'মন' বুজা। ভৰশূন্য অৱস্থাত দীৰ্ঘসময় থাকিবলৈ হ'লে পৃথিৱীৰ উপগ্ৰহত কি কি অসুবিধা হ'ব পাৰে, বায়ুমণ্ডল নথকাৰ বাবে সূৰ্যৰ পৰা প্ৰতি মুহূৰ্ততে ধাৱমান হোৱা 'আক্ৰমণকাৰী' তথা মহাজাগতিক ৰশ্মিৰ উত্তাপৰ পৰা চন্দ্ৰৰ মাটিত নমা মহাকাশচাৰীসকলক কিদৰে ৰক্ষা কৰিব পাৰি আদি বিষয়বোৰ পৃথিৱীতেই আগতীয়াকৈ জানি-বুজি লোৱাৰ বাবে এই কৃত্ৰিম চন্দ্ৰ নিৰ্মাণ কৰা হৈছে। এই কৃত্ৰিম চন্দ্ৰৰ পৰাই আগতীয়াকৈ জানি-বুজি ল'ব পাৰি ক'ত ক'ত বৰফৰ তলত এতিয়াও পানী আছে। লগতে চন্দ্ৰৰ কোন অঞ্চলত ঠিক কিমান পৰিমাণে বৰফৰ তলত পানী আছে সেয়াও বুজিব পৰা যাব। উক্ত দৈনিক কাকতখনক অধ্যাপক ৰুইলিনে কয়, 'ইয়াৰ ফলত আগন্তুক দিনত চন্দ্ৰৰ ক'ত নামি মহাকাশচাৰীসকলে গৱেষণা আৰু অন্যান্য কামত দীৰ্ঘদিন থাকিব পাৰিব, সেয়া পৃথিৱীৰ পৰাই বুজাটো সম্ভৱ হৈ পৰিব। উপগ্ৰহ, লেণ্ডাৰ, ৰোভাৰ প্ৰেৰণ কৰি আৰু চন্দ্ৰৰ 'মন' বুজাৰ চেষ্টাত ঘাম পেলাবলগীয়া নহ'ব।'



উল্লেখ্য যে সামান্য মাধ্যাকৰ্ষণৰ অভিজ্ঞতা বিমানতো হয়, ড্ৰপ টাৱাৰতো হয়। দিও সেয়া অতি কম সময়ৰ বাবে। চীনে নিৰ্মাণ কৰা চন্দ্ৰটোত যিমান সময় ইচ্ছা ভৰশূন্য অৱস্থাত থাকিব পৰা যাব। অৱশ্যে এয়াও মনত ৰাখিব লাগিব যে চন্দ্ৰত অতি সামান্য পৰিমাণে হ'লেও মাধ্যাকৰ্ষণৰ টান আছে। সেয়া পৃথিৱীৰ মাধ্যাকৰ্ষণৰ ছভাগৰ মাত্ৰ এভাগ, যাক ভৰশূন্য অৱস্থা বুলিয়ে ক'ব পাৰি। চীনে নিৰ্মাণ কৰা কৃত্ৰিম চন্দ্ৰৰ ব্যাস অৱশ্যে প্ৰকৃত চন্দ্ৰৰ দৰে নহয়। অনেক কম। অৱশ্যে কৃত্ৰিম চন্দ্ৰৰ পৃষ্ঠ ভৰি থাকিব প্ৰকৃত চন্দ্ৰৰ পাথৰ আৰু ধূলি-বালিৰে। যিবোৰৰ ভৰ নাই বুলিবই পাৰি, অৰ্থাৎ একেবাৰে পাতল।

বেইজিঙে ইতিমধ্যে ঘোষণা কৰিছে যে আগন্তুক দশকত চীনে চন্দ্ৰলৈ মহাকাশচাৰী প্ৰেৰণ কৰিব। চন্দ্ৰৰ কক্ষপথলৈ প্ৰেৰণ কৰা হ'ব স্থায়ী মহাকাশ ষ্টেচন। য'ৰ পৰা প্ৰয়োজন অনুসাৰে চন্দ্ৰত নামিব পাৰিব মহাকাশচাৰীসকলে। ইয়াৰ উপৰি পৃথিৱীৰ কক্ষপথত চীনে ইতিমধ্যেই পৃথকে এটা মহাকাশ ষ্টেচন নিৰ্মাণ কৰিছে। উল্লেখ্য যে ইতিমধ্যেই চীনে এটা 'কৃত্ৰিম সূৰ্য' সৃষ্টি কৰিছে। এক লাখ কোটি ডলাৰৰ প্ৰকল্পটোত চীনে এনে এক 'নিউক্লিয়াৰ ফিউজন ৰিয়েক্টৰ' নিৰ্মাণ কৰিছে, য'ত একেৰাহে ১৭ মিনিটৰ বাবে সূৰ্যতকৈ পাঁচ গুণ বেছি তাপমাত্ৰা সৃষ্টি কৰা সম্ভৱ হৈছে। সেই ৰিয়েক্টৰত উপনীত হোৱাত সম্ভৱ হৈছে ১৫ কোটি ৮০ লাখ ডিগ্ৰী ফাৰেনহাইট বা সাত কোটি ডিগ্ৰী চেলছিয়াচ তাপমাত্ৰাত।

# বালি মহলৰ গাঁতত পৰি এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৮ জানুৱাৰী ঃ** বাগ্সাৰ চন্দ্ৰপুৰত যোৱা নিশা বালি মহলৰ দ' গাঁতত পৰি এজন লোকৰ মৃত্যু হয়। মৃত লোকজনৰ নাম আবুল হুছেইন। বালি মহলত অবৈধভাৱে দ' গাঁত খন্দাৰ ফলত এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ঘটনাৰ বিৱৰণী মতে বাগ্সা জিলাৰ বৰবৰী আৰক্ষী থানাৰ অন্তৰ্গত চন্দ্ৰপুৰৰ আবুল হুছেইন নামৰ লোকজনে যোৱা নিশা ওচৰৰে বৈ যোৱা দিৰিং নদীত মাছ মাৰিবলৈ ওলাই গৈছিল। কিন্তু চন্দ্ৰপুৰৰ বালি মহলত অবৈধভাৱে খন্দা দ' গাঁতত পৰি কৰুণ মৃত্যুক আঁকোৱালি লয় হুছেইনে। পাছত বহু সময় লৈ ঘৰলৈ ঘূৰি নহাত পৰিয়ালে বিচাৰ খোচাৰ কৰি গৈ বালি মহলৰ দ' গাঁতত মৃতদেহটো প্ৰত্যক্ষ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে আজি মৃতদেহটো উদ্ধাৰ কৰি থানালৈ আনে যদিও অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বালি খননৰ নামত খন্দা গাঁতত পৰি কে'বাজনো লোকৰ মৃত্যু হৈছিল। নিয়ম মতে নদীত ইমান দ' গাঁত খান্দিব নোৱাৰে। এই সন্দৰ্ভত বন বিভাগক অৱগত কৰিও কোনো সুফল পাবলৈ সক্ষম নহ'ল। যাৰ পৰিপ্ৰেক্ষিতত কালি পুনৰ আন এজন লোকে অকাল মৃত্যুক আঁকোৱালি লয়। ৰাইজে শীঘ্ৰে এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগৰ দাবী জনাইছে।

# অবিশ্বাস্য যেন লাগিলেও সত্য

## বৰভাগৰ সানেকুছিত ৫১ হেজাৰত বিক্ৰী এখন গামোচা



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১৮ জানুৱাৰী ঃ** এখন গামোচা বিক্ৰী কৰা হৈছে ৫১ হেজাৰ টকাত। এইখন অসমৰে ঘটনা এয়া। আপোনাৰ আচৰিত যেন লাগিলেও এয়া সত্য। নলবাৰী জিলাৰ বৰভাগৰ সানেকুছিত গোপাল গোসাঁই ঘৰত এখন গামোচাৰ দাম উঠিল ৫১,০০০ টকা। নলবাৰী বৰভাগৰ সানেকুছিত শ্ৰীশ্ৰীগোপাল গোসাঁই ঘৰত সোমবাৰে এখন গামোচা বিক্ৰী হয় ৫১,০০০ টকাত। একেদৰে, দ্বিতীয়খন গামোচা বিক্ৰী হয় ১০ হেজাৰ টকাত। দৰাচলতে দেওবাৰৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ৩৩ সংখ্যক বাৰ্ষিক উৎসৱত সোমবাৰে ধৰ্মীয় শোভাযাত্ৰাৰ শ্ৰীমদ্ভাগৱতৰ লগত থকা গামোচাখন আৰু প্ৰণামী গামোচাখনৰ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত প্ৰকাশ্য নিলাম অনুষ্ঠিত হয়। ইয়াৰে, ভাগৱত মেৰিওৱা গামোচাখন আৰু ফুলৰ মালা এডাল ৫১ হেজাৰ টকাত ক্ৰয় কৰে সানেকুছি ওজাতোলাৰ দ্বিজেন কলিতাই। আনহাতে, প্ৰণামী গামোচাখন ১০ হেজাৰ টকাত ক্ৰয় কৰে সানেকুছি ওজাতোলাৰ প্ৰিয়মজ্যোতি কলিতাই। ইপিনে, দুদিনীয়াকৈ অনুষ্ঠিত গোপাল গোসাঁই ঘৰৰ ৩৩ সংখ্যক বাৰ্ষিক উৎসৱৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত ভাগৱত লৈ ধৰ্মীয় শোভাযাত্ৰা, শ্ৰীমদ্ভাগৱত পাঠ, বিষ্ণু হোম, গুৰু গোসাঁই বৰণ কৰা হয়। একেদৰে, সন্ধিয়া বন্তি প্ৰজ্বলনৰ অন্তত নাগাৰা নাম পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# নৈৰ পাৰৰ বালিত গাঁত খান্দি পুতি থোৱা ভালুক উদ্ধাৰ

## হত্যাত জড়িত অপৰাধীৰ সন্ধানত আৰক্ষী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৮ জানুৱাৰী ঃ** বাগ্সাৰ শালবাৰীৰ কয়ামাৰীত সংঘটিত হৈছে এক জঘন্য তথা হৃদয় বিদাৰক ঘটনা। জীৱশ্ৰেষ্ঠ মানুহৰ চৰম নিৰ্দয়তাৰ বলি হ'ল বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা এটি ভালুক। বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জনাঞ্চললৈ ওলাই অহা এটি ভালুকক আজি বাগ্সাৰ শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত কয়ামাৰীত দুৰ্বৃত্তই নিৰ্দয়ভাৱে হত্যা কৰি গাঁত খান্দি পুতি থয় পল্লা নৈৰ বালিচৰত। ইতিমধ্যে নৈৰ বালিত গাঁত খান্দি পুতি থোৱাৰ পৰা বন বিভাগ আৰু আৰক্ষীয়ে উদ্ধাৰ কৰিছে ভালুকটোৰ মৃতদেহ। ভালুক হত্যাত জড়িত কে'বাজনো লোক সম্প্ৰতি পলাতক অৱস্থাত আছে বুলি সদৰী কৰিছে আৰক্ষীয়ে। প্ৰাপ্ত তথ্য অনুসৰি আজি পুৱা আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত কয়ামাৰীৰ জনাঞ্চলত বিচৰণ কৰি থকা এটা হিমালয়ান ক'লা ভালুকৰ পোৱালিক কয়ামাৰীৰে কেইজনমান দুৰ্বৃত্তই হানি-খুঁচি নিৰ্মমভাৱে হত্যা কৰে। ভালুকটো হত্যা কৰি দুৰ্বৃত্তই পুতি থয় পল্লা নৈৰ বালিচৰত। ইয়াৰ পাছতে ঘটনাটো পোহৰলৈ অহাত ঘটনাস্থলীত উপস্থিত হয় মানাহৰ বন বিভাগৰ লোকৰ লগতে শালবাৰী আৰু আনন্দ বজাৰ আৰক্ষী। দণ্ডাধীশৰ উপস্থিতিত বন বিভাগৰ লোক আৰু আৰক্ষীয়ে গাঁত খান্দি উলিয়ায় ভালুকটোৰ মৃতদেহ। ইয়াৰ পাছতে বিভাগীয় পশু চিকিৎসক প্ৰভাত বসুমতাৰীয়ে মৰণোত্তৰ পৰীক্ষা কৰি ভালুকটো 'হিমালয়ান ঃ ব্লেক বিয়েৰ'ৰ এবছৰীয়া পোৱালি বুলি চিনাক্ত কৰাৰ উপৰি ভালুকটোৰ মূৰ, মুখ আৰু পিছভৰিত গুৰুতৰ আঘাত প্ৰত্যক্ষ কৰে। এই ঘটনাই স্বাভাৱিকতে উত্তেজনাৰ সৃষ্টি কৰিছে অঞ্চলজুৰি। ঘটনাত জড়িত কোনো দুৰ্বৃত্তক বৰ্তমানলৈ আটক কৰা নাই যদিও দুৰ্বৃত্তক চিনাক্ত কৰি শীঘ্ৰে কৰায়ত্ত কৰাৰ কথা ব্যক্ত কৰে শালবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে।



ভালুকটোক মৰণোত্তৰ পৰীক্ষাৰ অন্তত পশু চিকিৎসক প্ৰভাত বসুমতাৰীয়ে কয় যে মূৰ আৰু মুখত আঘাত কৰি হত্যা কৰা হৈছে ভালুকটোক। লগতে পিছভৰি ভাঙিছে। দুমাহ-তিনিমাহ ধৰি কিছু ভালুক মানাহৰ পৰা ওলাই আহিছে। আজি যিটো ভালুকৰ পোৱালি হত্যা কৰা হ'ল তাকে নকৰি বন বিভাগক খবৰ দিব পাৰিলেহেঁতেন। বন বিভাগে যাৱতীয় ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিলেহেঁতেন। বন বিভাগে খবৰ পালে ভালুক পোৱালিটোৰ জীৱন ৰক্ষা কৰিব পৰা গ'লহেঁতেন। উল্লেখ্য যে কয়ামাৰী গাঁৱৰ একাংশ ৰাইজে ভালুক হত্যাৰ স'তে জড়িত ৰূপচান আলী, মমিন আলীৰ লগতে আন দুজন জড়িত থকাৰ সন্দেহ ব্যক্ত কৰিছে সংবাদ মাধ্যমৰ আগত।

# ৪০ মাহে নাপালে জলপানিৰ ধন

## বঞ্চিত চাৰি ছাত্ৰ-ছাত্ৰীৰ ন্যায়ৰ বাবে সমাজসেৱকৰ অনশন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৮ জানুৱাৰী ঃ** এমাহ-দুমাহ নহয়, সুদীৰ্ঘ ৪০ মাহে লাভ কৰা নাই জলপানিৰ ধন। এই সন্দৰ্ভত জানিব পৰা মতে, যোৰহাট মোক্তাব আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰিফ ইকবাল হুছেইন, ৰঙাজান চৰকাৰী জুনিয়ৰ বেচিকৰ পৰী বুঢ়াগোহাঁই, কৰঙা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পূজা শইকীয়া আৰু শিখা বৰুৱা নামৰ চাৰি ছাত্ৰ-ছাত্ৰীয়ে ২০১৮তে বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। সেই অনুসৰি তেওঁলোকে ২০১৮ৰ ছেপ্টেম্বৰত চৰকাৰৰ পৰা জলপানিৰূপে লাভ কৰিছিল একোখনকৈ চেক। ছাত্ৰ-ছাত্ৰীকেইগৰাকীয়ে উক্ত চেক ২০১৮ৰ অক্টোবৰতে পাঞ্জাৱ নেছনেল বেংকৰ চিনামৰা শাখাত বিধি অনুসৰি জমা দিয়া হৈছিল। কিন্তু আজি পৰ্যন্ত উক্ত চেকৰ ধন ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ একাউন্টত জমা নহ'ল। ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ অভিভাৱকে একাধিকবাৰ বেংকটোৰ কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰিছে যদিও কোনো সদুত্তৰ পোৱা নাই বুলি জানিবলৈ দিছে। আনহাতে, জিলা উপায়ুক্তকো দুবাৰকৈ বিষয়টোৰ সন্দৰ্ভত জনোৱা হয় যদিও ভুক্তভোগী ছাত্ৰ-ছাত্ৰীকেইগৰাকীয়ে কোনো সমাধান নাপালে। তাৰেই প্ৰতিবাদত আজি মৰিয়নিৰ সমীপৰ নকছাৰী মৰঙীয়াল গাঁৱৰ সমাজসেৱক গুণ দুৱৰাই দেবেৰাপাৰ চাৰি আলিত এক ১২ ঘন্টীয়া অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱাৰে পৰা ভুক্তভোগী ছাত্ৰীক লগত লৈ অকলেই এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে গুণ দুৱৰাই ছাত্ৰ-ছাত্ৰীকেইগৰাকীৰ প্ৰাপ্য আদায়ৰ দাবী জনায়। বিয়লি চাৰি বজাত মৰিয়নিৰ ৰাজহ চক্ৰ বিষয়া অসীম বৰগোঁহাই অনশনস্থলীলৈ গৈ গুণ দুৱৰাক অনশন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে সমগ্ৰ বিষয়টো অনুসন্ধান কৰাৰো আশ্বাস দিয়ে। ইয়াৰ পাছতেই জিলা উপায়ুক্তলৈ গুণ দুৱৰাই ৰাজহ চক্ৰ বিষয়াৰ যোগেদি এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অনশনকাৰী গুণ দুৱৰাই এই ক্ষেত্ৰত পাঞ্জাৱ নেছনেল বেংকৰ চিনামৰা শাখা আৰু ষ্টেট বেংক অৱ ইণ্ডিয়াৰ দিছপুৰ শাখাক জগৰীয়া কৰি শীঘ্ৰেই বঞ্চিত ছাত্ৰ-ছাত্ৰীকেইগৰাকীক তেওঁলোকৰ প্ৰাপ্য ধন আদায় দিবলৈ আহ্বান জনায়।



# তিনিচুকীয়াত কৰ'নাৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে অনুমতি প্ৰদান কৰা কাৰ্যসূচী বাতিল

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৮ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাত প্ৰতিটো দিনতে দ্ৰুতগতিত বৃদ্ধি পাইছে কৰ'নাৰ সংক্ৰমণ। সোমবাৰে দিনটোত জিলাখনত ৪০৬ গৰাকী নতুনকৈ কৰ'নাত আক্ৰান্ত চিনাক্ত হয় আৰু এই পৰ্যন্ত জিলাখনত ১০৬২ গৰাকী কৰ'নাত আক্ৰান্ত সক্ৰিয় ৰূপত আছে। ইফালে, জিলাখনত কৰ'নাৰ বৰ্ধিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ নিৰাপত্তা আৰু স্বাস্থ্যৰ সুৰক্ষাৰ বাবে জিলা প্ৰশাসনে এক নতুন নিৰ্দেশনা জাৰি কৰিছে। মঙলবাৰে অতিৰিক্ত জিলা দণ্ডাধীশে এক নিৰ্দেশনাযোগে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ জিলা প্ৰশাসনৰ তৰফৰ বিভিন্ন সামাজিক, ৰাজনৈতিক, ক্ৰীড়া, শৈক্ষিক, সাংস্কৃতিক, ধৰ্মীয় তথা মনোৰঞ্জন সম্পৰ্কীয় কাৰ্যসূচী অথবা অনুষ্ঠান আয়োজনৰ বাবে আগতীয়াকৈ দিয়া সকলোবোৰ অনুমতি বাতিল কৰিছে আৰু এই নিৰ্দেশনা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। সমান্তৰালভাৱে জিলা উপায়ুক্ত নাৰ্ছিং পাৱাৰে নিজে চহৰখনৰ একাংশ ৰাজহুৱা স্থান হঠাৎ পৰিদৰ্শন কৰাৰ লগতে জনসাধাৰণক মাস্ক পৰিধান কৰাৰ লগতে সামাজিক দূৰত্ব বজাই ৰাখিবলৈ আহ্বান জনায়।

# চতুৰ্থবৰ্গৰ কৰ্মচাৰী প্ৰদীপ দিহিংগীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৮ জানুৱাৰী ঃ** ডিমৌ কোঁৱৰ দিহিংগীয়া গাঁৱৰ নিবাসী তথা দিচাং ৰজাবাৰী হাইস্কুলৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী প্ৰদীপ দিহিংগীয়াৰ কালি শাৰীৰিক অসুস্থতাৰ ফলত মৃত্যু হয়। মৃত্যুৰ সময়ত দিহিংগীয়াই পত্নী, পুত্ৰ, কন্যা আত্মীয় স্বজনক এৰি যায়। ২০১২ত দিচাং ৰজাবাৰী হাইস্কুলত যোগদান কৰা কৰ্মচাৰীজনৰ মৃত্যুত বিদ্যালয়ৰ প্ৰধান শিক্ষক কেশৱ দেউৰী, সহঃপ্ৰধান ৰাজেন চাংমায়ে গভীৰ শোক প্ৰকাশ কৰিছে।

## অনুষ্ঠিত হ'ব বিভিন্ন শৈক্ষিক-সাংস্কৃতিক প্ৰতিযোগিতা

# আজিৰে পৰা ত্ৰয়োদশ বৰ্ষৰ বৰহোলা গ্ৰন্থমেলা আৰম্ভ

বিশেষ সংবাদদাতা

**নগাবাট, ১৮ জানুৱাৰী ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ বৰহোলা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু বৰহোলা মহাবিদ্যালয়ৰ পুথিভঁৰালৰ সহযোগত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ ত্ৰয়োদশ বৰ্ষৰ বাবে বৰহোলা গ্ৰন্থমেলা আয়োজন কৰা হৈছে। বিগত বৰ্ষত ৰাইজৰ অভুতপূৰ্ব সঁহাৰিত উৎসাহিত হোৱা উদ্‌যাপন সমিতিয়ে এইবাৰো বৰহোলা মহাবিদ্যালয় প্ৰাংগণত ছদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলাইছে। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণেৰে কাৰ্যসূচী আৰম্ভ হ'ব। পাছত ত্ৰয়োদশ বৰ্ষ বৰহোলা গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰাৰ অন্তত প্ৰতিযোগিতাৰ কাৰ্যসূচী উদ্বোধন কৰাৰ লগে লগে কে'বাটাও শাখাত লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, ২০ জানুৱাৰীত নেওঁতা গোৱা, সাধু কোৱা, বিয়ানাম প্ৰতিযোগিতা। ২১ জানুৱাৰীত বৰহোলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ব্যৱস্থাপনাত হাতৰ আখৰ, শ্ৰুতলিপি, ছবিত ৰং কৰা আৰু সদৌ অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২২ জানুৱাৰীত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। ২৩ জানুৱাৰীত বিষ্ণু সংগীত, পাৰ্বতি সংগীত, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। ২৪ জানুৱাৰীত বৰহোলা মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান আৰু দুপৰীয়া বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সন্ধিয়ালৈ অনুষ্ঠিত হ'ব বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। উল্লেখ্য যে গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি 'দলং' নামৰ এখন স্মৃতিগ্ৰন্থ আৰু বহুকেইজন লেখকৰ কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। সকলো গ্ৰন্থপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰাৰ লগতে প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ উদ্‌যাপন সমিতিৰ ৯১০১১০৭২৮৮, ৬০০১৯৩৯৪৪৮ আৰু ৭৮৯৬৩৭০০৩০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

**মৰাণত হত্যাকাৰীক গ্ৰেপ্তাৰ**

# পৰকীয়া প্ৰেমৰ পৰিণতিত হত্যাকাৰী স্বামীসহ এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**মৰাণ, ১৮ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণৰ শিংৰিজান আৰু খুমটাই চাহ বাগিচাত মাঘবিহুৰ দিনা দুটাকৈ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। এজন হত্যাকাৰীয়ে আত্মসমৰ্পণৰ পাছত আজি আৰক্ষীয়ে আনটো হত্যাকাণ্ডৰ লগত জড়িত দুজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে শিংৰিজান চাহ বাগিচাৰ নিবাসী পৰমেশ্বৰ গড় (৩০) নামৰ লোকজনৰ মৃতদেহ এটা পুখুৰীত উদ্ধাৰ কৰা হৈছিল। পৰকীয়া প্ৰেমৰ পৰিণতিত স্বামী আৰু এজন সহযোগীয়ে মিলি চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত শিংৰিজান চাহ বাগিচাৰ টেঙানী লাইনৰ নিবাসী তুলসী গড়ৰ পুত্ৰ পৰমেশ্বৰ গড় (৩০)ক হত্যা কৰি হাঁহচৰা অইলৰ ৮৫ খাদৰ পুখুৰীত পেলাই থৈ যোৱাৰ অভিযোগত অভিযুক্ত ক্ৰমে তেলবাৰী লাইনৰ নিবাসী চৰ্কা মুণ্ডাৰ পুত্ৰ মহেশ মুণ্ডা (৩৫) আৰু হাঁহচৰাৰ বুধোৱা মুণ্ডাৰ পুত্ৰ দেবাৰু মুণ্ডা (৩৫)ক গ্ৰেপ্তাৰ কৰি কালি জেললৈ প্ৰেৰণ কৰা হয়। আনহাতে, খুমটাই বামলাইনৰ প্ৰয়াত গণেশ কলৰ পুত্ৰ ভাইটি কল (৩৫)ক দাৰে ডিঙিত প্ৰহাৰ কৰি হত্যা কৰাৰ অভিযোগত সম্বন্ধীয় সৰু ভ্ৰাতৃ কৃষ্ণ কলৰ পুত্ৰ শংকৰ কল (২২) কো একেখন আৰক্ষী থানাতে গোচৰ পঞ্জীয়ন কৰি জেললৈ প্ৰেৰণ কৰে।

# ধুবুৰীৰ পানবাৰী কেন্দ্ৰীয় বিদ্যালয়ত অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী ক'ভিডত আক্ৰান্ত

অগ্ৰদূত বাৰ্তা
**আগমনী, ১৮ জানুৱাৰী ঃ** ধুবুৰী জিলাৰ পানবাৰীস্থ কেন্দ্ৰীয় বিদ্যালয়ৰ অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীৰ শৰীৰত ক'ভিড পজিটিভ চিনাক্তকৰণ হোৱাত কালিৰে পৰা আৰম্ভ হ'বলগীয়া ইউনিট টেষ্ট পৰীক্ষা সাময়িকভাৱে বাতিল কৰে বিদ্যালয় কৰ্তৃপক্ষই। উল্লেখ্য ক'ভিডৰ এছ অ' পি অনুসৰি ইতিমধ্যে কেন্দ্ৰীয় বিদ্যালয়ত পঞ্চম শ্ৰেণীলৈ বন্ধ আৰু নিয়মিত অনলাইন শ্ৰেণীৰ কাম হৈ আছে। ষষ্ঠ শ্ৰেণীৰ পৰা অফলাইন ক্লাছ চলি থকাৰ সময়তে কালি স্বাস্থ্য বিভাগে ছাত্ৰ-ছাত্ৰীৰ ক'ভিড পৰীক্ষাৰ ব্যৱস্থা কৰে। ক'ভিড পৰীক্ষাত পজিটিভ চিনাক্ত হোৱা ছাত্ৰ-ছাত্ৰীক ক'ভিডৰ বাবে প্ৰয়োজনীয় হোৱা সকলো ঔষধৰ এটি কিট অভিভাৱকৰ হাতত দি ঔষধ লোৱাৰ নিয়ম-নীতি লিখিত হিচাপে দি এসপ্তাহৰ পাছত পুনৰ ক'ভিড পৰীক্ষা কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। এনেদৰে ছাত্ৰ-ছাত্ৰীৰ গাত ক'ভিড পজিটিভ চিনাক্তকৰণ হোৱাত ইতিমধ্যে অন্যান্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ মাজতো আতংকৰ সৃষ্টি হৈছে। অন্যান্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ক'ভিড পৰীক্ষা কৰিলেও এনেদৰে পজিটিভ চিনাক্তকৰণ হ'লেই প্ৰায়বোৰ বিদ্যালয় বন্ধ হোৱাটোক নুই কৰিব নোৱাৰি। স্বাস্থ্য বিভাগে সতৰ্কতামূলকভাৱে বিদ্যালয়সমূহত ক'ভিড পৰীক্ষাৰ ব্যৱস্থাৰে ক'ভিডৰ প্ৰকোপৰ বিষয়ে জনাৰ প্ৰয়োজন আছে বুলি সচেতন মহলে ধাৰণা কৰিছে।

## মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ আয়োজন

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১৮ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ দিখৌপৰীয়া সন্মিলিত মহিলা সমাজৰ উদ্যোগত অহা ২৩ আৰু ২৪ জানুৱাৰীত কোঁৱৰপুৰৰ বাৰীচোৱা গাঁও বৰনামঘৰ প্ৰাংগণত উজনি অসম ভিত্তিত মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ক'ভিড বিধি অনুসৰি অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলক ৯৬৭৮৯-৪৭৫২৬, ৯৯৫৪৪-৩২১৪২ আৰু ৭০৮৬৮-৯২৮০৩ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।


শিল্পী ঘন বৰদলৈক সম্বৰ্ধনা যমুনামুখত।

# দেৰগাঁৱত পেঞ্চনাৰ সন্থা-ৰাংঢালী সাংস্কৃতিক গোষ্ঠীৰ শিল্পী দিৱস

অগ্ৰদূত বাৰ্তা
**বৰুৱা বামুণগাঁও, ১৮ জানুৱাৰী ঃ** দেৰগাঁৱৰ বিভিন্ন সংগঠনৰ উদ্যোগত কালি শিল্পী দিৱস উদ্‌যাপন কৰা হয়। চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ দেৰগাঁও শাখাই নিজা কাৰ্যালয় প্ৰাংগণত শিল্পী দিৱস উদ্‌যাপন কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সন্থাৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস, তথা পেঞ্চনাৰ পযেকৰ প্ৰথম কাৰ্যসূচী শিল্পী দিৱস উপলক্ষে পুৰা সভাপতি হৰিপ্ৰসাদ বৰদলৈয়ে পতাকা উত্তোলন, দেৰেন কুমাৰ পালে স্মৃতিতৰ্পণ কাৰ্যসূচী মুকলি কৰাৰ পাছত হৰিপ্ৰসাদ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত শিল্পী দিৱস আৰু প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিশিষ্ট শিল্পী পূৰালী বৰুৱা আৰু সন্থাৰ জ্যেষ্ঠ সদস্যা দীপ্তি গগৈক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিল্পীগৰাকীয়ে কে'বাটাও জ্যোতি সংগীত পৰিৱেশন কৰে। সন্থাৰ প্ৰাক্তন সম্পাদক তথা বৰ্তমানৰ উপদেষ্টা গুণীন্দ্ৰ নাথ শৰ্মাই নিৰ্দিষ্ট বক্তাৰ ভাষণ দি কৰণাকালীন বিভীষিকা সময়ৰ এটি স্বৰচিত গীত পৰিৱেশন কৰে। পেঞ্চনাৰ সন্থাৰ জন্মৰ পৰা বৰ্তমানলৈ বিভিন্ন দিশ সামৰি তেওঁ বক্তব্য দাঙি ধৰে। শিক্ষাবিদ যতীন্দ্ৰ নাথ নেওগেও সভাত ভাষণ দিয়ে। সম্পাদক জীতেন্দ্ৰ প্ৰসাদ শৰ্মা ঠাকুৰে আঁত ধৰা সভাখনত সন্থাৰ উপ-সভাপতি সুৰেন্দ্ৰ কুমাৰ দত্ত, অখিল শইকীয়া, সন্থাৰ বিষয়ববীয়া, সদস্যসকলৰ উপৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ইফালে, দেৰগাঁৱৰ ৰাংঢালী সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত নৰেন শৰ্মা স্মৃতি পথাৰত বিস্তৃত কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন কৰা হয়। পুৰা অধ্যাপক ড° ৰমানন্দ দাসে পতাকা উত্তোলন, সাহিত্যিক নুৰুল চুলতানে স্মৃতিতৰ্পণ কৰাৰ পাছত চিত্ৰাংকন, কবিতা আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৃহত্তৰ দেৰগাঁৱৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ অন্তত ৰাংঢালী সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰা হয়। সন্ধিয়া সাংস্কৃতিক কাৰ্যক্ৰমেৰে অনুষ্ঠানৰ সামৰণি পৰে।

আনহাতে, দেৰগাঁৱৰ সৃষ্টি সংগীত একাডেমী আৰু শিঙৰাজানৰ বিষ্ণু জ্যোতি পুথিভঁৰালতো চৰকাৰী নিৰ্দেশনা মানি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

# হাজোৰ বৰম্বৈ-ক্ষেত্ৰিহাৰদিয়াত ৰূপকোঁৱৰক শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা
**হাজো, ১৮ জানুৱাৰী ঃ** আজি হাজোৰ- বৰম্বৈত ৰূপকোৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭১ সংখ্যক মৃত্যু তিথি সম্পূৰ্ণ কক্সভিড প্ৰটোকল মানি অনুষ্টুপীয়াকৈ পালন কৰে। বৰম্বৈ সাহিত্য সভাৰ উদ্যোগত তদুপলক্ষে পুৰা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বৰম্বৈ সাহিত্য সভাৰ সভাপতি অনিলেন্দ্ৰ মোহন ডেকাই। ইয়াৰ পিছতে জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি তথা শিশু সাহিত্যিক হাছেম পিয়াৰ, বৰম্বৈ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অকন চন্দ্ৰ দাস, প্ৰাক্তন সম্পাদক তথা নাট্য কৰ্মী নৰেশ্বৰ ৰাজবংশী আৰু হৰমোহন দাসে। সমগ্ৰ অনুষ্ঠানটোৰ আত ধৰে বৰম্বৈ সাহিত্য সভাৰ সম্পাদক হিতেন দাসে। ইফালে, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কে, চি, কে জাতীয় বিদ্যালয়ৰ সহযোগত শিল্পী দিৱস উদযাপন কৰা হয়। উক্ত অনুষ্ঠানটোত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা দেবাশীষ শৰ্মা, সভাপতি ধ্ৰুৱজ্যোতি দাস, সাধাৰণ সম্পাদক ৰুবুল কলিতা আৰু বিদ্যালয়খনৰ অধ্যক্ষ পৰশমণি কলিতাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যৰ্পন কৰি বন্তি প্ৰজ্বলন কৰে আৰু ইয়াৰ পাছত বিদ্যালয়খনৰ কে'বাজনো ছাত্ৰ-ছাত্ৰীয়ে জ্যোতি সংগীত আৰু নৃত্য প্ৰদৰ্শন কৰি জ্যোতিপ্ৰসাদ আগৰৱালাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। উক্ত অনুষ্ঠানটোত আছু নেতা চন্দন মহন্ত, বিজয় কৃষ্ণ দাস, ৰাজীৱ দাস,হিৰক কলিতা, হীৰক জ্যোতি নাথৰ লগতে বিদ্যালয় খনৰ কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# গোসাঁইগাঁৱত ক'ভিড আক্ৰান্তৰ সংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি

**আজিৰ দিনটোতে ৰেট পৰীক্ষাত ধৰা পৰিল ১০৮ জন ঃ মাস্ক পৰিধান নকৰাসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ আহ্বান**

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও, ১৮ জানুৱাৰী ঃ** দেশ তথা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ক'ভিডৰ নতুন ৰূপ অ'মিক্ৰনৰ সংক্ৰমণ বিপজ্জনকভাৱে বৃদ্ধি পাই অহাৰ মাজতে কোকৰাঝাৰ জিলাতো ক'ভিডৰ এই নতুন সংক্ৰমণে জিলাখনলৈ কঢ়িয়াই আনিছে ভয়াৱহ বিপদৰ সংকেত। আজিৰ দিনটোৰ অন্তত জিলাখনত সৰ্বমুঠ ১০৮গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই জানিবলৈ দিছে। ক'ভিডৰ নৱতম ৰূপ অ'মিক্ৰনৰ আবিৰ্ভাৱৰ পাছত জিলাখনত এতিয়ালৈকে সৰ্বাধিক সংখ্যাক ১০৮ গৰাকী ব্যক্তি ৰেপিড এণ্টিজেন পৰীক্ষাত আক্ৰান্ত হোৱাৰ খবৰে গোসাঁইগাঁও মহকুমাবাসীক স্বাভাৱিকতে ভীতিগ্ৰস্ত কৰি তুলিছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি সম্প্ৰতি জিলাখনত ২০৯ গৰাকী ব্যক্তি ক'ভিডত আক্ৰান্ত হৈ আছে। ইয়াৰে ২৬জনে চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ বিপৰীতে ২৬০গৰাকী গৃহ আছুতীয়াকৰণ হৈ আছে। তথ্য অনুসৰি আজি জিলাখনৰ বিভিন্ন স্থানত মুঠ ১০৫৬ গৰাকী ব্যক্তিক ক'ভিড পৰীক্ষা (ৰেট) সম্পন্ন কৰা হয়।

উল্লেখ্য যে মহকুমাটোৰ সদৰ স্থান গোসাঁইগাঁও চহৰত জনসাধাৰণৰ মাজত ক'ভিড সচেতনতা বৃদ্ধি পোৱা পৰিলক্ষিত হোৱা নাই। প্ৰশাসনে কেৱল জনসংযোগৰ মাইকিং ব্যৱস্থাৰ জৰিয়তে দুটামান ঘোষণা কৰিয়েই নিজৰ দায়িত্ব সামৰাৰ বিপৰীতে একাংশই মাস্ক নিপিন্ধাকৈ অনবৰত চহৰখনত টিঙিলঘিলাই ঘূৰি ফুৰাত এইসকলৰ জৰিয়তেই সমগ্ৰ মহকুমাটোত ক'ভিডৰ ব্যাপক সংক্ৰমণ ঘটিব বুলি শংকিত হৈ পৰিছে সৰ্বসাধাৰণ। সেয়েহে এইসকলক নাকী লগাবৰ বাবে প্ৰশাসনৰ পোনপটীয়া হস্তক্ষেপৰ তাৎক্ষণিক প্ৰয়োজন বুলিও সৰ্বসাধাৰণে দাবী জনাইছে।

# দেৰগাঁৱত বিদ্যালয়ত চুৰি

**দেৰগাঁও, ১৮ জানুৱাৰী ঃ** দেৰগাঁৱৰ সমীপৱৰ্তী ব্ৰহ্মপুত্ৰ অঞ্চলৰ পশ্চিম জৰাগুৰি প্ৰাথমিক বিদ্যালয়ত সংঘটিত চুৰিকাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়ৰ গডৰেজ শ্ব'কেছ ভাঙি চোৰে লুটপাট চলায়। খিৰিকী ভাঙি চোৰ সোমাই নামফলকৰ পৰা আদি কৰি প্ৰধান শিক্ষকৰ ফটো পৰ্যন্ত কাটি লৈ যায়। ইয়াৰ পাছত বিদ্যালয়খনত উদ্ধাৰ হৈছে সুৰাৰ বটল আৰু ব্ৰেডৰ পেকেট। ইয়াৰ পূৰ্বেও এইখন বিদ্যালয়ত চোৰে এৰি গৈছিল টৰ্চ লাইট আৰু সুৰাৰ বটল। একাংশ অসামাজিক যুৱকে সুৰাৰ আড্ডা স্থলীত পৰিণত কৰিছে বিদ্যালয়খন।

# গোলাঘাটৰ লক্ষীবাৰীত ৰূপকোঁৱৰক স্মৰণ



অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ১৮ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত বৃহত্তৰ লক্ষীবাৰী অঞ্চলৰ লক্ষীবাৰী শাখা সাহিত্য সভা, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ লক্ষীবাৰীৰ যৌথ উদ্যোগত আৰু গোলাঘাট জিলা সাহিত্য সভাৰ সহযোগত কলামঞ্চৰ সভাকক্ষত কালি শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭১ সংখ্যক শিল্পী দিৱস পালন কৰে। সেই উপলক্ষে পুৱাৰ ভাগত পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰে লক্ষীবাৰী শাখা সাহিত্য সভাৰ সভাপতি সুৰেন বৰাই আৰু স্মৃতি তৰ্পণত অংশগ্ৰহণ কৰে শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চৰ সভাপতি তথা নাট্যকাৰ গকুল বৰাই। সভা সঞ্চালনা কৰে জিলা সাহিত্য সভাৰ সভাপতি পবিত্ৰ বৰবৰাই। সভাত প্ৰগতিশীল বক্তা মনোজ শইকীয়া, ৰজত কাকতি আদি ব্যক্তিসকলে জ্যোতিপ্ৰসাদৰ বিশাল সংস্কৃতি, জীৱন-দৰ্শন আলোকপাত কৰে। সভাত কবি-লেখক অৰূপ শইকীয়া, অংকুৰ শইকীয়া, প্ৰধান শিক্ষয়িত্ৰী সবিতা গগৈ, প্ৰাক্তন শিক্ষয়িত্ৰী শৈল্যবালা কাকতি, জিলা সম্পাদক বন্তি বৰা, সাংগঠনিক সম্পাদক মৃগেশ কাকতি প্ৰমুখ্যে চাৰি শতাধিক লোক উপস্থিত থাকে। সভাৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে শাখা সাহিত্য সভাৰ সম্পাদক খগেন বৰা আৰু কলামঞ্চৰ সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই।

# বিহপুৰীয়া থানাত দালালি কৰা মিজানুৰ ক'ভিডত আক্ৰান্ত

অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৮ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে থানাত দালালি কৰা লোকৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে যোৱা ১৬ জৰনুৱাৰীৰ নিশা বিহপুৰীয়া আৰক্ষীয়ে এজন দালালক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা দালালজনৰ নাম মিজানুৰ ৰহমান (৩০)। মিজানুৰে বিহপুৰীয়া থানাত এজাহাৰ লিখাৰ নামত সহজ-সৰল লোকসকলক বিপথে পৰিচালিত কৰি আহিছিল বুলি আৰক্ষী বিষয়া উৎপল বৰাই জানিবলৈ দিছে। ইফালে, স্বাস্থ্য পৰীক্ষাৰ সময়ত মিজানুৰ ক'ভিড আক্ৰান্ত বুলি নিশ্চিত হোৱাত চিকিৎসাৰ বাবে লখিমপুৰস্থিত ক'ভিড কেয়াৰ চেন্টাৰলৈ প্ৰেৰণ কৰা হয়।

**উন্নয়নৰ লক্ষ্যৰে জেংখাত আধাৰশিলা স্থাপন**

# আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অনিয়ম, দুৰ্নীতি হ'লে ৰেহাই দিয়া নহ'ব

বিশেষ সংবাদদাতা
**খেৰণি, ১৮ জানুৱাৰী ঃ** উন্নয়নৰ লক্ষ্যৰে জেংখাৰ সাপ্তাহিক বজাৰত যোৱা ১৫ জানুৱাৰীত স্থাপন কৰে আধুনিক বজাৰ গৃহ নিৰ্মাণৰ আধাৰশিলা। কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে স্থানীয় বিধায়ক ৰূপছিং টেৰণ, কাৰ্যবাহী সদস্য মংগলছিং তিমুং, পৰিষদীয় সদস্য পৱন কুমাৰ আৰু বজাৰ সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত স্থাপন কৰে আধাৰশিলা। আধাৰশিলা অনুষ্ঠানৰ মুকলি সভাত উপস্থিত ৰাইজক উদ্দেশি মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে নিৰ্মাণ কাৰ্যৰ নিৰীক্ষণ তথা চোৱাচিতাৰ দায়িত্ব সম্পূৰ্ণৰূপে বজাৰ সমিতিৰ হাতত থকাৰ কথা উল্লেখ কৰি কয় যে এপিএআৰটি আঁচনিৰ অধীনত প্ৰায় দুই কোটি টকা আবণ্টন কৰা নিৰ্মাণ কাৰ্যত কোনো ধৰণৰ অনিয়ম, মইমতালি, নিম্নমানৰ নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ কৰিলে সেই বিষয়ে অৱগত কৰিবলৈ ৰাইজক আহ্বান জনায় আৰু তাৰ বিৰুদ্ধে বিহিত ব্যৱস্থা নিজে ল'ব বুলি ৰাইজৰ আগত মন্তব্য কৰে। মুঠতে চৰকাৰী আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অনিয়ম, দুৰ্নীতি আদি সংঘটিত হ'লে সেই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব অৰ্থাৎ ৰেহাই দিয়া নহ'ব বুলি একপ্ৰকাৰ কঠোৰ ভাষাৰে সকীয়াই দিয়ে ঠিকাদাৰ-বিভাগীয় বিষয়ববীয়াসকলক। আনহাতে, আঁচনি ৰূপায়ণ তথা নিৰ্মাণ কাৰ্যত কোনো ধৰণৰ অনিয়ম, মইমতালি, নিম্নমানৰ নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলস্বৰূপে কাৰ্যবাহী সদস্য ৰংহাঙক অৱগত নকৰাকৈ স্বয়ং কোনো লোকে সেই ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিলে তেওঁলোকৰ বিৰুদ্ধেও আইনী ব্যৱস্থা ল'ব বুলি ৰংহাঙে ৰাইজক জানিবলৈ দিয়ে।

# তামুলপুৰত ১৫ গৰাকী ক'ভিড আক্ৰান্ত

**তামুলপুৰ, ১৮ জানুৱাৰী ঃ** ৰাজ্যখনত ক'ভিড আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ সময়তে আজি তামুলপুৰ খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনত থকা চিকিৎসালয়সমূহত ১৭৮ গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষাৰ অন্তত ১৫ গৰাকীৰ দেহত ক'ভিড পজিটিভ ধৰা পৰিছে বুলি জানিব পৰা হৈছে। ইফালে, তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ এছ বি আইৰ দৰংগামেলা শাখাত তিনি কৰ্মচাৰীসহ পাঁচজনৰ দেহত ক'ভিড পজিটিভ ধৰা পৰে। এছ বি আইৰ দৰংগামোল শাখাৰ ক'ভিডত আক্ৰান্তসকল হৈছে ক্ৰমে বেংকৰ পৰিচালক নীলমণি বৰা (৪৬), কেচিয়াৰ অংশুমান চৌধুৰী (২৬), সহায়ক জিতুমণি দাস (৪০) আৰু বেংকটোৰ অস্থায়ী কৰ্মচাৰী চানে ৰাৱট (৪৯) আৰু সমীৰ বসুমতাৰী (২৮)। আটাইকেইজনকে সাতদিনৰ বাবে হোম আইচ'লেছনত থকাৰ বাবে প্ৰেৰণ কৰিছে স্বাস্থ্য বিভাগে।

# চেলেংহাটৰ দলৌগাঁও পথাৰত জুইৰ আতংক

**চেলেংহাট, ১৮ জানুৱাৰী ঃ** মৰিয়নি সমষ্টিৰ পূব লাহিং গাঁও পঞ্চায়তৰ দলৌগাঁও পথাৰত কালি দুপৰীয়া জুইৰ লেলিহান শিখাই বেৰি ধৰে। তথ্য অনুসৰি কোনো লোকে নিজৰ পথাৰৰ নৰা জ্বলাই এৰি থৈ অহাত পাছত জুয়ে দলৈগাঁও পথাৰৰ কে'বা হেক্টৰ মাটিলৈ সম্প্ৰসাৰিত হয়। উল্লেখ্য যে পথাৰখনৰ কাষত পদুমনি চেতিয়া চুকৰ এঘৰ মানুহৰ ঘৰত মাংগলিক কামত ভকতসকল সমবেত আছিল বাবে তেওঁলোকে জুই কিছু পৰিমাণে নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। পাছত অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে উক্ত জুই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰে। স্থানীয় গাঁওবুঢ়াৰ মতে স্থানীয় ৰাইজৰ তৎপৰতাৰ বাবেই কালি পথাৰখনৰ বহু পশুধন জুইত জাহ যোৱাৰ পৰা ৰক্ষা পৰে।

# কমাৰগাঁৱৰ কুহিয়াবাৰীত মালবাহী ট্ৰাক-মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ

**খুমটাই, ১৮ জানুৱাৰী ঃ** কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুঁহিয়াবাৰীত যোৱা ১৩ জানুৱাৰীত দিনৰ প্ৰায় ৩-৩০ বজাত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত এক পথ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে কমাৰগাঁও দিশৰ পৰা তীব্ৰ বেগত অহা এ এছ-০৫ এন ৩৩৪২ নম্বৰৰ পালছাৰ মটৰ চাইকেলখনে বাদুলিপাৰ দিশৰ পৰা আহি থকা এ এছ-০১ জি চি ৭৮০৮ নম্বৰৰ মালবাৰী ট্ৰাকৰে মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত মটৰ চাইকেল আৰোহী বাদুলিপাৰৰ অনিল মোদী, কাৰ্তিক মোদী আহত হয়। ইফালে, দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতেই আৰক্ষী আৰু স্থানীয় ৰাইজে ১০৮ এম্বুলেন্স সেৱাৰ স'তে যোগাযোগ কৰিছিল যদিও যথা সময়ত ঘটনাস্থলীত ১০৮ এম্বুলেন্স সেৱা উপস্থিত নোহোৱাত কমাৰগাঁও আৰক্ষীৰ বাহনতে আহত যুৱক দুজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# চামগুৰিত গৰ্ভৱতী শিক্ষয়িত্ৰীকে ধৰি ২০ জন আক্ৰান্ত ক'ভিডত

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ১৮ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌত নগাঁও স্বাস্থ্য বিভাগৰ অন্তৰ্গত চামগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বিভিন্ন স্থানত দ্ৰুতগতিৰে ক'ভিড পজিটিভ সংক্ৰমিত হোৱা পৰিলক্ষিত হৈছে। কালি স্বাস্থ্য কেন্দ্ৰটোৰ অন্তৰ্গত বিভিন্ন কেন্দ্ৰত কৰা পৰীক্ষাত গৰ্ভৱতী মহিলাসহ ২০ জনৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰিছে। ৰূপহী প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ দুখন মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকো ক'ভিডত আক্ৰান্ত হৈছে বুলি শিক্ষা খণ্ডৰ এক সূত্ৰই জানিবলৈ দিয়ে। বৰঘাট মধ্য ইংৰাজী বিদ্যালয়ৰ তছমিনা বেগম নামৰ গৰ্ভৱতী মহিলা সহকাৰী শিক্ষয়িত্ৰীৰ লগতে গৰুমৰা মধ্য ইংৰাজী বিদ্যালয়ৰ বিৰিঞ্চি বৰা নামৰ আন এজন সহকাৰী শিক্ষকো ক'ভিডত আক্ৰান্ত হৈছে বুলি সূত্ৰটোৱে জানিবলৈ দিয়ে। ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত পঞ্চম শ্ৰেণীলৈকে প্ৰাথমিক বিদ্যালয়সমূহ ৰাজ্য চৰকাৰে বন্ধ কৰি দিছে যদিও মধ্য ইংৰাজী বিদ্যালয়কে ধৰি উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত অফলাইন ব্যৱস্থাৰে বৰ্তমানেও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষকসকলে শিক্ষাদান কাৰ্য চলাই আছে। শিক্ষক-শিক্ষয়িত্ৰীও ক'ভিডত আক্ৰান্ত হোৱাত এতিয়া সচেতন অভিভাৱকৰ মাজত চিন্তাৰ বিষয় হৈছে। চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত সোণাৰীবালি, কাৱৈমাৰী, ৰূপহী, শিংগিয়া, চামগুৰি, বিলপাৰ, ভকতগাঁও, কেঁকুৰাচুক, পুৰণিগুদাম, পানীগাঁও, চাপানালা, ভীমৰগাঁও, ম'হপাৰা, চলচলিকে ধৰি বিভিন্ন স্থানত ক্ৰমান্বয়ে ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ অন্তৰ্গত ক'ভিড আক্ৰান্তৰ সংখ্যা বিগত দিনকেইটাত কম আছিল যদিও কালি বৃদ্ধি পোৱাত ৰাইজ শংকিত হোৱা পৰিলক্ষিত হৈছে।

# জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী খচনুৰ আলীৰ বিয়োগ

বিশেষ সংবাদদাতা
**মঙলদৈ, ১৮ জানুৱাৰী ঃ** বিশ্বনাথ চাৰিআলি জলসিঞ্চন (যান্ত্ৰিক) বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দৰং জিলাৰ মঙলদৈৰ নগৰবাহী কানাইচুবা নিবাসী খচনুৰ আলী (৭৫) দেওবাৰে হঠাতে অসুস্থ হৈ পৰাত মঙলদৈ পলিক্লিনিকত ভৰ্তি কৰে যদিও সন্ধিয়া মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ নগৰবাহী আৰু মঙলদৈ অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃদুভাষী, শান্তি প্ৰকৃতিৰ আলীৰ বিয়োগত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰামনন্দ ৰাজবংশী, মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা ছহিৰ ভূঞা, দৰং জিলা সমিতিৰ সভাপতি আমানুল্লা পাছা, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, নগৰবাহী ঈদগাহ সমিতি, নগৰবাহী দাৰুল উলুম মাদ্ৰাছা সমিতি, নগৰবাহী উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি, প্ৰয়াস সংঘ, নগৰবাহী গাঁও পঞ্চায়তৰ সভাপতি চৰিফুল হক, আপকুৰ দৰং জিলা সমিতিৰ সম্পাদক মকছেদ আলী, সামাজিক অনুষ্ঠান প্ৰত্যয়, চমুৱাপাৰা গাঁও পঞ্চায়তৰ বিষয়ববীয়া প্ৰমুখ্য বিশিষ্ট ব্যক্তি দল-সংগঠন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত আলীয়ে একমাত্ৰ পুত্ৰ আৰু এগৰাকী কন্যাৰ লগতে বহু আত্মীয়ক এৰি যায়।

# সৰবৰহী মহিলা তৰুবালা গোস্বামীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বৰুৱা বামুণগাঁও, ১৮ জানুৱাৰী ঃ** ঢেকীয়াল গৌৰাংগ সত্ৰ নিবাসী সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা তৰুবালা গোস্বামী (৮৯)ৰ কালি পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁ পাঁচজন পুত্ৰ আৰু কন্যাসহ বহু গুণমুগ্ধক এৰি যায়।

# ১৩২ সংখ্যক বাৰ্ষিক ভাওনা উৎসৱৰ লাইখুঁটা স্থাপন

**লাইখুঁটাত গামোচা বান্ধি মনোবাঞ্ছা পূৰণৰ আশীৰ্বাদ**

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১৮ জানুৱাৰী ঃ** এখন ভাওনাক লৈ হেজাৰ হেজাৰ জনসাধাৰণৰ উৎসাহ-উদ্দীপনা। বিশ্বাস-আধ্যাত্মিকতা। ভাওনা ভাগি উদ্‌যাপনৰ বাবে কালি স্থাপন কৰা লাইখুঁটা হেজাৰ হেজাৰ গামোচাৰে ভৰি পৰে। লাইখুঁটাতে কে'বা সহস্ৰাধিক ভক্তই ভক্তিভাৱেৰে সেৱা-সৎকাৰ কৰি মনোবাঞ্ছা পূৰণৰ বাবে বান্ধিলেহি ইখনৰ পাছত সিখন গামোচা। লোকে লোকাৰণ্য হৈ পৰে পৰিৱেশ। অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শংকৰদেৱৰ অনুপম সৃষ্টি অংকীয়া ভাওনাৰ জৰিয়তে অসমীয়া সভ্যতাৰ তথা অসমীয়া জাতীয় সাংস্কৃতিৰ বুনিয়াদ গঠন কৰি অসমীয়া সংস্কৃতিক চিৰদিনৰ বাবে এক গতিশীলতা প্ৰদান কৰি গৈছিল। ভাওনাৰ এনে এক ঐতিহ্যৰ বাবেই বৰপথাৰবাসী ৰাইজে সুদীৰ্ঘ কাল ধৰি ধাৰাবাহিক ভাৱে ব্ৰজাৱলী ভাষাৰ ভাওনা উদ্‌যাপন কৰি অহাৰ লগতে এইবাৰ ১৩২ সংখ্যক ভাওনা অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলাইছে। প্ৰতি তিনি বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত কৰি অহা এই ভাওনাৰ লোকবিশ্বাস অনুযায়ী ভক্তি, প্ৰেম, শ্ৰদ্ধা আৰু আন্তৰিকতাৰে এগছি বন্তি জ্বলাই সেৱা তথা প্ৰাৰ্থনা জনালে ভক্তৰ মনোবাঞ্ছা পূৰণ হয় বুলি অতীজৰে পৰা বিশ্বাস। সেই বিশ্বাসৰ বাবেই বৰপথাৰ কমাৰগাঁও ভাওনা আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ ১৩২ সংখ্যক ভাওনাৰ লাইখুঁটা স্থাপন স্থলীত এক অভূতপূৰ্ব পৰিৱেশ হোৱাৰ লগতে ক'ভিড আতংক নেওচি হেজাৰ হেজাৰ ভক্তই অংশগ্ৰহণ কৰে। অহা ১১ আৰু ১২ ফেব্ৰুৱাৰীত আয়োজন কৰা ভাওনাত এইবাৰ পৰিৱেশন কৰিব 'ভীষ্ম পৰ্ব' নামৰ ব্ৰজাৱলী ভাষাৰ নাট। আজি সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰা, আধ্যাত্মিকতাৰ মাজেৰে গায়ন-বায়নৰ জৰিয়তে স্থাপন কৰা লাইখুঁটাত সহস্ৰাধিক গামোচা বান্ধি মনোকামনা বিচাৰিলে ভক্তসকলে। জনবিশ্বাস অনুসৰি লাইখুঁটা স্থাপনৰ সময়ত লাইখুঁটাত গামোচা বান্ধি সেৱা ল'লে মনোকামনা পূৰ্ণ হয় বুলি অতীজৰে পৰা বিশ্বাস আছে।


বেবেজীয়াত শিল্পী দিৱস পালন, সোমবাৰে।

## ■ সামান্য বতাহতে ষ্টেণ্ডসহ পানীৰ টেংকী ভাঙি চূৰমাৰ

# মাটিয়াৰ উপ-স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত দুৰ্নীতি



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ জানুৱাৰী ঃ** মাটিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ বামুণপাৰা উপ-স্বাস্থ্য কেন্দ্ৰ মেৰামতিৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। প্ৰাক্কলনক বিসৰ্জন দি দায়িত্বৰত ঠিকাদাৰে অতি নিম্নমানৰ কাম কৰা বাবেই সামান্য বতাহতে ষ্টেণ্ড বাগৰি পানীৰ টেংকী ভাঙি চূৰমাৰ হৈছে। ইপিনে, অতি নিম্নমানৰ কাঠ আৰু জোৰা-টাপলিৰে প্লাইউডৰ দুৱাৰ লগোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। নিম্নমানৰ কাম প্ৰত্যক্ষ কৰি স্থনীয় ৰাইজ তথা উপ-স্বাস্থ্য কেন্দ্ৰ পৰিচালনা সমিতিৰ একাংশ সদস্যই দায়িত্বৰত ঠিকাদাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰে যদিও কোনো ধৰণৰ সুফল নোপোৱা বুলি অভিযোগ উত্থাপিত হৈছে। বিভাগীয় সূত্ৰ এটাৰ মতে বামুণপাৰা উপ-স্বাস্থ্য কেন্দ্ৰৰ লগতে মুঠ পাঁচটাকৈ স্বাস্থ্য কেন্দ্ৰৰ মেৰামতিৰ নামত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনে ৩৪ লাখ টকা আবণ্টন দিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত মেৰামতিৰ ক্ষেত্ৰত সংঘটিত হোৱা দুৰ্নীতিৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই নীৰৱতা অৱলম্বন কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সেয়ে প্ৰাক্কলন অনুযায়ী মেৰামতিৰ কাম সম্পূৰ্ণ কৰিবলৈ স্থানীয় সচেতন মহলে দাবী জনাইছে।

# মুকিব জামাল আহমেদৰ গ্ৰেপ্তাৰত প্ৰতিক্ৰিয়া

## ■ মৰিয়নি থানাৰ আৰক্ষীয়ে পঠিয়ায় এজাহাৰ লিখিবলৈ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে সমগ্ৰ ৰাজ্যতে থানাৰ দালালৰ বিৰুদ্ধে চলোৱা অভিযানত মৰিয়নিৰ এজন সমাজ সচেতন ব্যক্তিক গ্ৰেপ্তাৰ কৰা কাৰ্যই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা ১৭ জানুৱাৰীত মৰিয়নিৰ আৰক্ষীয়ে মুকিব জামাল আহমেদ নামৰ লোকজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা ১৫ জানুৱাৰীৰ সন্ধিয়া নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা থানালৈ বুলি মাতি নি গোটেই নিশা থানাত বহুৱাই থৈ কালি গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। আহমেদক মৰিয়নি আৰক্ষী থানাত ১৮/২২ নম্বৰ গোচৰত ভাৰতীয় দণ্ড বিধিৰ ১২০-বি/৪২০/৩৮৪/৪৬৫/৪৬৮/৪৬৯ ধাৰাৰ অধীনত এক গোচৰ ৰুজু কৰা হৈছে। দুখীয়া লোকৰ লগতে শিক্ষা-দীক্ষা নথকা একাংশ ভুক্তভোগী লোকক সামান্য মাননিৰ বিনিময়ত কেতিয়াবা এজাহাৰ লিখি দিয়াৰ বাবেই চৰকাৰৰ ওচৰত অপৰাধী হ'ল মৰিয়নিৰ সমাজ সচেতন ব্যক্তি আহমেদ। মৰিয়নি থানা তিনিআলিত এখন সৰু দোকান দি জীৱন নিৰ্বাহ কৰা আহমেদে বিভিন্ন সময়ত এজাহাৰ বা অন্য আবেদনপত্ৰ লিখি দিছিল। মৰিয়নিৰ বিভিন্ন চাহ বাগিচা, গ্ৰামাঞ্চল বা নগৰৰ লোকে তেওঁলোকৰ ঘৰুৱা কাজিয়া, সৰুসুৰা বিবাদ সকলোতে আহমেদৰ ওচৰলৈ আহি কাগজ এখন লিখাই থানাত দিয়ে। আনকি মৰিয়নি আৰক্ষী থানালৈ যোৱা ভুক্তভোগীকো থানাৰ আৰক্ষীয়ে তেওঁৰ ওচৰলৈ এজাহাৰ লিখিবলৈ পঠিয়াই দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাহিৰা লোকক এজাহাৰ নিলিখিবলৈ সকীয়নি প্ৰদান কৰাৰ দিন ধৰি আহমেদে এজাহাৰ লিখাটো সম্পূৰ্ণৰূপে বন্ধ কৰি দিছিল। মৰিয়নি ক্ৰীড়া সন্থা, কিংশুক চ'ৰা, হোলোঙাপাৰ নেচাৰ্ছ ছ'চাইটী, অসম সাহিত্য সভা আদিৰ লগত জড়িত আহমেদ এজন প্ৰবীণ আৰু সক্ৰিয় কংগ্ৰেছ কৰ্মী। তেওঁ এজন সমাজ সচেতন আৰু প্ৰকৃত প্ৰকৃতিপ্ৰেমী হিচাপেও একাধিক কাম কৰি গৈছিল। তেওঁ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰো এসময়ত ঘনিষ্ঠ আছিল। লক্ষ্যণীয় যে আহমেদে বিভিন্ন লোকৰ এজাহাৰ লিখিলেও কোনোদিনেই মধ্যস্থতাকাৰী বা দালালি কৰা দেখা নগৈছিল। মাত্ৰ এজাহাৰ এখন লিখি দিয়াতেই নিজৰ দায়িত্ব সামৰিছিল। ইয়াৰ বিপৰীতে আৰক্ষীৰ স'তে সুসম্পৰ্ক ৰক্ষা কৰি চলা একাংশ মধ্যস্থতাকাৰী আজিও মৰিয়নিত বীৰদৰ্পে ঘূৰি ফুৰিছে। এনে লোকৰ বিৰুদ্ধে আৰক্ষীয়ে কিবা ব্যৱস্থা ল'বনে? স্বাভাৱিকতে এনে এজন লোকক থানাৰ দালাল সজাই গ্ৰেপ্তাৰ কৰা কাৰ্যই মৰিয়নিত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# নামঘৰ আত্মা-পৰমাত্মাৰ মিলনৰ সেতু ঃ ননীগোপাল দেৱগোস্বামী

## ■ নৱনিৰ্মিত চাৰিং মাজগাঁৱৰ নামঘৰ, তোৰণ, মণিকূট উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৮ জানুৱাৰী ঃ** 'নামঘৰবিহীন সমাজ তথা গাঁও আত্মাবিহীন। মানুহৰ হৃদয়ত আধ্যাত্মিকতাৰ চিন্তা-চেতনা জাগৃত কৰি পবিত্ৰ হৃদয়ৰ গৰাকী হোৱাত নিৰবচ্ছিন্ন অৱদান আগবঢ়াই অহা নামঘৰ নিৰ্মাণ কৰাটো অতি পুণ্য কৰ্ম। এনে পুণ্য কৰ্মফলৰ প্ৰভাৱ কৰ্তাৰ উপৰি সপ্তম পুৰুষলৈও বিয়পি পৰে।' যোৱা ১৭ জানুৱাৰীত নৱপ্ৰতিষ্ঠিত চাৰিং মাজগাঁৱৰ নামঘৰ, মণিকূট, তোৰণ আৰু নামঘৰৰ আসনৰ উদ্বোধন কৰি এইদৰে কয় দক্ষিণপাটীয় সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে। পুৱা নাম উদ্‌যাপন সমিতিৰ সভাপতি ভুবন দত্তই ধৰ্মধ্বজ্জা উত্তোলনেৰে পাতনি মেলা নামঘৰ উদ্বোধনী অনুষ্ঠানত সত্ৰাধিকাৰ দেৱগোস্বামীয়ে প্ৰসংগক্ৰমে আৰু কয় যে নামঘৰ হৈছে আত্মা- পৰমাত্মাৰ মিলনৰ সেতু। নাম উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে ভুবন দত্ত আৰু সঞ্জীৱ দত্তই আঁত ধৰা অনুষ্ঠানৰ পুৱা ম'ৰাবজাৰ সমবায় সমিতিৰ সভাপতি জগদ্দীশ গগৈয়ে স্মৃতিতৰ্পণ, গৌৰীসাগৰৰ যুৱ ব্যৱসায়ী জিতু দত্তই বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰে। পুৱাৰে পৰা অঞ্চলটোৰ প্ৰায় সাতখন গাঁৱৰ বহু সংখ্যক ভকত বৈষ্ণৱৰ উপৰি কে'বাশতাধিক ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে। ইয়াৰ পাছতে বিয়লি এক অনুষ্ঠানত হাফলুটিং হাইস্কুলৰ সহকাৰী শিক্ষক অনন্ত দত্তৰ সম্পাদনাত অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশিত স্থানীয় ধৰমকানিয়া বংশৰ বংশাৱলী 'ধৰমজ্যোতি' উন্মোচন কৰে সাংস্কৃতিক কৰ্মী তথা বিজয় ডেকা মাহাৰা সত্ৰৰ গৌতম গোস্বামীয়ে। পাছত শিৱসাগৰৰ সপ্তৰথী শিল্পী সমাজৰ দ্বাৰা ক'ভিড প্ৰট'কলৰ মাজেৰে মঞ্চস্থ হোৱা 'মৎস্য অৱতাৰ' নাটৰ ভাওনা উদ্বোধন কৰে সমাজকৰ্মী-যুৱনেতা ময়ূৰ বৰগোহাঁয়ে।



# শ্ৰীশ্ৰীহৰিমন্দিৰৰ বিগ্ৰহ স্থাপন অনুষ্ঠানৰ লাইখুঁটা স্থাপন খাদী ব'ৰ্ডৰ অধ্যক্ষৰ



**ছয়গাঁও, ১৮ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও টাউনৰ সমীপত থকা হৰি মন্দিৰৰ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা শ্ৰীবিষ্ণুৰ স্থায়ী বিগ্ৰহ প্ৰতিষ্ঠা মহোৎসৱৰ যোৱা ১৭ জানুৱাৰীত লাইখুঁটা স্থাপন কৰা হয়। সুদীৰ্ঘ ২৪ বছৰ ধৰি ছয়গাঁও ৰাস ক্ষেত্ৰত আধৰুৱা হৈ আছিল হৰি মন্দিৰটো। হৰি মন্দিৰটো সম্পূৰ্ণ কৰি তোলে ছয়গাঁও ৰাস মহোৎসৱৰ বৰ্তমানৰ সমিতিখনে। ছয়গাঁও চম্পকনগৰ সাৰ্বজনীন ৰাস ক্ষেত্ৰত সম্পূৰ্ণ হোৱা শ্ৰীশ্ৰীহৰিমন্দিৰটো পূৰ্ণাংগৰূপে গঢ় লৈ উঠা বাবে অহা আঠ, ন আৰু ১০ ফেব্ৰুৱাৰীত বিস্তৃত কাৰ্যসূচীৰে পূজা অৰ্চনা, মহাবিষ্ণু যজ্ঞৰ আয়োজন কৰিছে। ইয়াৰে অংশ হিচাপে আজি ছয়গাঁও ৰাস ক্ষেত্ৰত লাইখুঁটা স্থাপন কৰে ছয়গাঁও ৰাস মহোৎসৱৰ সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতাই। ইয়াৰ পাছতে ছয়গাঁও ৰাস মহোৎসৱৰ সমিতিৰ সভাপতি পৰশুৰাম দাস আৰু সম্পাদক ঘনশ্যাম কলিতাই এক সংবাদমেলৰ আয়োজন কৰি শ্ৰীশ্ৰীহৰি মন্দিৰৰ উদ্বোধনৰ লগত সংগতি ৰাখি অহা আঠ ফেব্ৰুৱাৰীত শ্ৰীবিষ্ণুৰ স্থায়ী বিগ্ৰহ প্ৰতিষ্ঠা কৰিব বুলি জানিবলৈ দিয়ে। মহাবিষ্ণু যজ্ঞত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী প্ৰমুখ্যে কে'বাগৰাকীও ৰাজনৈতিক নেতা, সাহিত্যিক, আধ্যাত্মিক দিশৰ বিদগ্ধ পণ্ডিত উপস্থিত থাকিব।

# কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ ১২ জনীয়া কাৰ্যবাহী সদস্যৰ দপ্তৰ বিতৰণ

## গোকুল বৰ্মনৰ হাতত গ্ৰাম্য পথ-দলং উন্নয়ন, পৰ্যটন, হস্ততাঁত আৰু বস্ত্ৰ শিল্প

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৮ জানুৱাৰী ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যসকলৰ দপ্তৰসমূহ যোৱা ১৫ জানুৱাৰীত বিতৰণ কৰা হয়। অন্তৰ্বৰ্তীকালীন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনে কেএচি/বি/২০২২/০৪ নম্বৰ পত্ৰযোগে যোৱা শনিবাৰে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰে। বিগত বৰ্ষৰ ১৬ ডিচেম্বৰত অভয়াপুৰীস্থিত আৱৰ্ত ভৱনত অনুষ্ঠিত কেএচিৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি দপ্তৰসমূহ বিতৰণ কৰা হৈছে বুলি উল্লেখ কৰা হৈছে। এই অনুসৰি মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনে নিজৰ দায়িত্বত ৰাখে গ্ৰাম্য পথ আৰু দলং যোগাযোগ, প্ৰধানমন্ত্ৰী গ্ৰামীণ স্বৰাজ যোজনা, কটেজ ইণ্ড্ৰাষ্ট্ৰিজ, হস্ততাঁত আৰু বস্ত্ৰ শিল্প, পৰ্যটন আৰু অন্যান্য বিতৰণ নোহোৱা দপ্তৰসমূহ। অধ্যক্ষ হিতেশ্বৰ বৰ্মনক দিয়া হৈছে কৃষি, ৰেচম আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰ । উপাধ্যক্ষ সুকেন ৰায় পশুপালন, কাৰ্যবাহী সদস্য জীৱেশ ৰায়ক ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ, কৰ্মেশ্বৰ ৰায়ক সমবায়, প্ৰদীপ কুমাৰ ৰায় ক্ষুদ্ৰ জলসিঞ্চন, গোলাপ পাঠকক মীন, কাৰ্তিক চন্দ্ৰ ৰায়ক সমাজ কল্যাণ, অতুল চন্দ্ৰ ৰায়ক ভূমি সংৰক্ষণ, সুধীৰ ৰায়ক শিক্ষা বিভাগ (প্ৰাপ্ত বয়স্ক শিক্ষা, প্ৰাথমিক শিক্ষা, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাৰিকৰী শিক্ষা দপ্তৰ), হিমু ৰাজবংশীক বিপণন আৰু পূৰৱী সৰকাৰক সংগ্ৰহালয় আৰু পুৰাতত্ত্ব বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

# চেপন চাহ বাগিচাৰ তলাবন্ধ প্ৰত্যাহাৰ কৰিবলৈ ৰাইজৰ জৰুৰী সভা

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৮ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অধীনস্থ লক্ষ্মী টি কোম্পানীৰ চেপন চাহ বাগিচাত যোৱা ১৪ জানুৱাৰীৰ নিশা বেতবাৰী শাখাৰ এজন অস্থায়ী শ্ৰমিক অসুস্থ হোৱাত চিকিৎসালয়লৈ নিয়াৰ বাবে সময় মতে বাগিচাৰ এম্বুলেঞ্চখন দিব নোৱাৰাৰ বাবেই কেইজনমান সমাজ বিৰোধী ব্যক্তিয়ে চিকিৎসালয়খন লণ্ড ভণ্ড কৰাৰ উপৰি চিকিৎসা কৰ্মীসকলকো অপদস্থ কৰে। ঘটনাটোৰ বুজ ল'বলৈ নিশাই বাগিচাখনৰ মুখ্য পৰিচালক, উপ-পৰিচালক আৰু সহকাৰী পৰিচালক চিকিৎসালয়খনত উপস্থিত হওঁতেই চেপন বাগিচাৰ বেতবাৰী শাখাৰ কিছুমান অস্থায়ী শ্ৰমিকে হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাৰ উপৰি পৰিচালকসকলক অমানৱীয় আচৰণ আৰু শাৰীৰিক আৰু মানসিকভাৱে উৎপীড়ন চলোৱাত ঘটনাৰ নিশাই আটাইকেইজন পৰিচালক বাগিচা এৰি গুচি যায়। আনহাতে, বাগিচাখনত অশান্তি আৰু নিৰাপত্তা নথকাৰ দোহাই দি পাছদিনাৰ পৰা কাৰ্যকৰী হোৱাকৈ বাগিচাখন তলাবন্ধ ঘোষণা কৰে। এই সন্দৰ্ভত যোৱা ১৭ জানুৱাৰীত মাইলেচ তাঁতীৰ সভাপতিত্বত বাগিচাখনৰ প্ৰায় দুশজন শ্ৰমিক-কৰ্মচাৰীৰ উপস্থিতিত এখনি সভা অনুষ্ঠিত হয়। সভাত চাহ মজদুৰ সংঘ আৰু চাহ কৰ্মচাৰী সংঘ মৰাণ শাখাৰ বিষয়ববীয়া, বাগিচা ইউনিটৰ প্ৰতিনিধি, কৰ্মচাৰীবৃন্দ আৰু আটছাৰ বিষয়ববীয়াসকলে উক্ত দিনাৰ ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে ঘটনাত জড়িত থকাসকলক গৰিহণা-ধিক্কাৰ দি সমাজৰ পৰা এঘৰীয়া কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বৰ্তমান বাগিচা এৰি গুচি যোৱা পৰিচালকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰু বাগিচাখনত শান্তি-সম্প্ৰীতি ঘূৰাই অনাত শ্ৰমিক-কৰ্মচাৰী সকলোৰে একেলগে কাম কৰিবলৈ সংকল্প গ্ৰহণ কৰে। সভাই বাগিচাখনৰ লগতে শ্ৰমিক-কৰ্মচাৰীৰ ভৱিষ্যতৰ কথা আন্তৰিকতাৰে বিবেচনা কৰি শীঘ্ৰেই বাগিচাখনৰ তলাবন্ধ প্ৰত্যাহাৰ কৰিবলৈ বাগিচা কৰ্তৃপক্ষলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# গৌৰীপুৰৰ পৰা নিখোঁজ বাগ্‌সাৰ যুৱক

## ■ মানৱ সৰবৰাহকাৰীৰ কৱলত পৰাৰ সন্দেহ পৰিয়ালৰ

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ১৮ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত নিজ বাগানপাৰাৰ তপন বড়ো নামৰ যুৱক এজনে কামৰ সন্ধানত গৈ মহানগৰীৰ পাৰ্শ্বৱৰ্তী তথা কামৰূপ (গ্ৰাম্য) জিলাৰ গৌৰীপুৰৰ পৰা নিখোঁজ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যুৱকজনে গৌৰীপুৰত থকা 'ৰয়েল ফাষ্টাৰ' নামৰ কোম্পানী এটাত কাম কৰিবলৈ লয় যদিও যোৱা ১২ জানুৱাৰীত তপনে তিনিআলি চ'কলৈ ওলাই যোৱাৰ পাছৰে পৰা নিখোঁজ হৈ আছে। পাছত পৰিয়ালৰ লোকে তপনে নিখোঁজ হোৱাৰ খবৰ পাই বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰে যদিও আজি পৰ্যন্ত সন্ধান পাবলৈ সক্ষম নহ'ল। পৰৱৰ্তী সময়ত তপনৰ পত্নীয়ে স্বামী নিখোঁজ হোৱা বুলি গৌৰীপুৰ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে যদিও আৰক্ষীয়ে কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। সেয়েহে কোনো লোকে তপনৰ সন্ধান পালে ওচৰৰ আৰক্ষী থানাত জনাবলৈ আহ্বান জনাইছে পত্নীয়ে। যুৱকজন কোনো মানৱ সৰবৰাহকাৰী চক্ৰৰ কৱলত পৰাৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে।

# গোসাঁইগাঁও চহৰৰ পুখুৰীত উদ্ধাৰ বাৰ্মিজ অজগৰ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৮ জানুৱাৰী ঃ** গোসাঁইগাঁও চহৰৰ তিনি নম্বৰ ৱাৰ্ডৰ ধৰ্মশালা পথ নিবাসী গোসাঁইগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ৰিনয় বসুমতাৰীৰ ঘৰৰ পিছফালে থকা এটা পুখুৰীৰ পৰা আজি এডাল মজলীয়া আকাৰৰ অজগৰ সাপ উদ্ধাৰ কৰা হয় । অধ্যাপক বসুমতাৰীৰ মজলীয়া আকাৰৰ মেটেকাৰে আৱৰা পুখুৰীটোৰ পানী কমি অহাৰ বাবে আজি পানী সিঁচি মাছ ধৰাৰ যোজা চলায়। সেই উদ্দেশ্যে আজি পুৱাৰ ভাগত পানী সিঁচাৰ উদ্দেশ্যে পানী সিঁচা মেচিন লগায় আৰু অৱশিষ্ট পানীখিনি সিঁচাৰ ব্যৱস্থা কৰে । পানী কমি অহাৰ লগে লগে মেটেকা আঁতৰাই মাছ ধৰা পৰ্ব আৰম্ভ কৰিবলৈ ধৰোতে মেটেকাৰ তলত সাপ থকাৰ উমান পায় মাছ ধৰোতাসকলে । সাধাৰণ সাপতকৈ পৃথক সাপডাল পিছত মাছুৱৈসকলৰ দৃষ্টিগোচৰ হয় যদিও মেটেকাৰ তলত সাপডালে আত্মগোপন কৰে । সাপডাল কৰায়ত্ত কৰাৰ বাবে সাপতগ্ৰাম স্থিত প্ৰকৃতি, সাপটগ্ৰাম বাইল্ড লাইফ প্ৰটেকছন ছ'চাইটী নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক তথা সম্পাদক, সৰ্প বান্ধৱ হিচাপে বৃহত্তৰ অঞ্চলটোত সুপৰিচিত বিশ্বজিৎ বৰ্মনক খবৰ দিয়াত বৰ্মনে আহি মেটেকাৰ তলত বোকাত লুকাই থকা অৱস্থাৰ পৰা তেওঁৰ সহযোগী অতনু দাসৰ সহযোগত সাপডাল কোনো হানি- বিঘিনি নোহোৱাকৈ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় । প্ৰায় সাত ফুট দৈৰ্ঘ্যৰ মজলীয়া আকাৰৰ অজগৰডাল ওচৰৰ গুমা বনাঞ্চলৰ পৰা আহি অনুকূল পৰিৱেশ পাই উক্ত স্থানত থিতাপি লোৱা বুলি অনুমান কৰা হৈছে । সম্প্ৰতি কচুগাঁও বন সংমণ্ডল বিষয়াৰ তত্ত্বাৱধানত থকা বাৰ্মিজ প্ৰজাতিৰ প্ৰায় ছয় কিলোগ্ৰাম ওজনৰ অজগৰ সাপডাল অচিৰেই ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত এৰি দিয়া হ'ব বুলি বন সংমণ্ডল প্ৰাধিকাৰী ভানু সিনহাই জানিবলৈ দিয়ে ।

# মেণ্ডোলিন-গীটাৰবাদক শিল্পী মিহিৰ কলিতাৰ মৃত্যু

**ছয়গাঁও, ১৮ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ এগৰাকী আগশাৰীৰ মেণ্ডোলিন আৰু গীটাৰবাদক মিহিৰ কলিতা আৰু নাই। যোৱা ১৩ জানুৱাৰীৰ বিয়লি ৰামপুৰ বালিয়াপাৰাৰ নিজ বাসগৃহত ৫৬ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা কলিতাই এসময়ত অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলতো মেণ্ডোলিন বাদকৰূপে সেৱা আগবঢ়াইছিল। অবিবাহিত কলিতাই দক্ষিণ কামৰূপৰ কে'বাটাও যাত্ৰা দলৰ স'তে জড়িত হৈ আছিল। ৰামপুৰ অঞ্চলৰ পেছাদাৰী-অপেছাদাৰী নাট্য আন্দোলনৰ দীৰ্ঘদিনৰ অক্লান্ত সেৱক কলিতাৰ বিয়োগত বৃহত্তৰ ৰামপুৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত ৰামপুৰ আঞ্চলিক হৰিদেৱ সংঘৰ সভাপতি অবিনাশ শৰ্মা, দক্ষিণ কামৰূপ মহাবিষ্ণু যজ্ঞ ধৰ্ম সংঘৰ সম্পাদক ৰমেন কলিতা, কালিকান্ত নিউজ এজেন্সিৰ স্বত্বাধিকাৰী বিমল শৰ্মা, ৰামপুৰ আঞ্চলিক পঞ্চায়তৰ আঞ্চলিক সদস্য খনীন্দ্ৰ মেধি প্ৰমুখ্যে বহুসংখ্যক নেতৃস্থানীয় ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# ডিগবৈত পাঁচগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা



**ডিগবৈ, ১৮ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ বৰবিল প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত এক নম্বৰ গোলাই প্ৰাথমিক বিদ্যালয়ত পাঁচজন অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় জনোৱাৰ উদ্দেশ্যেৰে এখন বিদায় সভা অনুষ্ঠিত কৰে। বৰবিল শিক্ষক কেন্দ্ৰ গোটৰ সভাপতি শংকৰ উপাধ্যায়ৰ সভাপতিত্ব অনুষ্ঠিত সভাৰ ১৩ *পৃষ্ঠাত চাওক*

# নগাঁৱত হেৰ'ইনসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জানুৱাৰী ঃ** নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে চলাই থকা ধাৰাবাহিক অভিযানৰ অংশ হিচাপে আজিও নগাঁও চহৰত অভিযান চলায়। নগাঁও আৰক্ষীৰ এণ্টিনাৰ্ক'টিক স্কোৱাডে যোৱা ১৭ জানুৱাৰীত চহৰখনৰ



বৈদ্যুটুপ অঞ্চলত অভিযান চলাই হেৰ'ইনসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী দুজন হ'ল ইৰফানুল হক আৰু দুলাল উদ্দিন। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীকেইটাৰ পৰা ২৪টা হেৰ'ইনভৰ্তি কণ্টেইনাৰ জব্দ কৰে। আজি দুপৰীয়া চহৰখনৰ নেহৰু যুৱ কেন্দ্ৰৰ সন্মুখত ড্ৰাগছ সেৱন কৰি থকা কেইজনমান যুৱকক স্থানীয় একাংশ লোকে উত্তম-মাধ্যম শোধাই আৰক্ষীক গতাই দিয়ে। এই যুৱককেইজনে চিৰিঞ্জৰে ড্ৰাগছ সেৱন কৰি আছিল। এনেদৰে নগাঁৱত একাংশ কম বয়সীয়া যুৱক-যুৱতীয়ে মুকলিকৈ ড্ৰাগছ সেৱন কৰি অহা কাৰ্যই সচেতন মহলক স্তম্ভিত কৰি তুলিছে।

# শিল্পী দিৱসত সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা ১৮ জানুৱাৰীঃ** শিল্পী দিৱস উপলক্ষে আজি যোৰহাটৰ সামাজিক,সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান প্ৰজ্ঞা সাৰথিয়ে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ জুনিয়ৰ ফেল'শ্বিপপ্ৰাপকক নৃত্য শিল্পী মাধুৰীমা বৰুৱাক তেওঁৰ ন-আলি, নাচনীচুকৰ বাসগৃহত স্মাৰক আৰু গামোচাৰে সম্বৰ্ধনা জনায়। কাৰ্যসূচীত প্ৰজ্ঞা সাৰথিৰ হৈ সম্পাদক শুভ্ৰদীপ বৰদলৈ আৰু সমন্বয়ক দিগন্ত বৰুৱা উপস্থিত থাকে। উল্লেখ্য যে মাধুৰীমা বৰুৱা এই ফেলশ্বিপপ্ৰাপক উজনি অসমৰ একমাত্ৰ শিল্পী।

# কৃতী শিক্ষক উমেশ চন্দ্ৰ শৰ্মাৰ ক'ভিডত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বৰুৱা বামুণগাঁও, ১৮ জানুৱাৰী ঃ** ক'ভিড অতিমাৰীৰ তৃতীয় লহৰে সমগ্ৰ ৰাজ্যতে দ্ৰুত সংক্ৰমণ ঘটিছে। বিশেষকৈ গোলাঘাট জিলাৰ অন্তৰ্গত গণকপুখুৰীত বহুকেইজন লোক আক্ৰান্ত হৈছে। অঞ্চলটোৰ এলেংমূৰীয়া গাঁৱৰ কৃতী শিক্ষক তথা সমাজকৰ্মী, সৰবৰহী, ধৰ্মপ্ৰাণ উমেশ চন্দ্ৰ শৰ্মা (৯৯)ৰ আজি পুৱা গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ক'ভিড পজিটিভ হৈ মৃত্যু হয়। মলীয়া গাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৰ্মা কিছুদিন কফজনিত কাৰণত শয্যাশায়ী হৈ আছিল। তেওঁৰ মৃত্যুত ঢেকীয়াল মলিয়াগাঁও শিৱ দেৱালয়, ঢেকীয়াল চাৰিআলি আৰু তিনিআলি সাৰ্বজনীন দুৰ্গোৎসৱ সমিতি, গণকপুখুৰীৰ মুক্তিযোদ্ধা দ্বাৰিকানাথ গোস্বামী দুৰ্গোৎসৱ সমিতি, লাওভগা দুৰ্গা মন্দিৰ, বৰুৱা বামুণগাঁও গাঁও সনাতন ধৰ্ম সাংস্কৃতিক মন্দিৰকে ধৰি এলেংমূৰীয়া গাঁও, ৰাংঢালী, যোগনীয়া, মলীয়া আদি গাঁৱৰ লোকে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত ভ্ৰাতৃ, তিনি পুত্ৰ আৰু দুই কন্যাৰ লগতে বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

# শুৱালকুছিত শিল্পী দিৱস উদ্‌যাপন

**অগ্ৰদূতবাৰ্তা**

**শুৱালকুছি, ১৮ জানুৱাৰী ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে শুৱালকুছিতো আজি একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱস উদ্‌যাপন কৰে। তাৰ ভিতৰত উত্তৰ সিদ্ধেশ্বৰ সন্মিলিত যুৱ সমাজে পুৱাৰ ভাগতে পতাকা উত্তোলন কৰে নাৰায়ণ ডেকাই, আগৰৱালাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে নাট্যকাৰ কবি মৃনাল দাসে । লগতে সমাজৰ সদস্যসকলে ৰূপকোঁৱৰ আগৰৱালাৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে। আনহাতে, জ্যোতি সাহিত্য সভা, শুৱালকুছি শিল্পী সমাজ, শুৱালকুছি সংগীত মহাবিদ্যালয়, লৌহ পুৰুষ প্ৰেমদা কান্ত শৰ্মা সংগীত বিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠানে উলহ-মালহেৰে শিল্পী দিৱস উদ্‌যাপন কৰে।

# জ্যোতিপ্ৰসাদ কবি-গীতিকাৰ-চিত্ৰশিল্পী-নৃত্যশিল্পী-গৱেষক আছিল ঃ ড° শইকীয়া

## ■ উৰিয়াগাঁৱত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় শিল্পী দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জানুৱাৰী ঃ** জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সৌজন্যত নগাঁও জিলা সমিতিৰ উদ্যোগত উৰিয়া গাঁও আঞ্চলিক সমিতি আৰু নগাঁওবাসী ৰাইজৰ সহযোগত আজি উৰিয়াগাঁৱত অসমৰ জাতীয় জীৱনৰ পুৰোধা, জনতাৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পবিত্ৰ স্মৃতিত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ন বজাত পতাকা উত্তোলন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। ৯-৩০ বজাত ছহিদ তৰ্পণ কৰে অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমাইয়ে। ইয়াৰ পাছতেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাপৰ্ণ কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মুখ্য উপদেষ্টা কমল ভৰালীয়ে। দুপৰীয়া অনুষ্ঠিত হয় মুকলি সভা, সাংস্কৃতিক সমাৰোহ আৰু শিল্পী সম্বৰ্ধনা অনুষ্ঠান। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নিৰ্দিষ্ট বক্তাৰূপে লোকসংস্কৃতিৰ গৱেষক তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়াই অংশগ্ৰহণ কৰি কয়, এখন সাংস্কৃতিক চৰ্চা থকা ঘৰত জন্মগ্ৰহণ কৰিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। অসমৰ প্ৰথমখন অসমীয়া কথাছবি জয়মতী ১৯৩৪তে নিৰ্মাণ কৰিছিল জ্যোতিপ্ৰসাদে। যিখন কথাছবিয়ে ভাৰতবৰ্ষৰ ভিতৰতে চতুৰ্থখন কথাছবি আছিল। এইজন মহান ব্যক্তিৰ কালি মৃত্যু তিথি শিল্পী দিৱস অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এনেদৰে আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰাটো আমাৰ বাবে গৌৰৱৰ কথা। কালি এই সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি তেওঁ আৰু কয়- জ্যোতিপ্ৰসাদ আগৰৱালা অকল যে বোলছবি নিৰ্মাতা আছিল এনে নহয় তেওঁ এজন গীতিকাৰ আছিল। তেওঁ গীতৰ ৰচনা টেবুলত বহি কৰা নাছিল। আন্দোলনত জড়িত হৈ গীত ৰচনা কৰিছিল। এই গীতসমূহ শিশু, কিশোৰ আৰু বয়সস্থ সকলো লোকৰ বাবে উপযোগী আছিল। স্বাধীনতা আন্দোলনত জড়িত হৈ বুকু পাতি দি গীত ৰচনা কৰিছিল। ১৪ বছৰ বয়সতেই তেওঁ লিখিছিল শোণিতকুঁৱৰী নাটখন। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ওপৰত দিয়া দীঘলীয়া ভাষণত তেওঁ আৰু কয় যে এই গৰাকী ব্যক্তি কবি, গীতিকাৰ, চিত্ৰ শিল্পী, নৃত্য শিল্পী, গৱেষক আদি সকলো আছিল। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই কয়, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল জনতাৰ শিল্পী। এই মহান মনীষীগৰাকীয়ে আমাৰ সমাজ জীৱনত সাংস্কৃতিক অবয়ব গঢ়ি থৈ ১৩ *পৃষ্ঠাত চাওক*




# হকা-বধাৰ আশীৰ্বাদ



আমি ডাঙৰসকলে তোমালোকক ইটো নকৰিবা, সিটো নকৰিবা, এইটো কৰিব নাপায়, সেইটো কৰিব নাপায় বুলি প্ৰায়ে আমনি কৰো। এনে ধৰণৰ কথা শুনি তোমালোকে আমাক বেয়া পাই কেতিয়াবা খঙো কৰা। আমাৰ কথা নুশুনিলে আমিও তোমালোকক খং-ৰাগ কৰো, গালি-শপনি দিওঁ।

এতিয়া আহাচোন ডাঙৰসকলে তোমালোকক কৰা হকা-বধাবোৰৰ কাৰণ কি তোমালোকৰ লগতে আলোচনা কৰো।

তোমালোকে নিশ্চয় জানা যে আমি বাস কৰা সমাজখন কিছুমান নীতি-নিয়মৰ মাজেৰে চলে। সমাজৰ কিছুমান বিশ্বাস আৰু আদৰ্শও আছে। যেনে ভগৱানৰ প্ৰতি থকা ভাব আমাৰ বিশ্বাস আৰু ডাঙৰৰ প্ৰতি থকা ভক্তি আমাৰ আদৰ্শ। সমাজৰ নীতি-নিয়ম মানি আৰু আদৰ্শ ৰক্ষা কৰি চলাকেই নৈতিকতা বুলি কয়। যেতিয়া সমাজৰ নীতি-নিয়ম আৰু আদৰ্শৰ পৰা মানুহ পিছলি পৰে তেতিয়াই নীতি-বিৰোধিতা কৰা হয় বা অনৈতিক কাম কৰা বুজায়। তেনে অৱস্থাত এজন মানুহক সমাজে আদৰি নলয়।

আমি প্ৰত্যেকেই আমাৰ সমাজৰ উন্নতি কামনা কৰো নহয় জানো? সেয়ে আমি কোনোৱে অসামাজিক কাম কৰিব নোৱাৰো। যিহেতু আমি তোমালোকতকৈ ডাঙৰ সেয়ে তোমালোকৰ আচৰণ নিয়ন্ত্ৰণ কৰাটো আমাৰ নৈতিক কৰ্তব্য।

তোমালোক এতিয়া সৰু হৈ আছা। ভাল-বেয়া, উচিত-অনুচিত, ন্যায়-অন্যায় ভালকৈ বিচাৰ কৰিব পৰা হোৱাগৈ নাই। সেয়ে অন্ধৰ হাতৰ লাখুটিডালৰ দৰে তোমালোকক আমি পথ দেখুৱাব লাগিব। বৰ্তমান আমাৰ হকা-বধাবোৰেই তোমালোকৰ লাখুটি স্বৰূপ। এইবোৰৰ ওপৰত ভৰ দিহে তোমালোকে ভালকৈ চলিব পাৰিবাহক। ডাঙৰৰ শাসন মানি চলিব পাৰিলেহে তোমালোকে সমাজৰ নীতি-নিয়ম, বিশ্বাস আৰু আদৰ্শৰ কাষ চাপিবলৈ পাৰিবা।

সেয়ে আমাৰ হকা-বধা, খং-ৰাগ আৰু গালি-শপনি তোমালোকৰ বাবে আশীৰ্বাদহে। তোমালোক প্ৰত্যেকে আমাৰ আন্তৰিক আশীৰ্বাদ নিবিচৰা জানো?

## অলপ হাঁহো আহা

মাজনিশা এজন দোকানীৰ ঘৰৰ টেলিফোন বাজি উঠিল। দোকানীজনে ফোন ধৰাৰ লগে লগে সিফালৰ পৰা এজন ব্যক্তিৰ মাত ভাহি আহিল।

**ব্যক্তি ঃ** হেল্লো, আপোনাৰ দোকানখন কাইলৈ কিমান সময়ত খুলিব?

দোকানীজনে '১০ বজাৰ আগতে খুলিব' বুলি ফোনটো থৈ দিলে। আধা ঘণ্টামানৰ পাছত পুনৰ ফোন বাজিল। টোপনি ভঙাত সামান্য বিৰক্তিৰে দোকানীয়ে ফোন ধৰিলে।

**দোকানী ঃ** হেল্লো!

**ব্যক্তি ঃ** আপোনাৰ দোকান ঠিক কিমান সময়ত খুলিব বাৰু?

**দোকানী ঃ** পুৱা ঠিক চাৰে নবজাত খুলিব।

কিছু সময়ৰ পাছত ফোনটো পুনৰ বাজিল। এইবাৰ দোকানীজনে খঙত একোনাই হৈ ক'লে—

**দোকানী ঃ** আপুনি বাৰু এই নিশাখন বাৰে বাৰে ফোন কৰি কিয় একেটা কথাই সুধি আছে?

**ব্যক্তি ঃ** আচলতে আপোনাৰ দোকানখন বন্ধ দেখি মই বস্তু দুটামান ল'বলৈ দোকানৰ ভেণ্টিলেটৰেদি ভিতৰ সোমাইছিলো। এতিয়া দোকানৰ পৰা ওলাব নোৱৰা হ'লো।

## বগলী পেহীৰ ভোগালী

তেলীয়া সাৰেঙৰ কাৰেঙত বহি
বগলী পেহীয়ে পাতিছে মেল
ভোগালী বুলি এইবেলি
নাপাতে নেকি বাৰু ৰাইজে অৰণ্যত খেল
চকুবন্ধা, ঘটভঙা আৰু ধৰাধৰি
য'ত-যিমান খেল
খেলিলোহেঁতেন আমি
ভোগালীত ৰং-ৰহইচ কৰি
জপং-জপং খোজ কাঢ়ি
আহিলো ইমান দূৰ বাট
ৰহিমাল ভনীকো বোলো লগাই যাওঁ
মৰমৰ এষাৰ মৌসনা মাত
পিছে গোটেই অৰণ্যখন চোন
তেনেই ৰিঙা ৰিঙা
এমা-ডিমা মখা বোলে
অ'মিক্ৰণৰ ভয়তে লাগিছে পেঁপুৰা
কোনো-ক'তো নাই এই অৰণ্যত
নাই এফাকি বিহু নাম
ভেলাঘৰ সাজি ৰংঘৰৰ বাকৰিত
কেনেকৈনো বাৰু ভোজ-ভাত খাম
ভোগৰ ভোগালী আহিল বুলি
তোমাৰ মুখতো নাইচোন এধানি হাঁহি
কিয়নো আছা বাৰু সাৰেং মন মাৰি
ইয়াত অকলে অকলে বহি
জানো এইবোৰ কিনো খেল
খেলিছে পৰভু ঈশ্বৰে
আহিছিলো বোলো সকলোকে
মাতি যাওঁ দোমাহীৰ সবাহলে
অগনি দেউৰ শ্ৰীচৰণত পৰি
কৰিলোহেঁতেন জয়দেউ কাকূতি
অপায়-অমংগলৰ পৰা
পৰভুয়ে দিয়ে যেন মুকুতি
টুলুং-ভুটুং নাৱতেই উঠি
যাওঁগৈ তেনে ঘৰলৈ ঘূৰি
এনেদৰে বাঁহতে সোমাই সোমায়েচোন
সোনকালেই হ'ম আমি বুঢ়া-বুঢ়ী
ৰাইজ অলপ সাৱধান হ'লেই
দূৰ হ'ব পৃথিৱীৰ এই ৰোগ
আৰু বেলিলৈ ভোগালীত
তেহে কৰিব পাৰিমহক আমি ভোগ
টুপুং-টাপাং খোজেৰে
বগলী পেহীয়ে ল'লে ভোগালীৰ বিদায়
বগলী পেহীৰ দুখৰ সমভাগী সাৰেং
নিৰলে দুধাৰি লোতক নিগৰায়

**গায়ত্ৰী দেৱী বৰঠাকুৰ**



*ভাস্কৰণ বৰা, প্ৰথম শ্ৰেণী, জুনিয়ৰ শিক্ষা পাব্লিক স্কুল, পাঞ্জাবাৰী।*

# গণৰাজ্য দিৱসৰ বিশেষ তথ্য




**১৯৪৭ৰ** ১৫ আগষ্টত ভাৰতবৰ্ষই ইংৰাজৰ শাসনৰ পৰা স্বাধীনতা অৰ্জন কৰিছিল। ইয়াৰ পাছত ১৯৫০ৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান গৃহীত হয় আৰু তেতিয়াৰ পৰা ভাৰতবৰ্ষ গণৰাজ্যত পৰিগণিত হয়। সেইদিনাৰ পৰাই ২৬ জানুৱাৰীত দেশৰ গণৰাজ্য দিৱস পালন কৰি অহা হৈছে। মজাৰ কথা যে ১৯৫০ৰ ২৬ জানুৱাৰীত যেতিয়া গণৰাজ্য দিৱস পালন কৰি ভাৰতীয় সংবিধান গৃহীত কৰা হৈছিল, তেতিয়া আমাৰ সংবিধানখন ছপাশালত ছপা কৰা হোৱা নাছিল। বৰঞ্চ সংবিধানৰ প্ৰথম কপিটো আছিল হিন্দী আৰু ইংৰাজীত হাতেৰে লিখা আৰু কেলিগ্ৰাফ (এবিধ বিচিত্ৰ অংকন প্ৰক্ৰিয়াৰ লিখন পদ্ধতি) কৰা। সম্প্ৰতি সংবিধানৰ হাতে লিখা প্ৰথম কপিটো সংসদ ভৱনৰ গ্ৰন্থাগাৰত হেলিয়াম (এক বিশেষ অদাহ্য গেছ) ভৰ্তি বাকচত সযতনে সংৰক্ষিত কৰি ৰখা হৈছে। সংবিধান হ'ল এনে এক নথি, যি চৰকাৰী ব্যৱস্থাটোক কাৰ্যক্ষম কৰি তোলে। সংবিধান হ'ল ৰাজনৈতিক দৰ্শন, চৰকাৰৰ দায়িত্ব, শক্তি আৰু প্ৰক্ৰিয়াৰ লগতে ভাৰতীয় নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ আৰু দায়িত্বৰ স্পষ্ট নীতি-নিৰ্দেশনা। ১৯৫০ৰ ২৬ জানুৱাৰীত আয়োজিত গণতন্ত্ৰ দিৱসৰ স'তে যুক্ত কেতবোৰ বিশেষ তথ্য তলত উল্লেখ কৰা হ'ল।

সংবিধান গৃহীত হোৱাৰ পাছতে ১৯৫০ৰ ২৬ জানুৱাৰীৰ পুৱা ১০-২৪ বজাত ডঃ ৰাজেন্দ্ৰ প্ৰসাদ ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। তাৰ পাছতে ৰাষ্ট্ৰপতিয়ে নতুন দিল্লীৰ ৰাজপথত ঘোঁৰাই টনা গাড়ীত উঠি প্ৰথম গণৰাজ্য দিৱসৰ পেৰেডত অংশ লৈছিল।

১৯৫০ত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি ছুকাৰ্ণ'ৰে ভাৰতৰ গণৰাজ্য দিৱসত প্ৰথমজন বিদেশী সন্মানীয় অতিথি হিচাপে অংশ গ্ৰহণ কৰে। দিল্লীৰ বিভিন্ন পথত পেৰেড হোৱাৰ পাছত তেতিয়াৰ ইৰবিন এম্পিথিয়েটাৰ (বৰ্তমানৰ নেছনেল ষ্টেডিয়াম)ত উপস্থিত হৈছিল। লক্ষ্যণীয়ভাৱে ছুকাৰ্ণ' আছিল স্বাধীন ইণ্ডোনেছিয়াৰ প্ৰথমজন ৰাষ্ট্ৰপতি।

সেইদিনাই স্বাধীন ভাৰতত প্ৰথমবাৰলৈ সাহসিকতাৰ বঁটা প্ৰদান কৰা হয়। সেইদিনা দুটা পৰম বীৰ চক্ৰ সন্মান প্ৰদান কৰা হৈছিল। মেজৰ সোমনাথ শৰ্মাক মৰণোত্তৰভাৱে পৰম বীৰ চক্ৰ প্ৰদান কৰা হয়। সেইদৰে নায়ক জে সিং, কেপ্টেইন আৰ আৰ ৰাণে, হাৱালদাৰ কৰম সিঙে নিজ হাতেৰে পৰম বীৰ চক্ৰ গ্ৰহণ কৰে।

স্বাধীন ভাৰতত সেইদিনাই প্ৰথমবাৰলৈ বায়ুসেনাৰ প্ৰদৰ্শন হৈছিল। ভাৰতীয় বায়ুসেনাৰ এশৰো অধিক যুঁজাৰু বিমানে পেৰেডৰ কাষেৰে উৰা মাৰিছিল। এই যুঁজাৰু বিমানসমূহৰ ভিতৰত আছিল হাৰ্ভাৰ্ড, ডেকোটা, লিবাৰট'ৰ, টেম্পেষ্ট, স্পিটফায়াৰ আৰু জেট বিমান।



# আমাৰ গণৰাজ্য দিৱস




**ভাৰতবৰ্ষ** হ'ল বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক দেশ তথা গণৰাজ্য দিৱস হ'ল আমাৰ অন্যতম ৰাষ্ট্ৰীয় উৎসৱ। ১৯৫০ৰ পৰা প্ৰতি বছৰে গণৰাজ্য দিৱস পালন কৰি অহা হৈছে। ১৯৫০ৰ ২৬ জানুৱাৰীৰ দিনটোতে স্বাধীন ভাৰতৰ সংবিধানে স্বীকৃতি লাভ কৰিছিল। দেশৰ সংবিধান প্ৰণয়নৰ দিন হিচাপেই প্ৰতি বছৰৰ ২৬ জানুৱাৰীত গণৰাজ্য দিৱস পালন কৰা হয়।

২৬ জানুৱাৰীৰ দিনটোত দেশৰ ৰাজধানী দিল্লীত অতি ওলহ-মালহেৰে গণৰাজ্য দিৱসৰ সমাৰোহ উদ্‌যাপন কৰে। লগতে দেশৰ সমগ্ৰ শিক্ষানুষ্ঠানতে দেশভক্তিৰ গীত, নৃত্য, পেৰেড আদি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ উপৰি বিভিন্ন ৰাজহুৱা স্থান তথা চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত 'ত্ৰিৰংগা' বা জাতীয় পতাকা উত্তোলন কৰা হয়। গণৰাজ্য দিৱসৰ পূৰ্বসন্ধ্যা ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰক উদ্দেশ্য কৰি ভাষণ দিয়ে। সেইদৰে ২৬ জানুৱাৰীৰ পুৱা ৰাষ্ট্ৰপতিয়ে জাতীয় পতাকা উত্তোলন কৰাৰ লগতে মাৰ্চপাষ্টৰ অভিবাদন গ্ৰহণ কৰি ভাষণ দিয়ে। তাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে 'অমৰ জৱান জ্যোতি' (ছহিদ জোৱানসকলৰ স্মৃতিত নিৰ্মিত স্মাৰক)ত পুষ্পাঞ্জলী অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদ সৈনিকসকলৰ স্মৃতিত দুই মিনিট সময় মৌনব্ৰত পালন কৰা হয়। আজি নতুন দিল্লীত আয়োজিত গণতন্ত্ৰ দিৱসত বিশেষ অতিথি হিচাপে উপস্থিত আছে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ফ্ৰাংকুইছ অ'লেণ্ড। পূৰ্বৰ দৰে এইবাৰো বিভিন্ন ৰাজ্যৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন হৈছে পেৰেডত। এই সাংস্কৃতিক প্ৰদৰ্শনীত প্ৰতিখন ৰাজ্যৰ পৰম্পৰা, সংস্কৃতি, লোককলা, সমাজ জীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰা হয়। 'ভিন্ন ভাষা, ভিন্ন বেশ-ভূষা, তথাপি আমাৰ এখন দেশ'; এইদৰেই 'অনৈক্যৰ মাজত ঐক্য'ৰ দৰ্শন হ'ল এই পেৰেডৰ প্ৰধান উদ্দেশ্য। গণৰাজ্য দিৱসত দেশৰ বিভিন্ন স্থানৰ সাহসী শিশুসকলক সন্মানিত কৰা হয়। তেওঁলোকে হাতী বা গাড়ীত উঠি পেৰেডত অংশ লোৱাৰ সৌভাগ্য অৰ্জন কৰে। তাৰ পাছত তেওঁলোকক সাহসিকতাৰ পুৰস্কাৰ হিচাপে স্মাৰক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। উক্ত পেৰেডত ভাৰতীয় সেনা বাহিনীৰ বিভিন্ন ৰেজিমেণ্ট, বায়ুসেনা, স্থলসেনা, নৌসেনা আদিয়েও অংশগ্ৰহণ কৰি বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰে। তিনিওটা বিভাগৰ সেনাবাহিনীৰ জোৱানে ৰাষ্ট্ৰপতিক চালাম জনায়। লগতে নিজৰ শক্তি আৰু অস্ত্ৰ-শস্ত্ৰও প্ৰদৰ্শন কৰে।

## কবিতা

# তেজত ফুলা স্বাধীনতা

**• প্ৰাঞ্জল গোহাঁই**

অজানুলম্বীজন
কৃষ্ণাংগ দেশৰ পৰা
সপোনটোক বুকুত বান্ধি
দৌৰি আহিছিল...গোলাপফুলৰ দেশৰ
পানীৰ তলৰ কাঁইটবোৰক উভালিবলৈ।

ইছাটি-বিছাট মন-মগজু-বিবেক।
এটি-দুটিকৈ অজস্ৰ ক্ষোভবোৰ এক হৈ পৰিছিল
চিন্তনৰ উক্‌মুকনিত ক্ষোভবোৰে চিঞৰিছিল
'ইনক্লাব জিন্দাবাদ'

আকাশে-বতাহে গৰ্জি উঠিছিল
বাপুজী, সুভাষ, ভগত, সুখদেৱ কুশলহঁতৰ
কণ্ঠত তিনিবৰণীয়া গানৰ স্তুতি।
আমাৰ মাটি আমাক লাগে..লাগে লাগে।
আমাৰ অধিকাৰ আমাক লাগে..লাগে লাগে।


এক প্ৰচণ্ড শব্দ--চিৎকাৰ
বেদনাৰ নহয়..ক্ষোভৰ লেলিহান শিখাৰ।
ৰছীৰে বান্ধে ডিঙিত.আতি-আতি
উথলি অহা জীৱন
সিঁচৰতি সুঠাম সপোন..থানবান জাক জাক পদুম।
স্পন্দনহীন হাতবোৰ যেন তেতিয়াও মুষ্টিবদ্ধ।
সমস্তৰে চিঞৰে..'ইন ক্লাব জিন্দাবাদ'।

তেজ ধোৱা শব্দবোৰ উৰি গৈছিল
জনতাৰ মিছিলটোলৈ।
সশব্দে আৰতিৰ বতাহ..চতুৰ্দিশে
'ছহিদ অমৰ হওঁক'।

উস সময়..নষ্ট সময়
অসুস্থ বিবেক..দুষ্ট নীতি।
ফিৰিঙি চাহাবৰ সময়ে লিখি গ'ল
তেজ..তেজ তেজ--তেজৰ দস্তাবেজ

গোলাপী নীতি..বিৰোধিতা কৰি
শিৰ ওখ ৰাখি
সহস্ৰজনৰ বাবে গুচি গ'ল হাঁহি হাঁহি
জিকি জিকি
দি গ'ল আমাক
জীয়াই থকাৰ মন্ত্ৰ
যি উৰিছিল বতাহত..
যি চাইছিল আকাশক
সাৱলীল সুষমা..
ছহিদৰ তেজেৰে আঁকা।
সিয়েই হ'ল স্বাধীনতা।
প্ৰণাম সেই ছহিদ
সহস্ৰ বাৰ তোমাক...
সহস্ৰ বাৰ তোমাক!!





*ভাৰ্গৱজ্যোতি শইকীয়া, চাৰি নম্বৰ ৱাৰ্ড প্ৰাইমাৰী স্কুল, অভয়াপুৰী।*

# ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰজ সেনানী লালা লাজপত ৰায়

**আমি** সকলোৱে জানো যে ভাৰতৰ পৰা ইংৰাজক খেদি দেশ স্বাধীন কৰাৰ সংগ্ৰামত প্ৰধান ভূমিকা লৈছিল জাতিৰ পিতা মহাত্মা গান্ধীয়ে। সেইদৰে মহাত্মা গান্ধীয়ে স্বাধীনতাৰ সংগ্ৰামখনক বিশাল ৰূপ দিয়াৰ পূৰ্বে দেশবাসীৰ মনত স্বাধীন হোৱাৰ ধাৰণাটো সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল তিনিজন মহান ব্যক্তিয়ে। এই তিনিজনক স্বাধীন ভাৰতৰ ইতিহাসত 'লাল-বাল-পাল' বুলিয়েই জনা যায়। উক্ত ত্ৰিমূৰ্তি হ'ল লালা লাজপত ৰায়, বালগংগাধৰ তিলক আৰু বিপিন চন্দ্ৰ পাল। তেওঁলোক তিনিওজন আছিল ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামৰ অগ্ৰজ সেনানী তথা সেই সংগ্ৰামখনৰ প্ৰাৰম্ভিক গুৰি ধৰোতা। উক্ত ত্ৰিমূৰ্তিৰ অন্যতম 'পঞ্জাৱ কেশৰী' লালা লাজপত ৰায়ৰ জন্ম হৈছিল ১৮৬৫ৰ ২৮ জানুৱাৰীত।

পঞ্জাৱৰ গোগা জিলাত জন্মগ্ৰহণ কৰা লালাক 'পঞ্জাৱ কেশৰী' আখ্যা দিয়া হয়। সিংহৰ গৰ্জনৰ দৰে কণ্ঠস্বৰেৰে তেওঁ ইংৰাজ চৰকাৰৰ কঁপনি তুলিবলৈ সক্ষম হৈছিল। দেশৰ স্বাধীনতাৰ সংগ্ৰামত তেওঁৰ অৱিহণা আছিল অপৰিসীম। ১৯২০ত কলকাতাত অনুষ্ঠিত কংগ্ৰেছৰ বিশেষ অধিবেশনত তেওঁ অধ্যক্ষতা কৰিছিল। কিশোৰ অৱস্থাত স্বামী দয়ানন্দ সৰস্বতীৰ আৰ্য সমাজৰ বিচাৰধাৰাই লাজপতক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। স্বাধীনতাৰ সংগ্ৰামত তেওঁ লোকমান্য বালগংগাধৰ তিলকৰ ৰাষ্ট্ৰীয় চিন্তাধাৰাৰ প্ৰতিও আকৰ্ষিত হৈছিল।



১৯০৫ত লালা লাজপত ৰায়ে গোপালকৃষ্ণ গোখলেৰ স'তে কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে ইংলণ্ডলৈ গৈ সেই দেশৰ জনতাৰ সন্মুখত ভাৰতৰ স্বাধীনতাৰ দাবী উত্থাপন কৰাৰ লগতে যুক্তিও দাঙি ধৰে। ১৯০৭ত সমগ্ৰ পঞ্জাৱত তেওঁ কৃষি আন্দোলনত নেতৃত্ব প্ৰদান কৰে। সেইদৰে ১৯২৬ত তেওঁ ৰাষ্ট্ৰৰ শ্ৰম প্ৰতিনিধি হিচাপে জেনেভা ভ্ৰমণ কৰিছিল। লালাজীয়ে ১৯০৮ত দ্বিতীয়বাৰলৈ ইংলণ্ড ভ্ৰমণ কৰি তাত পঢ়ি থকা ভাৰতীয় ছাত্ৰসকলক ৰাষ্ট্ৰীয়তাবাদৰ প্ৰতি জাগ্ৰত কৰি তুলিছিল। ১৯১৩ত তেওঁ জাপান আৰু আমেৰিকালৈ গৈ স্বদেশৰ স্বাধীনতাৰ হকে যুক্তি প্ৰদৰ্শন কৰে। ১৯১৬ৰ ১৫ অক্টোবৰত তেওঁ আমেৰিকাত 'হোম ৰুল লীগ' প্ৰতিষ্ঠা কৰিছিল।

১৯২০ত নাগপুৰত আয়োজিত অখিল ভাৰতীয় ছাত্ৰ সংঘ সন্মিলনত অধ্যক্ষতা কৰি লালাজীয়ে স্বাধীনতাৰ সংগ্ৰামত জড়িত হ'বলৈ ছাত্ৰসকলক আহ্বান জনাইছিল। স্বাধীনতাৰ সংগ্ৰামত জড়িত হোৱাৰ বাবেই ১৯২১ত তেওঁ কাৰাবাস খাটিবলগীয়াও হয়। ১৯২৮ৰ ৩০ অক্টোবৰত লাহোৰত ছাইমন কমিছন বিৰোধী সমদলত নেতৃত্ব দিয়াৰ পৰত আৰক্ষীৰ প্ৰহাৰত তেওঁ গুৰুতৰভাৱে আহত হয় আৰু সেই বছৰৰ ১৭ নৱেম্বৰত শেষনিশ্বাস ত্যাগ কৰে। লালা লাজপত ৰায়ৰ মৃত্যুৰ প্ৰতিশোধ ল'বলৈকে ভগৎ সিং, সুখদেৱ আৰু ৰাজগুৰুৱে ব্ৰিটিছ আৰক্ষী বিষয়া জন ছাণ্ডাৰ্ছক হত্যা কৰিছিল। উল্লেখ্য যে দেশৰ অন্যতম শীৰ্ষস্থানীয় বেংক পঞ্জাৱ নেছনেল বেংকৰ লগতে লক্ষ্মী বীমা কোম্পানীৰ প্ৰতিষ্ঠাৰ স'তেও ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল 'পঞ্জাৱ কেশৰী' লালা লাজপত ৰায়।



# ভাৰততো আছে 'বাৰ্মূডা ট্ৰায়েংগল'

### বাৰ্মূডা নামৰ ঠাইখনৰ অন্তৰ্গত সাগৰৰ এটা অঞ্চলক কেন্দ্ৰ কৰি বহু কথা প্ৰচলিত আছে

**'বাৰ্মূডা** ট্ৰায়েগল'ৰ বিষয়ে হয়তো বহুতেই শুনিছে। বাৰ্মূডা নামৰ ঠাইখনৰ অন্তৰ্গত সাগৰৰ এটা অঞ্চলক কেন্দ্ৰ কৰি বহু কথা প্ৰচলিত আছে। সেই 'বাৰ্মূডা ট্ৰায়েংগল' নামৰ ঠাইখিনিত হেনো বহু জাহাজ অন্তৰ্ধান হৈছে। আনকি ওপৰেদি উৰি যোৱা বহু বিমানো হেনো অন্তৰ্ধান হৈছে। বহুলোকে এই দাবী কৰে যদিও এই পৰ্যন্ত সমগ্ৰ বিষয়টো ৰহস্যৰ আৱৰ্তত আছে। সেয়ে বাৰ্মূডা ট্ৰায়েংগল আজিও মানুহৰ বাবে আকৰ্ষণ আৰু ৰহস্যৰ কেন্দ্ৰ। বহুতেই নাজানে যে বাৰ্মূডা ট্ৰায়েংগলৰ দৰে এক ৰহস্যজনক হ্ৰদ আমাৰ ভাৰততো আছে। তাকো আমাৰ ওচৰৰে অৰুণাচল প্ৰদেশৰ ভাৰত-ম্যানমাৰ সীমান্তত। সেই হ্ৰদত নমা মানুহে কেতিয়াও উভতি আহিব নোৱাৰে বুলিয়েই সকলোৱে বিশ্বাস কৰে। স্থানীয় লোকে দাবী কৰে যে ইতিহাসত কে'বাখনো বিমান এই হ্ৰদৰ গভীৰত অদৃশ্য হোৱাৰ উদাহৰণ আছে। সেই বিমান বা তাৰ যাত্ৰীসকলৰ হেনো আজিকোপতি কোনো সন্ধান নোলাল।

স্থানীয় ভাষাত এই হ্ৰদৰ নাম হৈছে 'নউং ইয়াং' বা 'উভতি নহাৰ হ্ৰদ'। অৰুণাচল প্ৰদেশৰ ভাৰত ম্যানমাৰ সীমান্তৰ পাংছাউ অঞ্চলত এই হ্ৰদটো অৱস্থিত। এই হ্ৰদ ১.৮ কিলোমিটাৰ দীঘল আৰু প্ৰায় চাৰিশ মিটাৰ বহল। এই হ্ৰদৰ সন্দৰ্ভত কথিত আছে যে ইয়াত এবাৰ নামিলে কেতিয়াও উঠি আহিব নোৱাৰে। উদাহৰণস্বৰূপে স্থানীয় লোকে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ কিছুমান উদাহৰণ দিয়ে। স্থানীয় লোকে দাবী কৰে যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত কে'বাখনো বিমান হ্ৰদৰ ওপৰতে অৱতৰণ কৰিছিল যদিও পৰৱৰ্তী সময়ত সেই বিমানসমূহ আৰু যাত্ৰীসকলৰ সন্ধান পোৱা নগ'ল। আনকি এই হ্ৰদক কেন্দ্ৰ কৰি স্থানীয় লোককাহিনীও প্ৰচলিত হৈ আছে। প্ৰাচীন কালত হেনো ওচৰৰ গাঁৱৰ বাসিন্দাসকলে হ্ৰদটোৰ পৰা এটা মাছ ধৰি বান্ধি খাইছিল। কেৱল এজন বৃদ্ধ আৰু তেওঁৰ কন্যাইহে সেই মাছ খোৱা নাছিল। তাৰ পাছত এদিন হ্ৰদৰ পানীৰে গাঁওখন ভৰি পৰিল। সেই মাছ নোখোৱা বৃদ্ধ আৰু তেওঁৰ কন্যাৰ বাহিৰে বাকী সকলো লোকৰে মৃত্যু হ'ল।

ইপিনে, এজন গৱেষকে দাবী কৰিছে যে সুদূৰ ইজৰাইলৰ প্ৰাচীন কাহিনীতো এই হ্ৰদটোৰ সন্ধান পোৱা যায়। তাতো এই হ্ৰদক ভয়ানক বুলি উল্লেখ কৰা হৈছে। যিয়েই নহওক, এই পৰ্যন্ত 'নউং ইয়াং' হ্ৰদৰ ৰহস্য আজিও ভেদ হোৱা নাই।



*অৰ্চিতা ডেকা, পঞ্চম শ্ৰেণী, এছবিঅ'এ পাব্লিক স্কুল, গড়চুক।*






# ফিফাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ ৰবাৰ্ট-এলেজিয়াৰ



## সৰ্বাধিক আন্তৰ্জাতিক গ'ল কৰি অভিলেখ গঢ়া পৰ্তুগীজ তাৰকা ৰোনাল্ডোকো সন্মান

**পেৰিছ, ১৮ জানুৱাৰী ঃ** বেয়াৰ্ণ মিউনিখৰ ষ্ট্ৰাইকাৰ ৰবাৰ্ট লেৱান্দ'স্কিয়ে ফিফাৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ফুটবলাৰৰ বঁটা লাভ কৰাৰ বিপৰীতে বাৰ্চিলোনা মহিলা দলৰ সদস্যা এলেজিয়া পুটেলাছক বৰ্ষশ্ৰেষ্ঠ মহিলা ফুটবলাৰ বঁটাৰ বাবে নিৰ্বাচিত কৰিছে ফিফাই। পেৰিছত হোৱা এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে পোলেণ্ডৰ 33 বছৰীয়া ৰবাৰ্ট লেৱান্দ'স্কিয়ে দ্বিতীয়বাৰৰ বাবে লাভ কৰিছে ফিফাৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ফুটবলাৰৰ বঁটা। বেয়াৰ্ণ মিউনিখৰ ষ্ট্ৰাইকাৰগৰাকীয়ে অভিলেখ গঢ়ি এটা ছিজনত সৰ্বাধিক গ'ল কৰাৰ যি গৌৰৱময় সফলতা লাভ কৰিছিল সেই সাফল্যৰ বাবেই ৰবাৰ্টক বৰ্ষশ্ৰেষ্ঠ পুৰুষ ফুটবলাৰ বঁটাৰ বাবে নিৰ্বাচিত কৰিছে ফিফাই। উল্লেখ্য যে এইবাৰ ৰবাৰ্ট লেৱান্দ'স্কিৰ লগত ফিফাৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ফুটবলাৰৰ বঁটাৰ দৌৰত আছিল লিভাৰপুলৰ মহম্মদ ছালাহ আৰু পি এছ জিৰ লিয়োনেল মেছি। ইফালে, শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা লাভ কৰে চেলছিৰ মেণ্ডি আৰু লিয়নৰ এন্দেলাৰে। আনহাতে, ফিফাই সৰ্বাধিক আন্তৰ্জাতিক গ'ল কৰাৰ নতুন অভিলেখ গঢ়া পৰ্তুগালৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডোক বিশেষ বঁটা প্ৰদান কৰে। উল্লেখ্য যে ৰোনাল্ডোই 184 মেচত 115 টা গ'ল কৰিছে।



### ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপ ক্ৰিকেট

# আজি ভাৰতৰ দ্বিতীয় মেচ আয়াৰলেণ্ডৰ বিৰুদ্ধে

**ত্ৰিনিদাদ, ১৮ জানুৱাৰী ঃ** ভাৰতে 19 বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেটত জয়ৰে অভিযান আৰম্ভ কৰাৰ পাছত কাইলৈ গ্ৰুপৰ দ্বিতীয়খন মেচত অংশ ল'ব। উল্লেখ্য যে গ্ৰুপ 'বি'ৰ মেচত কাইলৈ ভাৰতৰ প্ৰতিদ্বন্দ্বী হ'ল আয়াৰলেণ্ড। উভয় দলে নিজৰ নিজৰ প্ৰথম মেচত জয়লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। নিজৰ প্ৰথম মেচত ভাৰতে 45 ৰাণত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাক। টছত পৰাস্ত হৈ পোনতে বেটিং কৰা ভাৰতে 50 অভাৰৰ পূৰ্বেই 46.5 অভাৰত 232 ৰাণত ইনিংছ সামৰে। ভাৰতৰ 19 বছৰ অনূৰ্ধ্ব দলৰ অধিনায়ক য়াছ ধুলে 82 ৰাণৰ অনবদ্য ইনিংছ খেলে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই 45.4 অভাৰত 187 ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকি অষ্টাবলে পাঁচটা উইকেট দখল কৰে আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, চাৰিটা উইকেট পায় ৰাজ বাৱাই। ইফালে, আয়াৰলেণ্ডে নিজৰ প্ৰথম গ্ৰুপ মেচত 39 ৰাণত পৰাস্ত কৰিছিল উগাণ্ডাক।

# ২০১৭ ৰ পাছত অষ্ট্ৰেলিয়ান অপেনত জয়ৰ মুখ দেখিলে মাৰে

## হেলাৰঙে দ্বিতীয় ৰাউণ্ডত ডানিল, হালেপ, মুগুৰাজা

**মেলবৰ্ণ, ১৮ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনত আজি হোৱা এখন ৰোমাঞ্চকৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ইংলণ্ডৰ এণ্ডি মাৰে। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত মাৰে পাঁচটা ছেটৰ অন্তত 6-1, 3-6, 6-4, 6-7, 6-4 ৰ ব্যৱধানত পৰাস্ত কৰে নিক'ল'জক। তিনি ঘণ্টা 52 মিনিট ধৰি চলে মেচখন। উল্লেখ্য যে 2017 ৰ পাছত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত জয়ৰ মুখ দেখিলে মাৰে। ইফালে, দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ডানিলেও। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত তেওঁ 6-1, 6-4, 7-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হেনৰীক। উল্লেখ্য যে বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ প্ৰথমদিনাৰ খেলত খিতাপৰ দাবীদাৰ চাৰি তাৰকা খেলুৱৈয়ে জয়ৰে অভিযান আৰম্ভ কৰে। প্ৰথম ৰাউণ্ডৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে জেৰভ, ৰাভেল নাডাল, বাৰ্টি আৰু নাওমি অ'ছাকাই। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জেৰভে দেশৰে সতীৰ্থ ডেনিয়েলক 7-6, 6-1, 7-6 ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, শীৰ্ষ বাছনিৰ নাডালে প্ৰথম ৰাউণ্ডৰ মেচত 6-1, 6-4, 6-2 ৰ ব্যৱধানত পৰাস্ত কৰে মাৰ্কাছক। ইফালে, আজি মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ছিমনা হালেপ আৰু গাৰ্বিন মুগুৰাজা। হালেপে 6-4, 6-3 ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে মুগুৰাজাই 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈ অগ্ৰগতি লাভ কৰে। ইয়াৰপূৰ্বে প্ৰথমদিনা মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে লেছিয়াক 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল। আনহাতে, জাপানৰ অ'ছাকাই প্ৰথম ৰাউণ্ডৰ মেচত 6-3, 6-3 ৰ ব্যৱধানত পৰাস্ত কৰে কামিলাক।



### টেষ্ট শৃংখলাত ব্যৰ্থতাৰ পাছত নতুন আশাৰে সাজু টীম ইণ্ডিয়া

# আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম এদিনীয়া

**জোহান্সবাৰ্গ, ১৮ জানুৱাৰী ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাটো সমাপ্ত হোৱাৰ পাছত এতিয়া আৰম্ভ হ'ব তিনিখনীয়া এদিনীয়া শৃংখলা। কাইলৈ অনুষ্ঠিত হ'ব তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ। উল্লেখ্য যে প্ৰথম টেষ্টত জয়লাভ কৰাৰ পাছতো টীম ইণ্ডিয়াই দখল কৰিব নোৱাৰিলে তিনিখনীয়া টেষ্ট শৃংখলাটো। দ্বিতীয় আৰু তৃতীয় টেষ্টত ভাৰতক পৰাস্ত কৰি ঘৰুৱা দল দক্ষিণ আফ্ৰিকাই 2-1 ৰ ব্যৱধানত দখল কৰে তিনিখনীয়া টেষ্ট শৃংখলা। এতিয়া ভাৰতৰ লক্ষ্য তিনিখনীয়া এদিনীয়া শৃংখলাটো দখল কৰা। কাইলৈৰ শৃংখলাৰ প্ৰথমখন এদিনীয়াত সফলতা লাভ কৰাটো দলৰ বাবে গুৰুত্বপূৰ্ণ। উল্লেখ্য যে নতুন অধিনায়ক লোকেছ ৰাহুলৰ নেতৃত্বত খেলিব ভাৰতীয় দলে। অৱশ্যে দলত আছে বিৰাট কোহলি। সাত বছৰ পাছত অধিনায়কৰ বোজা আঁতৰাই কেৱল বেটাৰ ৰূপে খেলিব বিৰাটে। উল্লেখ্য যে এদিনীয়া শৃংখলাৰ বাবে ভাৰতীয় দল পূৰ্বেই ঘোষণা কৰা হৈছিল যদিও এতিয়া দুজন খেলুৱৈ নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোক হ'ল জয়ন্ত যাদব আৰু নৱদ্বীপ ছাইনী। উল্লেখ্য যে বাংগালুৰুৰ শিবিৰত কৰ'নাত আক্ৰান্ত হৈছে ৱাশ্বিংটন সুন্দৰ। সেয়ে তেওঁ দক্ষিণ আফ্ৰিকা ভ্ৰমণ নকৰিলে। তেওঁৰ স্থানত দললৈ নিৰ্বাচন হৈছে জয়ন্ত। ইফালে, পেচাৰ মহম্মদ ছিৰাজ আঘাতপ্ৰাপ্ত হোৱাত নৱদ্বীপ ছাইনীক এদিনীয়া শৃংখলাৰ বাবে দলত লোৱা হৈছে। ভাৰতৰ এদিনীয়া দলটো হ'ল ঃ লোকেছ ৰাহুল, শিখৰ ধাৱন, ৰিতুৰাজ গাইকোৱাড, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, সূৰ্য কুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, ঋষভ পণ্ট, ঈশান কিষণ, ৰবিচন্দ্ৰন অশ্বিন, যুজবেন্দ্ৰ চাহাল, জয়ন্ত যাদব, যশপ্ৰীত বুমৰাহ, ভুবনেশ্বৰ কুমাৰ, দীপক চহৰ, প্ৰসিদ্ধ কৃষ্ণ, শাৰ্দূল ঠাকুৰ, মহম্মদ ছিৰাজ আৰু নৱদ্বীপ ছাইনী।





### সদৌ অসম প্ৰাইজমানি ক্ৰিকেট

# মিলনপুৰৰ হিলফুল ক্লাব কোৱাৰ্টাৰ ফাইনেলত

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১৮ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত মৰিগাঁৱৰ মিলনপুৰৰ হিলফুল ক্লাবৰ ক্ৰিকেট দলে শ'লমাৰী মিকিৰগাঁও যুৱক সংঘক সাত উইকেটত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে দ্বিতীয় ৰাউণ্ডৰ খেলখনত শ'লমাৰী মিকিৰগাঁও যুৱক সংঘ দলে টছত জিকি পোনতে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু দলে 15 অভাৰত আঠটা উইকেট হেৰুৱাই 140 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মিলনপুৰ হিলফুল ক্লাবে বেট ধৰি 11.4 অভাৰত তিনিটা উইকেটৰ বিনিময়ত 143 ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে। কাইলৈৰ বুধবাৰৰ খেলত দন্দুৱা ক্ৰিকেট ক্লাবে জাগীৰোডৰ এম.এছ.ডি.দিলচান ইলেভেনৰ বিৰুদ্ধে প্ৰতিদণ্ডিতা কৰিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।


# টেষ্টৰ পাছত আজি এদিনীয়াৰ অধিনায়কৰূপে অভিষেক ৰাহুলৰ

**জোহান্সবাৰ্গ, ১৮ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ মাটিত টেষ্ট অধিনায়ক হিচাপে অভিষেক কৰা ভাৰতৰ লোকেছ ৰাহুলে কাইলৈ এদিনীয়াৰ অধিনায়কৰূপেও নতুন পৰিচয় লাভ কৰিব। উল্লেখ্য যে কাইলৈৰ পৰা আৰম্ভ হ'ব ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলা। কাইলৈ অনুষ্ঠিত হ'ব শৃংখলাৰ প্ৰথমখন মেচ। উল্লেখ্য যে এদিনীয়া শৃংখলাত টীম ইণ্ডিয়াক নেতৃত্ব দিব তাৰকা অ'পেনাৰ লোকেছ ৰাহুলে। শেহতীয়াকৈ ভাৰতীয় এদিনীয়া দলৰ অধিনায়ক হিচাপে দায়িত্ব পোৱা ৰোহিত শৰ্মাই আঘাতৰ পৰা আৰোগ্য লাভ নকৰাত ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে ৰাহুলৰ কান্ধত এই দায়িত্ব অৰ্পণ কৰিছে। ইফালে, পেচ বলাৰ যশপ্ৰীত বুমৰাহক এদিনীয়া শৃংখলাটোৰ বাবে টীম ইণ্ডিয়াৰ সহঃ অধিনায়ক নিযুক্ত কৰা হৈছে। উল্লেখ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলালৈ প্ৰস্তুতি চলাই থকাৰ সময়তে ৰোহিত শৰ্মাই হেমষ্ট্ৰিঙৰ আঘাতৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ তেওঁ বাংগালুৰুস্থিত ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত নিজকে সুস্থ কৰি তোলাৰ প্ৰক্ৰিয়া চলাই আছিল। কিন্তু সময় মতে সুস্থ হৈ উঠিব নোৱাৰাত ৰোহিত এদিনীয়া শৃংখলাৰ পৰাও বাহিৰ হয়। টেষ্ট শৃংখলাত চমকপ্ৰদ বলিং প্ৰদৰ্শন দাঙি ধৰা তাৰকা বেগী বলাৰ মহম্মদ ছামিক এদিনীয়া শৃংখলাৰ পৰা বাহিৰত ৰখা হৈছে। ইফালে, তাৰকা অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা আৰু অক্ষৰ পেটেল এতিয়াও আনফিট হৈ আছে। উল্লেখ্য যে বি চি চি আয়ে শেহতীয়াকৈ কোহলিক নেতৃত্বৰ পৰা আঁতৰাই ৰোহিত শৰ্মাক এদিনীয়া দলৰ অধিনায়ক নিযুক্ত কৰিছিল। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আগন্তুক এদিনীয়া শৃংখলাত ৰোহিতে ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব গ্ৰহণৰ কথা আছিল। কিন্তু আঘাতৰ বাবে তেওঁ দক্ষিণ আফ্ৰিকালৈ যাব নোৱাৰিলে। সেয়ে ৰাহুলৰ নেতৃত্বত খেলিব ভাৰতীয় দলে।



## পঞ্চম চি ই এম স্বৰ্ণ কাপ ফুটবল চেম্পিয়নশ্বিপ

# টাইব্ৰেকাৰত হায়দৰাবাদক পৰাস্ত কৰি চেম্পিয়ন ডিফুৰ মৰ্ণিং ষ্টাৰ



**গুৱাহাটী, ১৮ জানুৱাৰী ঃ** কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ উদ্যোগত কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ পৰিচালনাত অনুষ্ঠিত হোৱা পঞ্চম চি ই এম স্বৰ্ণ কাপ ফুটবল চেম্পিয়নশ্বিপৰ খিতাপ লাভ কৰিছে কাৰ্বি আংলং মৰ্ণিং ষ্টাৰ এফ চি দলে। উল্লেখ্য যে প্ৰতিযোগিতাৰ ফাইনেলত কাৰ্বি আংলং মৰ্ণিং ষ্টাৰ এফ চিৰ প্ৰতিদ্বন্দ্বী আছিল হাইদৰাবাদ এফ চি। নিৰ্ধাৰিত সময়ত খেলখন গলশূন্য হোৱাত টাইব্ৰেকাৰৰ সিদ্ধান্ত লোৱা হয় আৰু কাৰ্বি আংলং মৰ্ণিং ষ্টাৰ এফ চিয়ে 4-2 গলৰ ব্যৱধানত হাইদৰাবাদ এফ চিক পৰাভূত কৰি পঞ্চম চি ই এম স্বৰ্ণ কাপ হস্তগত কৰে। উল্লেখ্য যে শীতৰ সেমেকা নিশাটো দহ সহস্ৰাধিক ক্ৰীড়ানুৰাগীৰ উপস্থিতিত হোৱা মেচত হাইদৰাবাদ এফ চিৰ চি লাল চুং নংগাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয়। আনহাতে, অমল কুমাৰ চাহানী শ্ৰেষ্ঠ গলৰক্ষক আৰু মৰ্ণিং ষ্টাৰ এফ চিৰ লুৱাংগাই সৰ্বাধিক গলদাতাৰ সন্মান লাভ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেল গুৱাহাটী এ এচ ই বি বনাম হাইদৰাবাদ এফ চি ৰ মাজত অনুষ্ঠিত হয় আৰু হাইদৰাবাদ এফ চিয়ে এ এচ ই বিক 3-2 গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, প্ৰথমখন ছেমিফাইনেলত কাৰ্বি আংলং মৰ্ণিং ষ্টাৰ এফ চিয়ে ছিলঙৰ লাজং এফ চিক একমাত্ৰ গলত হৰুৱাই ফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰিছিল। কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাযবাহী সদস্য তুলিৰাম ৰংহাঙে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ট্ৰফী আৰু প্ৰাইজমানি বিতৰণ কৰাৰ লগতে স্মৰণিকাও উন্মোচন কৰে । অনুষ্ঠানত ডিফুৰ বিধায়ক বিদ্যাছিং ইংলেঙো উপস্থিত আছিল।

# সন্তোষ ব্ৰহ্ম আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা, গৰুভাষা, ১৮ জানুৱাৰী ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা সন্তোষ ব্ৰহ্ম সোঁৱৰণী জিলা আন্তঃক্লাব ক্ৰিকেট লীগত ঢালিগাঁৱৰ খৌৰামদাও ক্লাবে জয়যাত্ৰা অব্যাহত ৰাখিছে। বেংতলত আজি অনুষ্ঠিত হোৱা লীগৰ এখন খেলত খৌৰামদাও ক্লাবে স্থানীয় বেংতলৰ ডলফিন 'বি' দলক ন উইকেটত পৰাজিত কৰে। মেচখনত প্ৰথমে বেটিং কৰি ডলফিন 'বি' দলে 14.4 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 44 ৰাণ কৰে। প্ৰত্যুত্তৰত খাৰামদাও ক্লাবে এটা উইকেট হেৰুৱাই 5.2 অভাৰত জয়ৰ লক্ষ্যত উপনীত হয়।



### দেৰগাঁৱত আন্তঃমহাবিদ্যালয় পুৰুষ-মহিলা বক্সিং প্ৰতিযোগিতাৰ সামৰণি

# ডি আৰ কলেজ শ্ৰেষ্ঠ দল, মনোজ-মাইনা শ্ৰেষ্ঠ বক্সাৰ



অষ্ট্ৰেলিয়ান অপেনত মুগুৰাজা।

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও ,১৮ জানুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় বক্সিং প্ৰতিযোগিতাত গোলাঘাট ডি আৰ কলেজ দল শ্ৰেষ্ঠ দল ৰূপে বিবেচিত হৈছে। উল্লেখ্য যে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতাত ল'ৰাৰ শাখাত শ্ৰেষ্ঠ বক্সাৰ খিতাপ অৰ্জন কৰে এন এল বি চিটি কলেজৰ মনোজ ঠাকুৰে। আনহাতে, ছোৱালীৰ শাখাত এন এলবিৰ মাইনা মুণ্ডা শ্ৰেষ্ঠ বক্সাৰ বিবেচিত হয়। ডিকেডি কলেজৰ দীপ পেগুয়ে ল'ৰাৰ শ্ৰেষ্ঠ চেলেঞ্জাৰ্ছ আৰু মৰাণ মহিলা কলেজৰ ডেইজী গগৈয়ে ছোৱালী শাখাৰ শ্ৰেষ্ঠ চেলেঞ্জাছৰ বটা লাভ কৰে। মুঠ 25 খন মহাবিদ্যালয়ৰ 80 গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা আন্তঃমহাবিদ্যালয় বক্সিং প্ৰতিযোগিতাৰ ঘোষিত ফলাফল অনুসৰি, 46-48 কেজি শাখাত যোৰহাট কলেজৰ মনোজ বৰাই সোন, খোৱাং কলেজৰ ভৈৰৱ ফুকনে ৰূপ তথা মৌচুম দলে আৰু বান গগৈয়ে ব্ৰঞ্জ অৰ্জন কৰে। 48-51 কেজি শাখাত এন এল বিৰ যাদব শৰ্মাই সোন, মাৰ্ঘেৰিটা কলেজৰ শিৱ তাতীয়ে ৰূপ আৰু তিনিচুকীয়া কমাৰ্চ কলেজৰ বৈকুণ্ঠ নাথ বৰ্মাই ব্ৰঞ্জ অৰ্জন কৰে। 51-54 কেজিত নয়ন জ্যোতি চুতীয়া, কানু পেগু আৰু হীৰক জ্যোতি ডেকা আৰু প্ৰাৰ্থম মজুমদাৰে প্ৰথম তিনিটা স্থান লাভ কৰে। 54-57 কেজিত মনোজ ঠাকুৰে সোন, প্ৰিয়াংকু পাত্ৰই ৰূপ আৰু বিশাল লিম্বু আৰু পুস্পজ্যোতি দলে ব্ৰঞ্জ অৰ্জন কৰে। 57-60 কেজিত গোলাঘাট কমাৰ্চ কলেজৰ মনজিৎ দত্তই সোন, মাৰ্ঘেৰিটাৰ চাহেব আখটাৰ হুচেইনে ৰূপ আৰু ৰোহিত লিম্বু তথা ৰাকেশ পেগুয়ে ব্ৰঞ্জ লাভ কৰে। 60-63 শাখাত ফিলিপছ ডেনিয়েলে সোন, বিশাল ৰাজবংশীয়ে ৰূপ আৰু হেমন্ত মণি সোনোৱাল , ধনটি তামুলীয়ে ব্ৰঞ্জ লাভ কৰে। 63-67 শাখাত পাৰ্থ প্ৰতিম সোনোৱালে সোন, দীপ পেগুয়ে ৰূপ আৰু ছাও টাইখোংলাই তথা শিবাশিষ দত্তই ব্ৰঞ্জ লাভ কৰে। 75-80 কেজিত শেখৰ জোতি কলিতাই সোন, আচৰুদ্দিন আহমেদে ৰূপ আৰু বিশাল কৈশানে ব্ৰঞ্জ অৰ্জন কৰে। ইপিনে ছোৱালীৰ 45-48 শাখাত মাইনা মুণ্ডাই সোন, সুৰভী মৰাণে ৰূপ তথা পল্লবী বৰা আৰু সান্তনা চলিহাই ব্ৰঞ্জ অৰ্জন কৰে। 48-50 শাখাত সোন লাভ কৰে চন্দমা শইকীয়াই। ৰূপ লাভ কৰে ডিকেডিৰ নিভাৰাণী পাচুঙে। আনহাতে, ব্ৰঞ্জ লাভ কৰে মধুস্মৃতা বসুমতাৰীয়ে। 50-52 শাখাত দিপাঞ্জলী দৈমাৰী আৰু তিনামণি গগৈয়ে সোন আৰু ৰূপ অৰ্জন কৰে। 52-54 শাখাত এইকন মিলিয়ে সোন আৰু অঞ্জন দাসে ৰূপ লাভ কৰে। 54-57îÂ কেজিত মনালিছাই সোন, ডেইজী গগৈয়ে ৰূপ আৰু অনিন্দতা মৰাণ আৰু ভদ্ৰী দেউৰীয়ে ব্ৰঞ্জ লাভ কৰে। 57-60 কেজিত কল্পনা সিঙে সোন আৰু লাকি পেগুই ৰূপ লাভ কৰে। 60-63 শাখাত পুৰ্ণমা সোনোৱালে সোন, হিৰণময়ী পেগুৱে ৰূপ লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ীসকলক বিশিষ্ট ব্যক্তি সকলৰ হাতেৰে বটা প্ৰদান কৰা হয়।



অষ্ট্ৰেলিয়ান অপেনত হালেপ।

## বিলাসনন্দন চ'ৰা




# এ দি পি ওৰফে দালাল পাৰ্টি

**যিমান** জেইলত ভৰাই থাকক, আমি অকণো লাজ নকৰো, খাতিৰো নকৰো। কাৰণ আমি দালাল হয়। আমাৰ মাজৰে ভূমি তালুকদাৰক দেখা নাই! তেওঁ দেখোন কিমানবাৰ জেইলত সোমাইছে! কি হ'ল তাতে? গাৰ নোম এডাল লৰাব পাৰিলেনে তেওঁৰ? আজি দেখোন তেওঁ গৈ বিন্দাছ ৰাজসভাত বহি আছে। তাকো দুবাৰ দুবাৰ জিকি! কৈছো নহয়, আমাক কোনেও একো কৰিব নোৱাৰে। কাৰণ আমি নহ'লে কাম নচলে। আমিহে দেখুৱাই দিব লাগিব কোনে ক'ত কোন ডোখৰ মাটি বেচিব! দামো ঠিক কৰি দিব লাগিব আমিয়ে! আমিয়ে খেতিয়কৰ চবজী নি ঠিক কৰি দিব লাগিব সেয়া কোনখন বজাৰত কিমান টকাত বেচিব! আমিয়ে চেনেল ফিটিং কৰি দিব লাগিব ক'ত বাণ্ডিল পেলালে অফিচবোৰৰ ভেকেন্সী ফিলাপ হয়। আমিয়ে থানাই থানাই গৈ খাকী পোছাকবোৰত দাগ লগাই থৈ কেছবোৰ চুটকেছলৈ সলনি কৰাব লাগিব! মুঠতে আমাৰ দায়িত্ব বহুত! বহুতে ক'ব খোজে আমি হেনো মধ্যভোগী! নহয়! এইবোৰ ভুল ধাৰণা! আমি বেলেগ, মধ্যভোগী বেলেগ। মধ্যভোগীয়ে মধ্যত থাকি ভোগ কৰে, আমি ওপৰতে গদা চলাই ভোগ কৰো। এই প্ৰভেদটো কিছু পৰিমাণে কা কা কৰা আৰু কা কা নকৰা শিল্পীৰ লগত ৰিজাব পাৰি। কা কা কৰাবিলাকেই পাছত গৈ ক'বলৈ ধৰা নাছিল জানো যে একো নজনা-নুবুজাকৈ তেওঁলোকে কা কা কৰিছিল। আচলতে তেওঁলোক কা কা নকৰাৰ পক্ষতহে আছে। ঠিক তেনেকৈ আমাৰ বহু মধ্যভোগীয়ে দালালি কৰি কৰি জেললৈ যোৱাৰ ভয়ত সৈ কাঢ়িব ধৰিছে যে তেওঁলোকে একো নজনা-নুবুজাকৈ দালালিত নামিছিল, আচলতে তেওঁলোক দালাল নহয়, মধ্যভোগীহে!

এটা কথাত ভাল লাগিছে যে ইমান বছৰ এই প্ৰফেছনত থকাৰ পাছতো আমাক কোনেও স্বীকৃতি দিয়া নাছিল। আমাক এজন এজনকৈ জেলত ভৰাই কমচে কম কিবা এটা স্বীকৃতি দিয়া হৈছে। ছ'চাইটীক বুজাই দিয়া হৈছে যে আমাৰ দালালবোৰৰো গুৰুত্ব আছে, পজিছন আছে। এনেয়েও আজি-কালি জেলত অপৰাধ কৰাবোৰ কম সোমায়, অপবাদ কৰাবোৰহে বেছিকৈ সোমায়। দিল্লীৰ বাদশ্বাহেই হওক বা তেওঁৰ দখল থকা পেলেচৰ পুখুৰীত ফুলি থকা পদুম ফুলটোৰে হওক, তাক নিন্দা কৰা কাৰ্যক অপবাদ আখ্যা দি মুহূৰ্তৰ ভিতৰতে জেলত ভৰাই দিয়ে। বৰ্তমান জেলবোৰ দেশদ্ৰোহীৰে ভৰি আছে। তেনে বহু দেশদ্ৰোহীয়ে জেলত লগ পাই আমাক খাটনি ধৰিছে কেনেবাকৈ জামিনটো কৰাই দিব লাগে বোলে! যিমান লাগে সিমান দিব বোলে! আমি সুধিছিলো যে জেলত সোমাই থাকোতে যিমান লাগে সিমান ক'ত পাব? দেছদ্ৰোহীবোৰে ক'লে যে জেলত থাকোতেই তেওঁলোক দেছপ্ৰেমী বনি যাব। তেতিয়া আৰু মাল আহি থাকিব। যিমান লাহে সিমান! আজি-কালি দেছপ্ৰেমী হ'লে যে ইমান মালদাৰ হ'ব পাৰি, এইবাৰ জেলত সোমাইহে বুজিলো।

যিয়ে নহওক, এইবাৰ আমি আটাইবোৰ দালালে মিলি খাটাং কৰিছো যে দল এটা আমিও খুলিম। দলটোৰ নাম আমি অলৰেডি ভাবি উলিয়াইছো—এ দি পি! মানে 'আছাম দালাল পাৰ্টি'। এ দি পি বুলি কওঁতে আছাম গেৰুৱা পাৰ্টি যেন লগা হৈছে নহয়? হ'লে হওক। বেছিক ডিফাৰেন্সতো একো নাই। আমি যেনিবা মাটি-বাৰী, চাকৰিক লৈ দালালি কৰিছো, সিহঁতে যেনিবা এছামিজ ছেণ্টিমেণ্টক লৈ দালালি কৰিছে! দালালিতো দালালিয়েনা! 'আমি আছু' 'আমি আছু' বুলি য'তে-ত'তে থকাৰ প্ৰমাণ দি অহা বহুতকে আমি আমাৰ পাৰ্টিত এডভাইজাৰ কৰি ৰাখিম বুলি ভাবিছো। এই ক্ষেত্ৰত তেওঁলোকৰ এক্সপেৰিয়েন্স বহুদিনীয়া। দুই-এক পপুলাৰ ছিংগাৰকো ৰাখিম বুলি ভাবিছো। কা কা কৰাৰ সময়ত তেওঁলোকে যি কায়দাৰে পাছ দুৱাৰেদি গৈ দিছপুৰত এন্ট্ৰী মাৰিছিল, সিয়ে প্ৰমাণ কৰি দিছে যে তেওঁলোকে আমাক ভালকৈ গাইড্ কৰিব পাৰিব। বহু ইণ্টেলেকচুৱেলো আমাৰ লগত থাকিব। কাক কেনেকৈ ভাৰ্চুৱেলী সন্তুষ্ট কৰি এবৰাপ্টলী মোট সলাই পেলাব লাগে, সেই ক্ষেত্ৰত আমাৰ ইণ্টেলেকচুৱেলবোৰৰ যথেষ্ট দক্ষতা আছে। মুখ চাই চাই জাৰণ দি ফুৰা দুই-এক জাৰ্ণেলিষ্টো থাকিব আমাৰ লগত।

আমি আমাৰ আছাম দালাল পাৰ্টিৰ ছিম্বলটোও খাটাং কৰি পেলাইছো। ছিম্বলটো হ'ব—ফুটবল! কাৰণ জেলত ভৰাই ভৰাই আমাৰ ওপৰত যিমানেই একছন নলওক কিয়, তাৰ ৰিজাল্ট কিন্তু এটাই—ফুটবল!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# গুলিচালনাৰ ভয়ত আৰক্ষীৰ জিম্মাৰ পৰা পলাল অভিযুক্ত

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী চাৰিদুৱাৰ আৰক্ষী থানাৰ পৰা যোৱা নিশা এজন চোৰে পলায়নৰ কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্যে আজি সন্ধিয়া প্ৰায় সাত বজাত পলাতক অভিযুক্তকেইজনক আৰক্ষীয়ে পুনৰ কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আৰক্ষীৰ এনকাউণ্টাৰৰ ভয়তে যোৱা নিশা চাৰিদুৱাৰ আৰক্ষী থানাত সংঘটিত হয় এই ঘটনা। চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত চুৰি কাৰ্যৰে সৰ্বসাধাৰণক অতিষ্ঠ কৰা বুলি অভিযুক্ত আকাশ দৰ্জী নামৰ যুৱকজনক যোৱা নিশা আৰক্ষীয়ে আটক কৰে। কিন্তু নিশা স্বাস্থ্য পৰীক্ষাৰ বাবে থানাৰ পৰা নিবলৈ লোৱাৰ সময়তে সুযোগ বুজি তেওঁ পলায়ন কৰে। এন্ধাৰৰ সুযোগ লৈ পলায়ন কৰা যুৱকজনক আজি সন্ধিয়া চাৰিদুৱাৰৰ ননকে বাকোলাৰ নিজা বাসগৃহৰ পৰা আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মূলতঃ আৰক্ষীৰ গুলিচালনাৰ ভয়তে চোৰজনে পলায়ন কৰে। এই ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।















অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com